● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



জীৱনত আমাৰ কি আছে তাতকৈ আমাৰ জীৱনত কোন আছে সেয়াহে অধিক গুৰুত্বপূৰ্ণ।

মাৰ্গাৰেট লৰেন্স
*কানাডাৰ ঔপন্যাসিক*

www.dainikagradoot.in

৭ ছুইডেন-ফিনলেণ্ডে লাভ কৰিব 'ফাষ্ট ট্ৰেক' সদস্যপদ
১৫ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত অংকুশিতা
৪ অসমত তৃণমূল কংগ্ৰেছৰ ভাবুকি

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২১৬তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ২ জেঠ ১৪২৯ ভাস্কৰাব্দ ১৭ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 17 May 2022 মূল্য ঃ ৯.০০ টকা


২০ জুলাইৰ ভিতৰত 'কটেজ' এৰিবলৈ নিৰ্দেশ বিধানসভাৰ ■ আগষ্টত ভাঙিব লাখ লাখ টকাৰে পুনৰ নিৰ্মিত আৱাস ■ ৰাজহুৱা ধনৰ অপচয়, অধ্যক্ষৰে আলোচনা কৰিম ঃ বিধায়ক ছিকদাৰ

# চৰকাৰৰ পদূলিতে ৰাজহুৱা ধনৰ শৰাধ

■ একাংশ বিধায়কে নিজ পছন্দ অনুসৰি বহু লক্ষ টকা ব্যয় কৰি ঘৰ মেৰামতি কৰি লৈছিল

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ মে'** ঃ চৰকাৰৰ বৰঘৰতে ৰাজহুৱা ধনৰ বৃহৎ অপচয়ৰ অভিযোগ উত্থাপিত হৈ থকাৰ সময়তে তেনে তালিকাত শেহতীয়াভাৱে অসম বিধানসভা সচিবালয়ৰ নাম সংযোজিত হৈছে। বিধানসভা সচিবালয়ে 'কটেজ'ত বাস কৰা সকলো বিধায়কক অহা ২০ জুলাইৰ ভিতৰত ঘৰ খালী কৰিবলৈ জৰুৰী জাননী জাৰি কৰাক কেন্দ্ৰ কৰিয়ে এই অভিযোগ তীব্ৰতৰ হয়। বিধানসভাৰ প্ৰধান



সচিব হেমেন দাসে 'এম এল এল এন জি/বি এল/পিটি-২/০৪/২০২২' শীৰ্ষক নম্বৰযোগে জাৰি কৰা জাননীখনত উল্লেখ থকা অনুসৰি বৰ্তমানৰ কটেজৰ স্থানত বিধায়কসকলৰ বাবে নতুন আৱাসিক অট্টালিকা নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সেয়েহে কটেজৰ লগতে 'নিউ এম এল এ হোষ্টেল বিল্ডিং'টো অহা আগষ্টত ভাঙি পেলোৱা হ'ব। সেইমৰ্মে বিধানসভাৰ অধ্যক্ষৰ নিৰ্দেশনা অনুসৰি কটেজত বাস কৰা ১০ পৃষ্ঠাত চাওক



*বুদ্ধ পূৰ্ণিমাৰ পৱিত্ৰ দিনত উপাসনা ভক্তৰ, সোমবাৰে।*

## শব্দাৰ্থৰ মোহন বেণু

■ সঞ্জীৱ সভাপণ্ডিত



যোৱাবাৰ ভৰলু-বাহিনীৰ কথা ভাবোতে মই লেখাটোত Special Purpose Vehicle (SPV) বুলি এটা কথা লিখিছিলো।

কিছুমান পাঠকে কথাটো কি বুলি প্ৰশ্ন কৰিছিল। তেওঁলোকে Vehicle মানে 'গাড়ী' বুলি ভাবিছিল আৰু সেইখন কি গাড়ী সুধিছিল। মই যিমান পাৰি সহজকৈ বুজাবলৈ চেষ্টা কৰিছিলো যে সেইখন গাড়ী নহয় একোটা অফিচহে; কিন্তু বহুতৰে কথাটো ১০ পৃষ্ঠাত চাওক

## সেৱাৰ মনোভাৱেৰে প্ৰতিজনে দায়িত্ব পালন কৰক ঃ বৰা

### ৰাজ্যজুৰি অগপৰ সাংগঠনিক সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ মে'** ঃ ঐক্য, শান্তি আৰু প্ৰগতিৰ মূলমন্ত্ৰৰে তথা ৰাজ্যত প্ৰগতিশীল জাতীয়তাবাদ শক্তিশালী কৰাৰ লক্ষ্যৰে অগপৰ পূৰ্বৰ ভিত্তি ঘূৰাই আনিবলৈ তৎপৰতা বৃদ্ধি কৰিছে দলীয় নেতৃত্বই। যোৱা আঠ মে'ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অগপৰ আমবাৰীস্থিত মুখ্য কাৰ্যালয়ত উপস্থিত হৈ দলটোক শক্তিশালী কৰিবলৈ নেতৃত্বক মুকলি আহ্বান জনোৱাৰ পাছত সভাপতি অতুল বৰাৰ নেতৃত্বত দলটোৰ উপ-সভাপতি, সাধাৰণ ১০ পৃষ্ঠাত চাওক

■ সংবাদমেলত ক'লে ইষ্টাৰ্ণ কমাণ্ডৰ মুৰব্বী আৰ পি কলিতাই
■ আলফা (স্বাধীন)লৈ যোৱাটো শুদ্ধ আৰু সমৰ্থনযোগ্য পথ নহয়

## অৰুণাচল সীমান্তৰ সমীপত চীনৰ আন্তঃগাঁথনি নিৰ্মাণেৰে শক্তি বৃদ্ধি



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ মে'** ঃ অৰুণাচল প্ৰদেশৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সিপাৰে আন্তঃগাঁথনিৰ সামৰ্থ্য বৃদ্ধিৰ কামত নিয়োজিত হৈ আছে চীনৰ পিপ'লছ লিবাৰেচন আৰ্মি (পিএলএ)-এ। ইষ্টাৰ্ণ কমাণ্ডৰ জেনেৰেল অফিচাৰ কমাণ্ডিং ইন চীফ লেফটেনেণ্ট জেনেৰেল আৰ পি কলিতাই আজি ইয়াত এক সংবাদমেলত এই তথ্য সদৰী কৰে। তেওঁ লগতে ১০ পৃষ্ঠাত চাওক



■ অব্যাহত ভূমিস্খলনৰ বিভীষিকা ■ ১০ ফুট তললৈ নামিছে ৰেলপথ ■ বহিঃজিলাৰে যোগাযোগ বিচ্ছিন্ন পাৰ্বত্য জিলাখনৰ ■ সেনাৰ হেলিকপ্টাৰেৰে আবদ্ধ যাত্ৰীক উদ্ধাৰ অভিযান

## ডিমা হাছাওত ষ্টেছনতে বাগৰিল ৰেল

**বিশেষ সংবাদদাতা**


**বকলীয়াঘাট, ১৬ মে'** ঃ ভয়াৱহ ভূমিস্খলনৰ বিভীষিকা অব্যাহত আছে ডিমা হাছাওত। নেৰানেপেৰা বৰষুণ আৰু ইয়াৰ ফলত হোৱা ভয়াৱহ ভূমিস্খলনৰ ফলত অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি হৈছে জিলাখনত। চৰকাৰী হিচাপত এই পৰ্যন্ত তিনিজন লোকৰ মৃত্যু হৈছে যদিও ইয়াৰ পৰিমাণ বাঢ়িব পাৰে বুলি স্থানীয় লোকে ধাৰণা কৰিছে। ভয়ংকৰ ভূমিস্খলনৰ কবলত পৰি ২৮খন গাঁও ক্ষতিগ্ৰস্ত হোৱাৰ লগতে পাঁচটা ৰাজ্যিক পথ আৰু একমাত্ৰ ৰাষ্ট্ৰীয় পথটো বিধ্বস্ত হৈ পৰিছে। ইয়াৰ সমান্তৰালকৈ ১০ পৃষ্ঠাত চাওক





'অজু' কৰা পুখুৰীত উদ্ধাৰ 'শিৱলিংগ' ঃ ছীল কৰিলে একাধিক অঞ্চল

## আদালতৰ নিৰ্দেশৰ পাছতে বাৰাণসীৰ জ্ঞানবাপী মছজিদত নিয়োগ চিআৰপি



■ **নিউজ ব্যুৰ'**

**বাৰাণসী ১৬ মে'** ঃ উত্তৰ প্ৰদেশৰ বাৰাণসীৰ জ্ঞানবাপী মছজিদ চৌহদৰ এটা পুখুৰীত এটা 'শিৱলিংগ' উদ্ধাৰ হোৱা বুলি আবেদনকাৰীয়ে কৰা চাঞ্চল্যকৰ দাবীৰ পাছত আজি আদালতে ইয়াক ছীল কৰাৰ নিৰ্দেশ দিয়ে। মছজিদৰ পিছফালে থকা এটা ধৰ্মীয় স্থানত প্ৰাৰ্থনাৰ অনুমতি বিচৰাৰ পাছত আদালতে ১০ পৃষ্ঠাত চাওক

## ৰাজ্যত দলং-মথাউৰি-পথ খহাই নিলে বিধ্বংসী বানে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ মে'** ঃ বছৰটোৰ প্ৰথমটো বানে সংহাৰী ৰূপ ধাৰণ কৰিছে ৰাজ্যত। বানত ডুবিছে ৰাজ্যৰ ইখনৰ পাছত সিখনকৈ গাঁও। চৰকাৰী তথ্য মতে, এই পৰ্যন্ত ১৪ খন জিলাৰ ২২২ খন গাঁও বানত ক্ষতিগ্ৰস্ত হৈছে। কাছাৰ, ধেমাজি, হোজাই, কাৰ্বি আংলং, বিশ্বনাথ, বঙাইগাঁও, ধুবুৰী, ডিব্ৰুগড়, হোজাই, পশ্চিম কাৰ্বি আংলং, দুই পৃষ্ঠাত চাওক

বহু কোটি ব্যয় কৰিও সমস্যা সমাধানত ব্যৰ্থ গুৱাহাটী পৌৰ নিগম

## তিনি-চাৰি বছৰতো বানৰ সমস্যাৰ পৰা নিস্তাৰ নাই মহানগৰীৰ বাসিন্দাৰ



■ উচ্চ প্ৰযুক্তিৰ ছুপাৰ ছাকাৰ ৰবটো ব্যৰ্থ ■ এইবেলি গুৱাহাটীত বেছি সময় পানী বৈ থকা নাই বুলি ক'লে আয়ুক্তই

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ মে'** ঃ ৰাজকোষৰ কোটি কোটি টকা ব্যয় কৰিও গুৱাহাটীবাসীক কৃত্ৰিম বানৰ পৰা সকাহ দিব পৰা নাই গুৱাহাটী পৌৰ নিগমে। কৃত্ৰিম বান ৰোধৰ উদ্দেশ্যে যোৱা বছৰৰ ডিচেম্বৰৰ পৰা ১০ পৃষ্ঠাত চাওক

## ভাৰতে ঘেঁহু ৰপ্তানি বন্ধ কৰাৰ পাছতে ইউৰোপত অভূতপূৰ্ব মূল্যবৃদ্ধি

### এক টন ঘেঁহুৰ দাম বৃদ্ধি পালে অভিলেখসংখ্যক ৩৫ হেজাৰলৈ

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১৬ মে'** ঃ ভাৰতে ঘেঁহুৰ ৰপ্তানি বন্ধ কৰাৰ লগে লগে হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে ইউৰোপত। বিগত কিছুদিনৰ পৰাই ইউৰোপে এই বিষয়ত অসন্তুষ্টি প্ৰকাশ কৰি আহিছিল। কাৰণ ইউক্ৰেইন যুদ্ধৰ পৰিস্থিতিত নৰেন্দ্ৰ মোদী চৰকাৰৰ এই সিদ্ধান্তৰ ফলত সম্প্ৰতি জুই লাগিছে ইউৰোপৰ ঘেঁহুৰ বজাৰত। উল্লেখ্য যে ঘৰুৱা বজাৰৰ চাহিদা পূৰণ কৰিবলৈকে মোদী চৰকাৰে ঘেঁহু ৰপ্তানিত নিষেধাজ্ঞা জাৰি কৰিছিল।

আজি ইউৰোপৰ বজাৰ খোলাৰ লগে লগেই প্ৰতি টন ঘেঁহুৰ মূল্য ৪৫৩ ডলাৰ (ভাৰতীয় মুদ্ৰাত ৩৫,২৭২ টকা)লৈ বৃদ্ধি দুই পৃষ্ঠাত চাওক

## লখিমপুৰৰ মৈদমীয়াত লুডু খেলৰ কাজিয়াৰ পাছত হানি-খুঁচি হত্যা প্ৰতিবেশীক

পলাতক অভিযুক্ত যুৱক আটজত আলী ■ ক্ৰমশঃ অঞ্চলটোত মাদক দ্ৰব্য প্ৰচলন বৃদ্ধিৰ চৰ্চা ৰাইজৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**

**গুৱাহাটী/লখিমপুৰ, ১৬ মে'** ঃ লুডু খেলক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিবাদৰ পৰিণতিতে লখিমপুৰত সংঘটিত হ'ল এক হত্যাকাণ্ড। যোৱা নিশা এখন বিবাহৰ মণ্ডপত বহি থকা এজন যুৱকক আন এজনে ডেগাৰেৰে হানি-খুচি হত্যা কৰে। আৰক্ষীয়ে এই পৰ্যন্ত অভিযুক্তক আটক কৰিব পৰা নাই। যোৱা নিশা প্ৰায় ১০-৩০ বজাত এই ঘটনা সংঘটিত হয় ১০ পৃষ্ঠাত চাওক

ক্ষতিপূৰণৰ দাবী

## অসম চৰকাৰৰ উচ্ছেদ অমানৱীয় ঃ ট্ৰাইবেল সংঘ

**ষ্টাফ ৰিপ'ৰ্টাৰ**


**গুৱাহাটী, ১৬ মে'** ঃ মহানগৰীৰ শিলসাঁকো বিলত চৰকাৰী মাটি দখল কৰি বসবাস কৰা বহু পৰিয়ালক যোৱা ১৩ মে'ত কামৰূপ মহানগৰ জিলা প্ৰশাসন তথা অসম চৰকাৰে উচ্ছেদ কৰা কাৰ্যক আজি আঠ পৃষ্ঠাত চাওক

## লোকসভাৰ নিৰ্বাচনৰ বাবে কঁকালত টঙালি বান্ধিলে বিজেপিয়ে

২৫-২৬ মে'ত ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৬ মে'** ঃ আগন্তুক ২০২৪ত দেশত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব যদিও ভাৰতীয় জনতা পাৰ্টি ১০ পৃষ্ঠাত চাওক




**শ্ৰদ্ধাঞ্জলি**

জন্ম ঃ ইং ১৩-১০-১৯৮৪



মৃত্যু ঃ ইং ১১-০৬-২০১৭

**প্ৰয়াত ইক্ষাকু (ৰুবু) চৌধুৰী**

ইংৰাজী ২০১৭ চনৰ ১১ জুন তাৰিখে তুমি আমাক সকলোকে শোক সাগৰত পেলাই চিৰদিনৰ বাবে অনন্ত ধামলৈ গুচি গ'লা। তুমি আমাৰ মাজৰ পৰা আঁতৰি যোৱা ৫ বছৰ হ'ল যদিও প্ৰতিটো মুহূৰ্ততে আমি সকলোৱে তোমাৰ উপস্থিতি অনুভৱ কৰো।

আজি তোমাৰ পঞ্চম বাৰ্ষিকী মৃত্যু তিথিত আমি পৰিয়ালৰ সকলোৱে তোমাক অশ্ৰুসিক্ত নয়নেৰে শ্ৰদ্ধাৰে সুঁৱৰিছো। তুমি যতেই আছা সুখ-শান্তিৰে থাকা। ভগৱানৰ ওচৰত এয়ে আমাৰ প্ৰাৰ্থনা।

শোকসন্তপ্ত পৰিয়ালবৰ্গৰ হৈ—
শ্ৰী ৰবীন্দ্ৰ চৌধুৰী (পিতা)
শ্ৰীমতী ৰুমা চৌধুৰী (মাতৃ)
শ্ৰীমতী মিনাক্ষী হাজৰিকা চৌধুৰী (পত্নী)
শ্ৰী ইন্দ্ৰাক্ষী চৌধুৰী (কন্যা)


অশোক পথ, জটিয়া
দিছপুৰ, গুৱাহাটী-০৬

দৈনিক অগ্রদূত
গুৱাহাটী, ১৭ মে', ২০২২ মঙ্গলবাৰ পৃষ্ঠা তিনি

## উত্তৰবংগ-অবিভক্ত গোৱালপাৰাক সাঙুৰি কমতাপুৰ গঠনৰ দাবী উত্থাপন কেপিপিৰ

**অগ্রদূত বাৰ্তা**
**দোতমা, ১৬ মে' ঃ** আজি এক বিবৃতিত কমতাপুৰ প্ৰ'গ্ৰেছিভ পাৰ্টি চমুকৈ কেপিপিৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক উত্তম কুমাৰ ৰায়ে ভাৰতীয় সংবিধানৰ অনুচ্ছেদ তিনি প্ৰয়োগ কৰি শীঘ্ৰেই কেন্দ্ৰীয় চৰকাৰক উত্তৰবংগ আৰু অবিভক্ত গোৱালপাৰা জিলাক সাঙুৰি পৃথক কমতাপুৰ ৰাজ্য পুনৰ গঠন কৰাৰ দাবী উত্থাপন কৰে। কেপিপিৰ সাধাৰণ সম্পাদকজনে কয় যে পৃথক কমতাপুৰ ৰাজ্য পুনৰ গঠন আন্দোলন শোষিত, নিপীড়িত আৰু বঞ্চিত কমতাপুৰী জনতাৰ সংগ্ৰাম। দেশ স্বাধীন হোৱাৰ পাছত দশক ধৰি কমতাপুৰী জনগণে নিজৰ প্ৰাপ্য ছয় পৃষ্ঠাত চাওক

## নগাঁৱত নকল সোণৰ মূৰ্তি-নাওসহ এজন গ্ৰেপ্তাৰ



**বিশেষ সংবাদদাতা**
**নগাঁও, ১৬ মে' ঃ** নগাঁও আৰক্ষীয়ে বিশেষ সূত্ৰৰ পম খেদি যোৱা নিশা নকল সোণৰ নাও আৰু নকল সোণৰ মূৰ্তিসহ এজন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। নগাঁৱৰ জাজৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আভা জ্যোতি ৰাভাৰ নেতৃত্বত নগাঁও নগৰ আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া অচ্যুত ফুকন আৰু ননৈ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া বাবুল বৰাৰ সহযোগত আৰক্ষীয়ে নগাঁও সদৰ আৰক্ষী থানাৰ অন্তৰ্গত পাথৰি কাটনি গাঁৱত বিশেষ খবৰৰ ভিত্তিত ছয় পৃষ্ঠাত চাওক

**নিকাছিত গোৰ্খা সন্মিলনৰ কেন্দ্ৰীয় অধিবেশনৰ দ্বিতীয় দিন**

# গোৰ্খাক ইতিহাসবিদসকলে বৈষম্য কৰিছে

### তিনি বছৰীয়া কাৰ্যকালৰ বাবে ২৪ প্ৰতিদ্বন্দ্বীৰ ভাগ্য বেলটত বন্দী



**অগ্রদূত বাৰ্তা**
**মুছলপুৰ, ১৬ মে' ঃ** 'গোৰ্খাসকলৰ ইতিহাসবিদসকলে সুবিধাবাদী ৰাজনীতিৰ বাবে বৈষম্য কৰি আহিছে। গোৰ্খাসকল ইতিহাসৰ পাতত তথাকথিত বুৰঞ্জীবিদসকলৰ ভুলৰ বলি হৈ স্থান নোপোৱা জাতি। ইতিহাসলৈ লক্ষ্য কৰিলে গোৰ্খাসকলক আহোমসকলে সংস্থাপিত কৰাৰ লগতে মোগলৰ আক্ৰমণো গোৰ্খাসকলে প্ৰতিহত কৰিছিল। বৃহত্তৰ গোৰ্খা জাতিৰ ভাৰত-অসম নিৰ্মাণৰ ক্ষেত্ৰত বহুখিনি অৱদান আছে যদিও গোৰ্খাসকলক দেখিব নোৱাৰা একাংশই এই কথা আজিও মানি ল'ব নিবিচাৰে।' এই মন্তব্য অসম গোৰ্খা সন্মিলনৰ মুখ্য সম্পাদক ভাস্কৰ দাহালৰ। বাগ্সা জিলাৰ নিকাছিৰ জ্ঞানপীঠ ডিগ্ৰী কলেজৰ 'মণিকুমাৰ চুৰ্ব্বা সমন্বয় ক্ষেত্ৰ'ত কালিৰে পৰা চাৰিদিনীয়া বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হোৱা অসমৰ গোৰ্খাসকলৰ অভিভাৱক সংগঠন অসম গোৰ্খা সন্মিলনৰ ২৭ সংখ্যক কেন্দ্ৰীয় ত্ৰি-বাৰ্ষিক অধিবেশনৰ আজি দ্বিতীয় দিনৰ বিশেষ ছয় পৃষ্ঠাত চাওক

**পশুধনৰ খাদ্য নাটনি**

## মুষলধাৰ বৰষুণত বান্দৰদেৱাত জনজীৱন বিধ্বস্ত

**অগ্রদূত বাৰ্তা**
**বান্দৰদেৱা, ১৬ মে' ঃ** কিছুদিন ধৰি ধাৰাবাহিকভাৱে হৈ থকা মুষলধাৰ বৰষুণে সমগ্ৰ ৰাজ্যৰ লগতে অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী বান্দৰদেৱাৰ গ্ৰামাঞ্চলসমূহৰ জনজীৱনলৈ চৰম ভাবুকি কঢ়িয়াই আনিছে। ধাৰাসাৰে দি থকা বৰষুণৰ বাবে জনসাধাৰণৰ দৈনন্দিন কাম-কাজসমূহ ব্যাঘাত হোৱাৰ লগতে পশুধনৰ খাদ্যৰ অভাৱত ভীষণ সমস্যাই দেখা দিছে। একেলেথাৰিয়ে নেৰানেপেৰাকৈ হৈ থকা বৰষুণৰ ফলত সীমান্তৱৰ্তী বান্দৰদেৱা, হাৰমতী, পথালিপাহাৰ, বৰবালি আদি গ্ৰামাঞ্চলসমূহ কৃত্ৰিম বানে বুৰাই পেলাইছে। ফলস্বৰূপে কৃষিজীৱী লোকসকলৰ বাৰীৰ শাক-পাচলি আদিকে ধৰি সকলো খাদ্য সামগ্ৰী সম্পূৰ্ণ নিশ্চিহ্ন হৈ পৰিছে। ফলত জনসাধাৰণৰ খাদ্যবস্তুৰ নাটনিয়ে জনজীৱনলৈ চৰম ভাবুকি কঢ়িয়াই আনিছে। এফালে, খাদ্য সামগ্ৰীৰ লগতে ছয় পৃষ্ঠাত চাওক

**গুণোৎসৱ ঃ ওদালগুৰিত পৰ্যাপ্ত শিক্ষকৰ অভাৱ**

## এজনীয়া শিক্ষকেৰে ওদালগুৰি চলিছে ২৮৩ খন প্ৰাথমিক বিদ্যালয়

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ১৬ মে' ঃ** চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰি হাইস্কুল পৰ্যায়লৈ গুণগত শিক্ষাৰ মান তথা বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়নৰ লক্ষ্যৰে তৃতীয়বাৰৰ বাবে ৰাজ্যত আৰম্ভ হৈছে গুণোৎসৱ। ইতিমধ্যে ৰাজ্যখনত তৃতীয় বৰ্ষৰ প্ৰথম পৰ্যায়ৰ গুণোৎসৱ অন্ত পৰাৰ পাছত আগন্তুক ২৩ মে'ৰ পৰা ২৬ মে'লৈ ৰাজ্যৰ ১১ খনকৈ জিলাত অনুষ্ঠিত হ'ব দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ। সেই অনুসৰি, ২৩ মে'ত সকলো বিদ্যালয়তে স্বমূল্যায়নৰ সমান্তৰালভাৱে পৰৱৰ্তী তিনিটা দিনত অনুষ্ঠিত হব গুণোৎসৱৰ বহিঃমূল্যায়ন। ৰাজ্যৰ ১১ খনকৈ জিলাৰ লগতে ওদালগুৰি জিলাতো আগন্তুক ২৩ মে'ৰ পৰা অনুষ্ঠিত হ'ব গুণোৎসৱ। জিলাখনৰ তিনিটা শিক্ষাখণ্ড ক্ৰমে খৈৰাবাৰী, ওদালগুৰি আৰু মাজবাটক সামৰি ১২ শতাধিক নিম্ন আৰু উচ্চপ্ৰাথমিক বিদ্যালয়ত গুণোৎসৱ অনুষ্ঠিত কৰাৰ যো-জা চলাইছে জিলা প্ৰশাসনে। ইতিমধ্যে শিক্ষা বিভাগৰ তৰফৰ পৰা বিভিন্ন পৰ্যায়ৰ প্ৰশিক্ষণকে ধৰি সকলো ধৰণৰ কাম-কাজ প্ৰায় সম্পূৰ্ণ হৈছে। কিন্তু ইয়াৰ মাজতে পোহৰলৈ আহিছে এক আশ্চৰ্যৰ বিষয়। উল্লেখ্য যে ওদালগুৰি জিলাখনৰ ২৮৩ খনকৈ নিম্ন প্ৰাথমিক বিদ্যালয় ছয় পৃষ্ঠাত চাওক

## এল আৰ বিষ্ণইক মেঘালয়ৰ সঞ্চালকপ্ৰধান নিযুক্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৬ মে' ঃ** অসম আৰক্ষীৰ বিশেষ সঞ্চালকপ্ৰধান ড° লাজা ৰাম বিষ্ণইক মেঘালয় আৰক্ষীৰ সঞ্চালকপ্ৰধান পদত নিযুক্তি প্ৰদান কৰা হৈছে। বিটিআৰকে ধৰি অসম আৰক্ষীৰ ৰাজ্যিক নিযুক্তি ব'ৰ্ডৰ সদস্যৰূপে দায়িত্বত থকা দক্ষ আৰক্ষী বিষয়াজনক আজি মেঘালয় চৰকাৰে ৰাজ্যখনৰ আৰক্ষীৰ মুৰব্বীৰ পদত নিযুক্তি দিয়ে। অসম-মেঘালয়ৰ ১৯৯১ বেটছৰ সদস্য আই পি এছ বিষয়া এল ছয় পৃষ্ঠাত চাওক

**কামপুৰৰ বানাক্ৰান্ত অঞ্চলত জলসম্পদ মন্ত্ৰী**

## জলসম্পদ বিভাগে নিৰ্মাণ কৰা এটাও মথাউৰি চলিত বৰ্ষত এতিয়ালৈকে ভঙা নাই ঃ পীযুষ



**গুৱাহাটী, ১৬ মে' ঃ** 'প্ৰকৃতিৰ স'তে যুঁজা ইমান সহজ নহয়। বিগত বৰ্ষৰ বানত জলসম্পদ বিভাগৰ এটা মথাউৰিহে ভাঙিছিল যদিও এই বছৰ এই পৰ্যন্ত জলসম্পদ বিভাগৰ এটাও মথাউৰি ভঙা নাই আৰু মথাউৰিসমূহ ৰক্ষা কৰাৰ ক্ষেত্ৰত বিভাগীয়ভাৱে পাৰ্যমানে প্ৰয়াস কৰি যোৱা হ'ব।' এই মন্তব্য অসম চৰকাৰৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ। আজি নগাঁও জিলাৰ কামপুৰ ৰাজহ চক্ৰৰ অধীনৰ কপিলী নদীৰ বানত আক্ৰান্ত অঞ্চলসমূহ পৰিভ্ৰমণ কৰি মন্ত্ৰী হাজৰিকাই সংবাদ মাধ্যমৰ আগত এইদৰে কয়। এই ভ্ৰমণত মন্ত্ৰীজনে বান ৰোধ কৰিবলৈ চলি থকা বিভাগীয় কামৰ প্ৰত্যক্ষ বুজ লোৱাৰ লগতে বানাক্ৰান্তসকলৰো খবৰ লয়।

মন্ত্ৰী হাজৰিকাই আজি পুৱাৰ ভাগতে কামপুৰ ৰাজহ চক্ৰৰ অধীনৰ ধলধলীয়া পঞ্চায়তৰ অধীনত বানত আক্ৰান্ত অঞ্চলত উপস্থিত হৈ বান পৰিস্থিতিৰ বুজ লয়। শেহতীয়াকৈ ডিমা হাছাও আৰু কাৰ্বি আংলং জিলাৰ বিভিন্ন ঠাইত প্ৰবল বৰষুণ হৈ থকাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ নামনি অঞ্চলত, বিশেষকৈ কপিলী নদীৰ জলপৃষ্ঠ বৃদ্ধি হৈ ইয়াৰ কাষৰীয়া একাংশ অঞ্চল প্লাৱিত কৰি বানৰ সৃষ্টি কৰিছে। ধলধলীয়া গাঁও পঞ্চায়তৰ অধীনত পঞ্চায়ত ছয় পৃষ্ঠাত চাওক

**'ৰংমন'ৰ বিহু গ'লে বিনাবা কাক' অনুষ্ঠানৰ সামৰণি**

## সমাজ জীৱনলৈ বৰঙণি আগবঢ়োৱা ২০ গৰাকী লোকক সম্বৰ্ধনা

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ১৬ মে' ঃ** শিৱসাগৰৰ ক্ৰীড়া, সাংস্কৃতিক আৰু সামাজিক অনুষ্ঠান 'ৰংমন'ৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে শিৱসাগৰ যুৱদলত আয়োজিত 'বিহু গ'লে বিনাবা কাক' শীৰ্ষক অনুষ্ঠানৰ কালি সামৰণি পৰে। প্ৰথমদিনা পুৱা আঠ বজাত শিৱসাগৰ ব'ৰ্ডিং খেলপথাৰৰ ৰংমন বিহুতলীত ছয়খনকৈ বিহুৱান উত্তোলন কৰে সমাজকৰ্মী প্ৰদীপ ভূএগ, বুদ্ধেশ্বৰ চুতীয়া ৰমা গগৈ, ললিত হাজৰিৰকা, মৰমী বৰুৱা আৰু বুলবুল বৰাই। আনহাতে, ৰংমনৰ সম্পাদক প্ৰদীপ বৰগোহাঁয়ে আঁত ধৰা পতাকা উত্তোলন কাৰ্যসূচীৰ পাছতে ছহিদ তৰ্পণ কৰা হয়। ইয়াৰ পাছত বিয়লি চাৰি বজাৰ পৰা শিৱসাগৰ যুৱদলত বিহুনাচ প্ৰতিযোগিতা আৰম্ভ হয়। আনহাতে, অন্তিম দিনা দিনৰ এক বজাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন আৰু ছয় পৃষ্ঠাত চাওক

## বন্ধন বেংকৰ মুঠ ব্যৱসায় ১.৯৬ লাখ কোটি টকালৈ বৃদ্ধি

**গুৱাহাটী, ১৬ মে' ঃ** ২০২১-২২ বিত্তীয় বৰ্ষৰ অন্তিমটো ত্ৰিমাত্ৰিক সময়ছোৱাৰ বিত্তীয় ফলাফল ঘোষণা কৰিছে বন্ধন বেংকে। ব্যৱসায় বিকাশৰ বাবে প্ৰতিষ্ঠানটোৱে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ ফলত বেংকৰ মুঠ ব্যৱসায় বাৰ্ষিক ১৮.৬ শতাংশ বৃদ্ধি হৈ ১.৯৬ লাখ কোটি টকা হৈছেগৈ। ভাৰতৰ ৩৬খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ৫৬৩৯ টা শাখাৰ জৰিয়তে ২.৬৩ কোটি গ্ৰাহকক সেৱা আগবঢ়াই আহিছে বন্ধন বেংকে। সম্প্ৰতি বেংক প্ৰতিষ্ঠানটোত কৰ্মৰত মুঠ কৰ্মচাৰীৰ সংখ্যা হৈছে ৬০.২১১ গৰাকী। চলিত বিত্তীয় বৰ্ষৰ চতুৰ্থটো ত্ৰিমাত্ৰিকত বেংকৰ মুঠ জমা ২৪ শতাংশ বৃদ্ধি হৈ ৯৬.৩৩১ কোটি টকা হয়গৈ। এই সন্দৰ্ভত বন্ধন বেংকৰ পৰিচালন সঞ্চালক তথা মুখ্য কাৰ্যবাহী বিষয়া চন্দ্ৰশেখৰ ঘোষে কয় যে বিগত বিত্তীয় বৰ্ষৰ চতুৰ্থটো ত্ৰিমাত্ৰিকত বেংকে আশাপ্ৰদ ফলাফল দাঙি ধৰিবলৈ সক্ষম হৈছে আৰু ইয়ে তেওঁলোকক আগবাঢ়ি যোৱাত সহায় কৰিব।

## কামৰূপ জিলাত ২২১২খন বিদ্যালয়ত অনুষ্ঠিত হ'ব গুণোৎসৱ

**অগ্রদূত বাৰ্তা**
**শুৱালকুছি, ১৬ মে' ঃ** অহা ২৩ মে'ৰ পৰা ২৬ মে'লৈ কামৰূপ জিলাত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। গুণোৎসৱৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ইতিমধ্যে কামৰূপ জিলা প্ৰশাসন আৰু কামৰূপ শিক্ষা বিভাগে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। গুণোৎসৱত বিদ্যালয়সমূহ মূল্যায়নৰ বাবে জিলাখনত বহিঃ নিৰীক্ষকৰূপে ১০৭০ জনক নিযুক্তি দিয়া হৈছে। এই বহিঃ নিৰীক্ষকসকলৰ সৰহভাগকেই ইতিমধ্যে প্ৰশিক্ষণ দিয়াৰ লগতে নডেল শিক্ষক আৰু খণ্ড পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকলক প্ৰশিক্ষণ দিয়া হৈছে। ছয় পৃষ্ঠাত চাওক

## নগৰবেৰাৰ ভখুৱাদিয়াত বজ্ৰাঘাতত আহত দুজন

**আলোপতি, ১৬ মে' ঃ** বকো সমষ্টিৰ নগৰবেৰাৰ ভখুৱাদিয়াত কালি পুৱতি নিশা বজ্ৰঘাতত দুজন লোক আহত হয়। তদুপৰি ক্ষতিসাধন হয় বৈদ্যুতিক সা-সামগ্ৰী, ঘৰ-দুৱাৰ আৰু গছ-গছনিৰ। তথ্য মতে, পুৱতি নিশা হোৱা বতাহ-বৰষুণৰ সময়তে হঠাৎ বজ্ৰ পৰে গাঁওখনৰ আব্দুল ৰশিদাৰ ঘৰৰ চোতালত। ফলত আব্দুল ৰাশিৰ আৰু কাশেম আলী নামৰ দুজনকৈ লোক আহত হয়। তদুপৰি ঘৰখনৰ বৈদ্যুতিক সা-সামগ্ৰী, গছ-গছনি আৰু ঘৰবো ক্ষতিসাধন হয়। তদুপৰি ঘৰখনৰ বৈদ্যুতিক সা-সামগ্ৰী, গছ-গছনি আৰু ঘৰবো ক্ষতিসাধন হয়। আহত লোক দুজনক প্ৰাথমিক চিকিৎসাৰ বাবে সোণতলী স্বাস্থ্য কেন্দ্ৰলৈ নিয়া হয়।

## ইউডিএফৰ প্ৰাক্তন বিধায়ক মামুন ইমদাদুল হকৰ আপত যোগদান

### কংগ্ৰেছৰ ব্ৰজেন সন্দিকৈয়েও দিলে যোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৬ মে' ঃ** অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আম আদমী পাৰ্টি, অসমত আজি আনুষ্ঠানিকভাৱে যোগদান কৰিলে নাওবৈচা সমষ্টিৰ এআইইউডিএফৰ প্ৰাক্তন বিধায়ক মামুন ইমদাদুল হকে। ২০১৬ত সমষ্টিটোৰ পৰা নিৰ্বাচিত হোৱা প্ৰাক্তন বিধায়ক হকে ২০২১ৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ-এআইইউডিএফৰ লগত হোৱা মিত্ৰতাৰ ফলত প্ৰাৰ্থিত্ব লাভ কৰা নাছিল আৰু শেহতীয়াকৈ তেওঁ দলটোৰ পৰা পদত্যাগ কৰি আজি আনুষ্ঠানিকভাৱে আপত যোগ দিছে। উল্লেখ্য যে আপ অসমৰ মুখ্য কাৰ্যালয়ত আজি হকে যোগদান কৰি দলটোৰ সততা, সৰলতাই তেওঁক আকৰ্ষিত কৰি তুলিছিল বুলি মন্তব্য কৰি যোৱা ডেৰ বছৰে আপৰ বিষয়ে অধ্যয়ন কৰি অৱশেষত যোগ দিয়া বুলি কয়। সমান্তৰালভাৱে প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন কোষাধ্যক্ষ ব্ৰজেন সন্দিকৈয়েও কংগ্ৰেছ ত্যাগ কৰি আপত যোগদান কৰে। দলটোত যোগদান কৰি সন্দিকৈয়ে ২৯ বছৰ কংগ্ৰেছৰ স'তে জড়িত আছিল আৰু কংগ্ৰেছৰ নেতাৰ খোৱা-কামোৰা ৰাজনীতিত বিতুষ্ট হৈয়ে দলত্যাগ কৰি আপত যোগ দিয়া বুলি কয়।

**মৰিয়নিত প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী, শ্ৰম মন্ত্ৰীৰ পুত্তলিকা দাহ**

## চাহ শ্ৰমিকক লৈ ৰাজনীতি নকৰিবলৈ ৰূপজ্যোতিক সকীয়নি



**অগ্রদূত বাৰ্তা**
**মৰিয়নি, ১৬ মে' ঃ** কাছাৰৰ ডলু চাহ বাগিচাত কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্য চৰকাৰে বিমানকোঠ বনাবলৈ ২৫০০ বিঘা চাহ বাগিচা উচ্ছেদ কৰা কাৰ্যৰ বিৰুদ্ধে আজি সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ মৰিয়নি আঞ্চলিক সমিতিয়ে মৰিয়নিত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। আদিবাসী ছাত্ৰ সন্থাৰ লগতে আদিবাসী মহিলা সন্থাই মৰিয়নিৰ থানা তিনিআলিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শ্ৰমমন্ত্ৰী সঞ্জয় কিষাণৰ প্ৰতিকৃতি দাহ কৰে। প্ৰতিবাদকাৰীসকলে বিজেপি চৰকাৰ হুচিয়াৰ, নৰেন্দ্ৰ মোদী মুৰ্দাবাদ, হিমন্ত বিশ্ব শৰ্মা হায় হায়, সঞ্জয় কিষাণ মুৰ্দাবাদ, ছয় পৃষ্ঠাত চাওক

## গোলাঘাট সদৰ কবি সন্মিলনৰ দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন ঃ নতুন সমিতি গঠন

**বিশেষ সংবাদদাতা**
**গোলাঘাট, ১৬ মে' ঃ** সদৌ অসম কবি সন্মিলনৰ অন্তৰ্গত গোলাঘাট সদৰ কবি সন্মিলনৰ দ্বিতীয় দ্বিবাৰ্ষিক সন্মিলন যোৱা ১৪ মে'ত গোলাঘাট পৌৰসভা সভাকক্ষত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৱা সদৌ অসম কবি সন্মিলনৰ প্ৰতিষ্ঠাপক প্ৰয়াত ৰাম গগৈৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰে সদৰ কবি সন্মিলনৰ সভাপতি ড° দীপালী বৰাই। সদৌ অসম কবি সন্মিলনৰ উপ-সভাপতি ৰাজুমণি বেজবৰুৱা, গোলাঘাট জিলা কবি সন্মিলনৰ সভাপতি নৰেন শইকীয়া আৰু গোলাঘাট জিলাৰ প্ৰতিষ্ঠাপক সম্পাদক কৌস্তুভমণি হাজৰিকাৰ উপস্থিতিত কমলাক্ষী দত্তৰ সভাপতিত্বত অনুষ্ঠিত হয় কাৰ্যনিৰ্বাহক সভা, প্ৰতিনিধি সভা আৰু বিষয় বাছনি সভা। সভাত সম্পাদক হেমা চৌধুৰী গগৈয়ে তিনি বছৰীয়া কাৰ্যকালৰ ছয় পৃষ্ঠাত চাওক

**কলিয়াবৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহৰ সামৰণি অনুষ্ঠান**

## সমন্বিত প্ৰচেষ্টাৰে শৈক্ষিক দিশটো আগুৱাই নিয়াত ব্ৰতী হওক ঃ ড° চৌধুৰী



**অগ্রদূত বাৰ্তা**
**কলিয়াবৰ, ১৬ মে' ঃ** 'সোণালী জয়ন্তীতে শিক্ষক-ছাত্ৰসকলৰ সমন্বিত প্ৰচেষ্টাৰে শৈক্ষিক দিশটো আগুৱাই নিয়াত ব্ৰতী হওক। ভাল কামবোৰ অহৰহ চলি থাকক। সোণালী জয়ন্তী তেতিয়াহে সাৰ্থক হ'ব যেতিয়া শিক্ষক-শিক্ষাৰ্থীৰ যুটীয়া প্ৰচেষ্টাত জ্ঞানৰ নতুন পথ ওলাব। কলিয়াবৰৰ পৰাই সাহিত্য-সংস্কৃতি-প্ৰযুক্তিলৈ দক্ষতাৰ আভাস দাঙি ধৰিছে। নতুন চিন্তা, প্ৰগতি আনক কলিয়াবৰ কলেজে।' আজি কলিয়াবৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ স্মৃতিগ্ৰন্থ উন্মোচনী অনুষ্ঠানত উপস্থিত থাকি এইদৰে মন্তব্য কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° অমৰজ্যোতি চৌধুৰীয়ে। সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা কলিয়াবৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহৰ সামৰণি অনুষ্ঠানৰ আজি দ্বিতীয় দিনা প্ৰাক্তন ছাত্ৰ তথা উদ্যাপন সমিতিৰ সভাপতি কেশৱ মহন্তই পুৱা পতাকা উত্তোলন আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক ছয় পৃষ্ঠাত চাওক

## বহুধা বিভক্ত আক্ৰাছুক একত্ৰিকৰণৰ বাবে মুকলি আহ্বান

**অগ্রদূত ব্যুৰ'**
**বঙাইগাঁও, ১৬ মে' ঃ** অসমৰ ভূমিপুত্ৰ কোচ ৰাজবংশী জনগোষ্ঠীক অতিশীঘ্ৰে জনজাতিকৰণ কৰিবলৈ চৰকাৰক দাবী জনাইছে কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ই। লগতে ঐতিহাসিক কমতাপুৰ ৰাজ্য পুনৰ গঠনৰ বাবে অতি সোনকালে আক্ৰাছু, অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ মাজত ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰিবলৈকো সংগঠনটোৰ নেতৃত্বই দাবী জনাইছে। আজি বঙাইগাঁও চহৰৰ চিকে হোটেলত অনুষ্ঠিত এখন সংবাদমেলত আক্ৰাছুৰ নেতৃত্বই এই দাবী জনায়। তদুপৰি জনজাতিকৰণে দাবীকে ধৰি কেতবোৰ দাবীৰ সমৰ্থনত এলানি আন্দোলনৰ কাৰ্যসূচীও ঘোষণা কৰে। আক্ৰাছুৰ সভাপতি পুৰেণ ৰায়কে ধৰি সংগঠনটোৰ কেন্দ্ৰীয় নেতৃত্ব উপস্থিত থকা সংবাদমেলত আক্ৰাছুৰ সাধাৰণ সম্পাদক দিব্যজ্যোতি কুমাৰ ডেকাই ক্ষোভেৰে কয়, 'অসমৰ বিজেপি চৰকাৰৰ এবছৰীয়া বৰ্ষপূৰ্তি ইতিমধ্যে ৰাজ্য চৰকাৰে মহা ধুম ধামেৰে কোটি টকা খৰচ কৰি উদ্যাপন কৰিলে। কিন্তু তেওঁলোকে ভৱিষ্যতৰ কাৰ্যসূচীত অসমৰ ভূমিপুত্ৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ লগতে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ সমস্যা সমাধান কৰিব নে নকৰে বা সেই সন্দৰ্ভত কি পদক্ষেপ গ্ৰহণ কৰিছে সেই কথা এবাৰো উল্লেখ নকৰিলে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰে যেনেকৈ কোচ ৰাজবংশী জাতিটোক প্ৰতাৰণা কৰিলে, এতিয়া পুনৰ বিজেপি চৰকাৰেও সেই একে পন্থা হাতত লৈছে।' তেওঁ কোচ ৰাজবংশী জনগোষ্ঠীক ছয় পৃষ্ঠাত চাওক

**কৈৱৰ্ত সাহিত্য- সাংস্কৃতিক সভা অসমৰ নগাঁও জিলাৰ উদ্যোগত 'সতী ৰাধিকা' উৎসৱ উদ্‌যাপন**

## সংস্কৃতি জীয়াই ৰাখিব লাগিব



**বিশেষ সংবাদদাতা**
**নগাঁও, ১৬ মে' ঃ** কৈৱৰ্ত সাহিত্য আৰু সাংস্কৃতিক সভা অসমৰ নগাঁও জিলা সমিতিৰ উদ্যোগত ঘাঁহি, মহমৰীয়া, দক্ষিণপাট, বালিগাঁও, হাতীগাঁও, জাগীয়াল, ননৈ, তুলসীমুখ, ৰহা, বেবেজীয়া, ঘাঁহি ভাটিকুৰি, উজনিকুৰি, পেটবড়া আৰু ইয়াৰ দাতিকাষৰীয়া অঞ্চলৰ কৈৱৰ্ত ৰাইজ তথা অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ আৰু সদৌ অসময়া কৈৱৰ্ত সন্মীলনী নগাঁও জিলা সমিতিৰ সহযোগত ঘাঁহি চাৰিআলিস্থিত ৰাজহুৱা ভৱনত দিনজোৱা কাৰ্যসূচীৰে মহাপুৰুষ শংকৰদেৱৰ একনিষ্ঠ সেৱক মহিয়সী নাৰী সতী ৰাধিকা আইৰ জন্ম জয়ন্তী উৎসৱ উদ্‌যাপন কৰা হয়। সতী ৰাধিকাৰ জন্ম জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি আজি পুৱা আঠ বজাত পতাকা উত্তোলন কৰে নগাঁও জিলা কৈৱৰ্ত সাহিত্য আৰু সাংস্কৃতিক সভাৰ ছয় পৃষ্ঠাত চাওক

## দেৰগাঁৱৰ শিক্ষাব্ৰতী, সমাজকৰ্মী ৰাজেন হাজৰিকাৰ বিয়োগ

**দেৰগাঁও, ১৬ মে' ঃ** ফৰকাটিং উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, বিশিষ্ট সমাজকৰ্মী তথা দেৰগাঁও সাত নম্বৰ ৱাৰ্ডৰ নিবাসী ৰাজেন হাজৰিকা (৭২)ৰ কালি নিজ গৃহত পৰলোকপ্ৰাপ্তি ঘটে। ১৯৫১ত দেৰগাঁৱৰ লঠাগাঁৱত জন্মগ্ৰহণ কৰা হাজৰিকাই দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ পৰা বিজ্ঞান বিভাগৰ স্নাতক ডিগ্ৰী গ্ৰহণৰ পাছত ১৯৭৫ত ফৰকাটিং উচ্চ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শিক্ষক ৰূপে যোগদান কৰে। পৰৱৰ্তী ছয় পৃষ্ঠাত চাওক

## সাহিত্যৰথীৰ অনবদ্য অৱদানৰ বাবে শংকৰদেৱ সংঘ জগত সভাত প্ৰতিষ্ঠিত হৈছে ঃ বৰা



**অগ্রদূত বাৰ্তা**
**লাহদৈগড়, ১৬ মে' ঃ** 'অসমীয়া জাতিৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ মানৱ কল্যাণৰ সপোন বাস্তৱত ৰূপায়ণ কৰিবলৈ শ্ৰীমন্ত শংকৰদেৱ সংঘক জগত সভাত প্ৰতিষ্ঠা কৰাত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই অনবদ্য অৱদান আগবঢ়াইছিল। এই গৰাকী অসমৰ সুযোগ্য সন্তানক শ্ৰীমন্ত শংকৰদেৱ সংঘই প্ৰতিটো খোজতে শ্ৰদ্ধাৰে সুঁৱৰি আহিছে।' আজি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্যোগত আৰু যোৰহাট জিলা শাখাৰ ব্যৱস্থাপনাত জিলা শাখাৰ নামঘৰত অনুষ্ঠিত 'কৰ্মযোগী মুখ্যেশ্বৰ শইকীয়া স্মাৰক বক্তৃতা' অনুষ্ঠানটো উদ্বোধন কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই এনেদৰে কয়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈ সঞ্চালনাত অনুষ্ঠিত ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী মঙলবাৰ ২ জেঠ ১৪২৯ ভাস্কৰাব্দ ১৭ মে' ২০২২

## দায়িত্ব সকলোৰে

চহৰ-নগৰ সুন্দৰ আৰু পৰিষ্কাৰ কৰি ৰখাৰ বাবে চৰকাৰে অনেক আঁচনি লৈছে আৰু ধন ব্যয় কৰিছে। প্ৰকৃততে প্ৰতিজন নাগৰিকৰেই নিজৰ ঠাইখন নাইবা চহৰ-নগৰ পৰিষ্কাৰ আৰু সুন্দৰকৈ ৰখাটো দায়িত্ব। সৌন্দৰ্যৰ প্ৰতি মানুহৰ স্বাভাৱিক আকৰ্ষণ থাকে বুলি বিশ্বাস কৰা হয়; কিন্তু অসমৰ এচাম লোকৰ মাজত আজি এনে ধৰণৰ স্বাভাৱিক আকৰ্ষণৰ অভাৱ হৈছে যেন লাগে। আন্দোলনত ভাগ লোৱা একাংশ লোকেই যে মহানগৰৰ সৌন্দৰ্য ধ্বংস কৰিছে, তেনে নহয়। ৰাজপথ ব্যৱহাৰকাৰী বহুতেই বাট-পথসমূহ লেতেৰা কৰা, সৌন্দৰ্য নষ্ট কৰা সদায় চকুত পৰে। মনত ৰখা উচিত হ'ব যে চৰকাৰৰ আঁচনিয়ে মানুহৰ মনত সৌন্দৰ্যবোধ নাইবা সৌন্দৰ্যানুভূতি সৃষ্টি কৰি নিদিয়ে। মানুহে নিজেই তেওঁলোকৰ সংস্কৃতি তথা কৰ্মৰ যোগেদি সৌন্দৰ্যৰ সৃষ্টি কৰে, মনত সৌন্দৰ্যানুভূতি জগাই তোলে; কিন্তু যদিহে মানুহে এনে সৌন্দৰ্যবোধ হেৰুৱাই পেলাইছে নাইবা কোনোদিনেই কোনো ধৰণৰ সৌন্দৰ্যবোধৰ গৰাকী হ'ব পৰা নাই, তেন্তে সেইসকল লোকৰ পৰা একো আশাই কৰিব নোৱাৰি। ভাল বা ইতিবাচক ৰাজনীতি তথা সমাজসেৱা— কোনোটোৱেই আশা কৰিব নোৱাৰি। তেনে লোকৰ পৰা সমাজে বা দেশে একো আশা কৰিবও নোৱাৰে; কিন্তু এনে ধৰণৰ মানসিকতাৰ ব্যাপক প্ৰভাৱ পৰিছে আৰু ক্ষতিও হৈছে অপৰিসীম। অসমখন এক কদৰ্যময় ৰাজ্যত পৰিণত হৈছে, ইয়াৰ লেতেৰা, অপৰিষ্কাৰ চহৰ-নগৰবিলাকৰ বাবে।

কেন্দ্ৰীয় নগৰ পৰিক্ৰমা মন্ত্ৰণালয়ে দেশৰ নগৰ-মহানগৰবিলাকৰ স্বচ্ছতাক লৈ চলোৱা জৰীপৰ আৰু প্ৰকাশিত তালিকাৰ প্ৰভাৱ অন্যান্য ৰাজ্যৰ লগতে অসমৰ ওপৰতো পৰে। বিশেষকৈ পৰ্যটন উদ্যোগৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰে। দেশৰ আৰু বিদেশৰ পৰ্যটকসকলক একোখন ঠাই বা নগৰ-মহানগৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা, স্বাস্থ্যকৰ দিশ আৰু সৌন্দৰ্যই সদায় আকৰ্ষণ কৰি আহিছে। পৰ্যটকসকলে খৰচৰ কথাও চিন্তা কৰে যদিও স্বাস্থ্যকৰ আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ দিশত বিশেষভাৱে গুৰুত্ব দিয়ে। অস্বাস্থ্যকৰ, অপৰিষ্কাৰ নগৰ-মহানগৰে পৰ্যটকসকলক আকৰ্ষণ কৰিব নোৱাৰে। আনকি তেনেকুৱা স্থানলৈ পৰ্যটক গ'লেও বেছিদিন থাকিব নিবিচাৰে নাইবা সেই ঠাইলৈ বা চহৰলৈ পুনৰ অহাৰ কথা নাভাবে। আনহাতে, অপৰিষ্কাৰ নগৰ-মহানগৰবাসী সকলো সময়তে বিভিন্ন ৰোগত ভুগিব পাৰে। তেওঁলোক বিভিন্ন মাৰাত্মক ৰোগৰ চিকাৰ হ'ব পাৰে। অপৰিষ্কাৰ মহানগৰৰ কৃত্ৰিম বানপানীয়ে স্বাস্থ্যৰ ক্ষেত্ৰত অধিক সমস্যাৰ সৃষ্টি কৰে আৰু বিভিন্ন ৰোগ-ব্যাধিৰ বীজাণুৰ জন্ম দিয়ে। ইয়াৰ ফলত অধিক লোক আক্ৰান্ত হয়। ইয়াৰ বিপৰীতে পৰিষ্কাৰ-পৰিচ্ছন্ন যিকোনো চহৰে পৰ্যটকক বাৰম্বাৰ যাবলৈ আকৰ্ষণ কৰে। বৰ্তমান পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ক্ষেত্ৰত প্ৰদূষণক বিশেষভাৱে গুৰুত্ব দিয়া হয়। বিশেষকৈ বায়ু প্ৰদূষণ সকলো পৰ্যটক আৰু বাসিন্দাৰ বাবে ভাবুকি হৈ দেখা দিছে। দিল্লীৰ দৰে মহানগৰ যথেষ্ট পৰিষ্কাৰ-পৰিচ্ছন্ন যদিও ইয়াৰ প্ৰদূষিত বায়ু ঘাতক প্ৰমাণিত হৈছে। বাসিন্দাসকলক আৰু বিশেষকৈ শিশুসকলক ঘৰৰ বাহিৰলৈ ওলোৱাৰ ক্ষেত্ৰত বাধা দিবলগীয়া অৱস্থাৰো সৃষ্টি হৈছে সময়ে সময়ে। পৰ্যটন উদ্যোগৰ ওপৰত এনে পৰিৱেশে নিশ্চয় নেতিবাচক প্ৰভাৱ পেলাব। চৰকাৰে উন্নয়নমূলক আঁচনিবিলাকত সফল নোহোৱাৰ অভিযোগ প্ৰায়ে শুনিবলৈ পোৱা যায়। বিশেষকৈ এই ক্ষেত্ৰত কেন্দ্ৰৰ সাহায্য বা অনুদানৰ ওপৰত অসমৰ দৰে ৰাজ্যই নিৰ্ভৰ কৰিবলগীয়া হয়; কিন্তু একোখন নগৰ-মহানগৰসমূহ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কেন্দ্ৰৰ সাহায্যৰ ওপৰত নিৰ্ভৰশীল বুলি ক'ব নোৱাৰি। ৰাজ্য চৰকাৰেই এই নগৰ-মহানগৰবিলাক পৰিষ্কাৰ আৰু স্বাস্থ্যসন্মত আৰু সুন্দৰ কৰি ৰাখিব পাৰে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ ইচ্ছা, দৃঢ়তা আৰু দায়বদ্ধতাৰ প্ৰয়োজন। লেতেৰা বুলি হোৱা বদনামৰ পৰা অসমক মুক্ত কৰাৰ দায়িত্ব সকলোৰে।

# অসমত তৃণমূল কংগ্ৰেছৰ ভাবুকি

## তৃণমূলৰ ৰাজনীতি অসমলৈ আমদানি কৰিব বিচৰা ৰিপুণ বৰাৰ দৰে অসমীয়া নেতাসকলে বাঙালী নেতাসকলৰ আঙুলিৰ ঠাঁৰত নাচিবহে পাৰিব

অসবৰ্ণ
হীৰেন গগৈ



যোৱা ১১ মে'ত গুৱাহাটীত তৃণমূল কংগ্ৰেছৰ এখন ডাঙৰ কৰ্মীসভা অনুষ্ঠিত হৈছিল। সভাখনৰ উদ্যোগ লৈছিল সদ্য কংগ্ৰেছ ত্যাগী ৰিপুণ বৰাই। কংগ্ৰেছ দলৰ পৰা ৰাজ্যসভাৰ সাংসদ নিৰ্বাচিত হ'ব নোৱাৰি আৰু সেই দলত থাকিলে তেওঁৰ ৰাজনৈতিক ভৱিষ্যৎ অন্ধকাৰাচ্ছন্ন হ'ব বুলি শংকিত হৈ তেওঁ তৃণমূল কংগ্ৰেছত যোগদান কৰে আৰু যোগদানৰ পাছতেই তেওঁক অসম তৃণমূলৰ সভাপতিৰ পদ যচা হয়। এতিয়া বৰাৰ অভিলাষ হৈছে অহা ২০২৬ৰ বিধানসভা নিৰ্বাচনত তৃণমূল কংগ্ৰেছক জয়ী কৰা আৰু নিজে মুখ্যমন্ত্ৰী হৈ চৰকাৰ গঠন কৰা। বহুতে বৰাৰ এই অভিলাষক অলীক সপোন বুলি তাচ্ছিল্য কৰিব পাৰে, কাৰণ এতিয়ালৈকে অসমত তৃণমূল কংগ্ৰেছৰ উত্থানৰ পৰিৱেশ এটাৰ সৃষ্টিয়েই হোৱা নাই। বিশেষকৈ মূলসুঁতিৰ অসমীয়া বুলি দাবী কৰা সকলে ভাবি আছে যে অসমত পশ্চিমবংগৰ বাঙালী দল এটাৰ চৰকাৰ এখন কেতিয়াও হ'বই নোৱাৰে। কিন্তু মই হ'লে তৃণমূল কংগ্ৰেছক সহজভাৱে ল'ব পৰা নাই। অসমৰ জনগাঁথনিত তৃণমূল কংগ্ৰেছৰ বাবেও এডোখৰ সুচল ঠাই আছে আৰু তেওঁলোকৰ দৃষ্টিয়ো তাতেই নিবদ্ধ থাকিব পাৰে। মুছলীম লীগে ধৰ্মীয় সম্প্ৰসাৰণবাদৰ ৰণকৌশলেৰে অসমক মুছলমান প্ৰধান সজাই পূৰ্ব পাকিস্তানত চামিল কৰিবলৈ বিচাৰিছিল। তেওঁলোকৰ সেই ষড়যন্ত্ৰ সফল নহ'ল। এতিয়া মমতা বেনাৰ্জীয়ে অসমক বংগৰ ৰাজনীতিৰ স'তে যুক্ত কৰিবলৈ বেলেগ এটা ৰাস্তা লৈছে বুলি মোৰ সন্দেহ। পশ্চিমবংগত তেওঁ বাঙালীৰ ভাষিক উগ্ৰ জাতীয়তাবাদৰ স'তে ইছলামিক সাম্প্ৰদায়িকতাক সনাপিটিকা কৰি ৰাজনৈতিক প্ৰভুত্ব চলাই আছে। অসমতো তেওঁ সেই কৌশলকেই ল'ব বুলি মোৰ সন্দেহ আৰু তেওঁৰ সেই ৰাজনীতি ক্ৰয় কৰা গ্ৰাহকৰো অভাৱ নহ'ব অসমত।

উক্ত সভাখনত বংগৰ আৰক্ষীয়ে অসমৰ সাংবাদিকক কৰা দুৰ্ব্যৱহাৰৰ সবিশেষ বাতৰি কাকতত যেনেদৰে প্ৰকাশ পাইছে, তাত কিছু অতিৰঞ্জন আছে বুলি ধৰি ল'লেও এটা কথাত নিশ্চয় কোনো সন্দেহ নাই যে তৃণমূল কংগ্ৰেছৰ বংগীয় নেতাসকলৰ উদ্ধত মানসিকতাৰে প্ৰতিফলন ঘটিছিল বংগ আৰক্ষীৰ সেইদিনাৰ আচৰণত। মমতা বেনাৰ্জীয়ে বংগৰ আৰক্ষীক কাৰ্যতঃ তৃণমূল কংগ্ৰেছৰ চৰকাৰী গুণ্ডাবাহিনী হিচাপেই ব্যৱহাৰ কৰি আছে। পশ্চিমবংগত তৃণমূল বাহিনীয়ে বিৰোধী দলৰ নেতা-কৰ্মীৰ ওপৰত সন্ত্ৰাস আৰু হত্যালীলা অবিৰতভাৱে চলায়েই আছে। ৰাজ্যৰ আৰক্ষীয়ে সেই গুণ্ডাবাহিনীক ৰক্ষণাবেক্ষণ দিয়াৰ লগতে নিজেও আক্ৰান্তসকলৰ ওপৰত আইন-কানুনৰ অত্যাচাৰ চলাই আহিছে। সেই ৰাজ্যখনত এতিয়া আইনৰ শাসন চলি থকা নাই। তৃণমূলৰ নেতাসকলো হৈ পৰিছে উদ্ধত আৰু আগ্ৰাসী। সেইদিনাৰ সভালৈ অহা তৃণমূল দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জীয়েও সাংবাদিকক দুৰ্ব্যৱহাৰ কৰা বংগ আৰক্ষীক প্ৰকাৰান্তৰে ৰক্ষণাবেক্ষণহে দি গ'ল। বংগৰ একাংশ উগ্ৰজাতীয়তাবাদীয়ে অসমখনক বংগভাষী কৰাৰ সপোন সদায় দেখি থাকে। ইংৰাজৰ আমোলত তেওঁলোকে সেই সপোন ফলৱতী কৰিবলৈ অসমৰ স্কুল-কাছাৰীত বাঙালী ভাষা জাপি দিয়াৰ ব্যৱস্থাও কৰিছিল। শিক্ষিত অসমীয়া অগ্ৰণীসকলৰ আপ্ৰাণ চেষ্টাত এটা সময়ত বাঙালী ভাষা আঁতৰাই অসমীয়া ভাষাৰ পুনৰ প্ৰৱৰ্তন হৈছিল। ভাষিক বাঙালী সম্প্ৰসাৰণবাদীসকল স্বাভাৱিকতেই ক্ষুণ্ণ হৈছিল। তেতিয়াৰ পৰাই তেওঁলোকে অসমত সেই ক্ষোভ উজৰাৰ সুযোগ সদায় বিচাৰিয়েই আহিছে। বংগ আৰু অসমৰ ভাষিক বাঙালী উগ্ৰজাতীয়তাবাদী নেতাসকলৰ চিন্তা আৰু কথা-বতৰাত সেই ক্ষোভৰ উদ্গীৰণ সময়ে সময়ে ঘটিও আহিছে। অসমীয়া ভাষাক বাঙালী ভাষাৰ অপভ্ৰংশ সজোৱাৰ ষড়যন্ত্ৰ তেওঁলোকৰ ব্যৰ্থ হোৱাৰ পাছত এতিয়া অসমখনক অসমীয়াৰ দৰে বাঙালীভাষীসকলৰো গৃহভূমি প্ৰতিপন্ন কৰাৰ চেষ্টাত তেওঁলোক লাগি আছে। সেয়ে অসমলৈ মমতা বেনাৰ্জীৰ তৃণমূল কংগ্ৰেছৰ ৰাজনীতি ৰপ্তানি কৰাৰ অন্তৰালত ৰাজনৈতিক স্বাৰ্থৰ লগতে ভাষিক-সাম্প্ৰদায়িক মেৰুকৰণৰ অংক এটাও আছে বুলিয়েই মোৰ বিশ্বাস। অভিষেক বেনাৰ্জীৰ দৰে তৃণমূলৰ নেতাসকলে মনে মনে সেই অংকটোৰ উত্তৰ এটা উলিয়াই লৈছে বাবেই তেওঁলোকৰ আত্মবিশ্বাস উদ্ধতালিৰ ৰূপত প্ৰকাশ পাইছে। তৃণমূলৰ ৰাজনীতি অসমলৈ আমদানি কৰিব বিচৰা ৰিপুণ বৰাৰ দৰে অসমীয়া নেতাসকলে বাঙালী নেতাসকলৰ আঙুলিৰ ঠাঁৰত নাচিবহে পাৰিব।

মমতা বেনাৰ্জীৰ লগতে বংগৰ আনসকল তৃণমূল নেতাই নিশ্চয় জানে যে অসমীয়া মানুহবোৰৰ মনত বাঙালীভীতি এটা সদায় আছেই আৰু তেওঁলোকে বংগীয় নেতৃত্বকো কেতিয়াও মানি নল'ব। তথাপি তেওঁলোকে অসমত তৃণমূলৰ পোহাৰখন মেলিছে কিহৰ আশাত? বজাৰ চলাৰ আশা নাথাকিলে তেওঁলোকে সেইখন ইয়াত কিয় মেলিব? তাৰ উত্তৰ আছে অসমৰ জনগাঁথনিত আৰু উগ্ৰ বিজেপি-বিদ্বেষত। অসমৰ জনগাঁথনিত ভাষিক বাঙালী উগ্ৰজাতীয়তাবাদৰ ভেটি এটা ইতিমধ্যে গঢ় লৈ উঠিছেই। একে সময়তে তাক ঢাকি ৰাখিব পৰাকৈ অসমৰ ৰাজীনীতিতো বিজেপি ভূত খেদাৰ হৈ-চৈ এটাও লাগি আছেই। সেয়ে বিজেপি খেদাৰ আৱাজেৰে বাঙালী সম্প্ৰসাৰণবাদৰ ষড়যন্ত্ৰক ঢাকি ৰখা সুযোগটো তৃণমূলৰ নেতাসকলে গ্ৰহণ কৰিছে। বিজেপি জ্বৰত ভুগি থকাৰ বাবেই অখিল গগৈৰ দৰে গণতন্ত্ৰবাদী-জাতীয়তাবাদী নেতাও মমতা বেনাৰ্জীৰ 'ফেডাৰেল ৰাজনীতি'ৰ মোহত জানো পৰা নাছিল?

অসমত থলুৱা অসমীয়া ভাষীৰ সংখ্যা ৰাজ্যৰ মুঠ জনসংখ্যাৰ ২৪/২৫ শতাংশতকৈ বেছি নহ'ব। এইখিনি মানুহে অকলে অসমৰ ৰাজনীতি নিয়ন্ত্ৰণ কৰি থকা নাই আৰু কৰিব নোৱাৰেও। ৰাজ্যৰ প্ৰায় ৩৫ শতাংশ জনসংখ্যাৰ মানুহখিনি হৈছে অভিবাসী বা মিঞা মুছলমানসকল। চাহ শ্ৰমিক আৰু আদিবাসীসকলৰ জনসংখ্যা হ'ব ১০ শতাংশমান। এই চাহশ্ৰমিক আৰু মিঞা মুছলমানসকলৰ এটা বৃহৎ অংশই অসমীয়াভাষী বুলি পৰিচয় দিছে কাৰণেই অসমত অসমীয়াভাষীৰ মুঠ সংখ্যা বৰ্তমানত ৪৭/৪৮ শতাংশ মানত ৰৈছেহি। দুই দশকমানৰ আগলৈ এই সংখ্যাটো ৫০ শতাংশৰ ওপৰত আছিল। তাৰ পাছত সি ক্ৰমাৎ হ্ৰাস পাই আহিছে। ২০১১ৰ লোকপিয়লত অসমৰ মুঠ জনসংখ্যা আছিল ৩,১২, ০৫,৫৭৬ জন। তাৰ ভিতৰত অসমীয়া মাতৃভাষী আছিল ১,৫০,৯৫,৭৯৭ জন। অসমীয়া ভাষীৰ বিপৰীতে বাঙালীভাষীৰ সংখ্যা আছিল ৯০,২৪,৩২৪ জন আৰু হিন্দীভাষী আছিল ২১,০১,৪৩৫। ২০০১ৰ লোকপিয়লত অসমীয়া, বাঙালী আৰু হিন্দীভাষীৰ জনসংখ্যা আছিল যথাক্ৰমে ১,৩০,১০,৪৭৮, ৭৩,৪৩,৩৩৮ আৰু ১৫,৬৯,৬৬২ জন। এই ২০০১-২০১১ ৰ দশকটো অসমীয়া ভাষীৰ জনসংখ্যা শতাংশৰ হাৰত ৪৮.৮০ ৰ পৰা ৪৮.৩৮ লৈ কমিল। তাৰ বিপৰীতে বাঙালীভাষীৰ সংখ্যা বাঢ়িল ২৭.৫৪ ৰ পৰা ২৮.৯১ লৈ। তেনেহ'লে বাঙালীভাষীৰ সংখ্যা কোনে বৃদ্ধি কৰিছে? হিন্দু বাঙালীয়ে এই সংখ্যা বঢ়াইছে বুলি ভবাৰ স্থল নাই, কাৰণ এই সময়ছোৱাত অসমত হিন্দুৰ জনসংখ্যা বৃদ্ধিৰ হাৰ ১৫ শতাংশৰ পৰা ১০ শতাংশলৈ হ্ৰাসহে হৈছে। আনহাতে মুছলমানৰ জনসংখ্যা ২৯ শতাংশৰ হাৰত বৃদ্ধি পাইছে। এই সময়ছোৱাত বাংলাদেশৰ পৰা নতুন প্ৰব্ৰজন ঘটা নাই বুলি ধৰি ল'লেও অসমৰ মিঞা মুছলমানসকলৰ অধিক সন্তান উৎপাদনকেই এই বৃদ্ধিৰ কাৰণ বুলি ধৰিব লাগিব। তেওঁলোকৰ জনসংখ্যা যি কাৰণতে বৃদ্ধি নহওক কিয়, প্ৰচলিত ধাৰণা অনুসৰি তেওঁলোক আটাইয়ে অসমীয়াভাষী হোৱা হ'লে ৰাজ্যখনত অসমীয়াভাষীৰ সংখ্যাও শতাংশৰ হাৰত বহুখিনি বৃদ্ধি পালেহেঁতেন। কিন্তু বাস্তৱত তাৰ বিপৰীতটোহে ঘটি আছে। গতিকে নিৰাপদে ধৰি ল'ব পাৰি যে, ৰাজ্যৰ বংগমূলীয় মুছলমানসকলৰ মাজত বাঙালীকে মাতৃভাষা বুলি ধৰি থকা সকলৰ সংখ্যা বৃদ্ধি পাইছে। ইংৰাজৰ দিনত অহা পূৰ্ববংগীয় মুছলমানসকলে স্বৰাজোত্তৰ প্ৰথম পিয়লটোতে অসমীয়া ভাষাকে মাতৃভাষা বুলি দেখুৱাইছিল। তেওঁলোকে অসমীয়া শিকিছিল আৰু তেওঁলোকৰ ল'ৰা-ছোৱালীয়েও অসমীয়া স্কুলতে পঢ়িছিল। কিন্তু পাছত অহা অনুপ্ৰৱেশকাৰীসকলৰ বেছি ভাগৰ বাবে অসমীয়া কোৱাৰে প্ৰয়োজন ক্ৰমাৎ কমি আহিল। তেওঁলোকে অসমলৈ আহিয়েই বংগভাষী সমাজ এখন পাই গৈছিল আৰু নিজৰ মাতৃভাষাৰেই জীৱিকাৰ বাবে প্ৰয়োজনীয় দৈনন্দিন কাম-কাজবোৰ চলাব পৰা হৈছিল। গতিকে অসমীয়াভাষী হোৱাৰ প্ৰয়োজন তেওঁলোকৰ নোহোৱা হৈছে। একে সময়তে তেওঁলোকৰ মাজত ভাষিক বাঙালী উগ্ৰজাতীয়তাবাদীসকলৰ প্ৰচাৰ-প্ৰৰোচনা চলি আছে আৰু তাৰ প্ৰভাৱতে আগতে অসমীয়াভাষী বুলি পৰিচয় দিয়া সকলৰো একাংশই ইতিমধ্যে বাংলাভাষীৰ পৰিচয় পুনৰ গ্ৰহণ কৰিছে। বৰাক উপত্যকাৰ তিনিওখন জিলাৰ হিন্দু-মুছলমান নিৰ্বিশেষে সকলো বংগমূলীয় লোকেইতো বাঙালীভাষী। এই পটভূমিতেই মমতা বেনাৰ্জী তথা তেওঁৰ দল তৃণমূল কংগ্ৰেছে অসমৰ বাঙালী হিন্দু আৰু বংগমূলীয় মুছলমান সকলোকে একক বাঙালী পৰিচয়ৰে তৃণমূল কংগ্ৰেছত চামিল কৰাৰ পৰিকল্পনাৰে আগবাঢ়িছে বুলি ভবাৰ ডাঙৰ স্থল আছে।

এই পৰিকল্পনা মূলতঃ অসম আৰু পশ্চিমবংগৰ একাংশ ভাষিক সম্প্ৰসাৰণবাদীৰ বহুদিনীয়া সপোন। অসমত বাঙালীৰ আধিপত্য স্থায়ীভাৱে প্ৰতিষ্ঠা কৰাৰ লক্ষ্যৰে তেওঁলোকে ধাৰাবাহিকভাৱে কাম কৰি আছে। বংগভাষী হিন্দু আৰু মুছলমানক ঐক্যবদ্ধ কৰিব পাৰিলেই তেওঁলোকৰ সপোন দিঠকত পৰিণত হ'ব। সেইবাবে পশ্চিমবংগত মমতা বেনাৰ্জীয়ে দেখ-দেখকৈ মুছলমান তোষণৰ নীতিও গ্ৰহণ কৰিছে আৰু বাংলাদেশী তথা ৰোহিংগীয়াসকলকো সংস্থাপিত কৰি আছে। পশ্চিমবংগৰ পুৰণি বাঙালীসকলৰ মমতাৰ নীতি আৰু কাণ্ড-কাৰখানাত বিতুষ্ট হ'লেও তৃণমূলৰ ভয়-ভাবুকিত তেওঁলোকে মূৰ তুলিব পৰা নাই। বিজেপিয়ে তেওঁলোকৰ সহযোগত মমতাক গাদীচ্যুত কৰাৰ বাবে যোৱা বিধানসভা নিৰ্বাচনৰ সময়ত যৎপৰোনাস্তি চেষ্টা চলাইছিল যদিও বাঙালীৰ জাতীয় স্বাভিমানক বুজি নোপোৱা আৰু সন্মান জনাব নোৱাৰাৰ বাবে আশা কৰা মতে সফলতা লাভ কৰিব নোৱাৰিলে। মা দুৰ্গা আৰু মা কালীৰ শক্তিপূজক বাঙালী জাতিক বিজেপিৰ জয়শ্ৰীৰাম ধ্বনিয়ে বিতুষ্টহে কৰিলে। মমতাই বাঙালীৰ স্বাভিমানক মূলধন কৰিয়েই ৰণ জয় কৰিলে। তেওঁ আৰু তেওঁৰ দলে এতিয়া অসমৰ বংগমূলীয় হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰে মাজত সেই বাঙালী স্বাভিমানেৰে ধল বোৱাব খুজিছে। অসমৰ বৰ্তমানৰ ৩৪ শতাংশ প্ৰায় বাঙালীভাষীৰ লগত আৰু দহ-পোন্ধৰ শতাংশ মিঞা মুছলমানক তেওঁ যদি যুক্ত কৰিব পাৰে (যিটো তেওঁৰ দলৰ বাবে অসম্ভৱ নহয়), তেন্তে ২৫ শতাংশ জনসংখ্যাৰ থলুৱা অসমীয়াখিনিয়ে ভেবা লাগি চাই থাকোতেই অসমত বাঙালীসুৰীয়া চৰকাৰ এখন ক্ষমতাধিষ্ঠ হৈ যাব পাৰে। মই ৪৮ শতাংশ অসমীয়াভাষীৰ পৰিসংখ্যাটো ধৰা নাই। কাৰণ এই ২৫ শতাংশৰ বাদে বাকী ২৩ শতাংশ অসমীয়াভাষীৰ ভাষিক অৱস্থান তৃণমূল কংগ্ৰেছৰ বাবে অলংঘনীয়।

অসমত তৃণমূল কংগ্ৰেছৰ এই অভিযানত বিজেপি, ইউ ডি এফ আৰু কংগ্ৰেছ তিনিওটা দলেই বাধাৰ সৃষ্টি কৰিব পাৰে আৰু হয়তো কৰিবও। বিজেপিয়ে হিন্দু বাঙালীৰ বৃহৎ অংশৰ সমৰ্থন পাই আছে মুছলমান ভীতিৰ সুবাদত। সেই বুলি বাঙালীৰ ভাষিক উগ্ৰজাতীয়তাবাদৰ পৃষ্ঠপোষকতা কৰাটোও বিজেপিৰ বাবে সম্ভৱ নহ'ব। থলুৱা অসমীয়া আৰু জনজাতিবোৰৰ ভাবাবেগৰ বিৰুদ্ধে দলটো যাব নোৱাৰে। কিন্তু তৃণমূল কংগ্ৰেছৰ বাবে ভাষিক বাঙালী উগ্ৰজাতীয়তাবাদক খোলাখুলিভাৱে উচটনি দিয়াত কোনো সমস্যা নাই। বৰং তাৰ পৰা দলটো উপকৃতহে হ'ব আৰু বিজেপিৰ হিন্দু বাঙালীৰ সমৰ্থন ভেটিটোত খহনীয়া হ'ব। আনহাতে মিঞা মুছলমানৰ ভোটবেংকটোক লৈ কংগ্ৰেছ আৰু ইউ ডি এফৰ মাজত যিখন টনা-আঁজোৰা চলি আছে, তাৰ ফলত মিঞাসকল ৰাজনৈতিকভাৱে যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে। আনহাতে মমতাই বাঙালী জাতীয়তাবাদৰ নামত তেওঁলোকক ঐক্যবদ্ধ আৰু ক্ষমতাসীন কৰাৰ প্ৰলোভন দিবই। মিঞা মুছলমানসকলৰ মাজতো ভাষিক বাঙালী জাতীয়তাবাদী শক্তি আছে। মমতাই সেই শক্তিক পুৰামাত্ৰাই ব্যৱহাৰ কৰিব। পৰিণামত সম্প্ৰদায়টো তৃণমূলৰ ফালেই ঢাল খাব পাৰে নাইবা ইউ ডি এফো বাধ্য হ'ব পাৰে তৃণমূলৰ স'তে জোঁট বান্ধিবলৈ।

মই ক'ব খোজা নাই যে তৃণমূল কংগ্ৰেছৰ উত্থান অসমতো ঘটিবই। কিন্তু অসমত সেই দলৰ উত্থানৰ প্ৰচুৰ সম্ভাৱনা আছে। অসমীয়া জাতিৰ প্ৰতি তৃণমূল কংগ্ৰেছ দলটো এটা ডাঙৰ ভাবুকি। কংগ্ৰেছ আৰু ইউ ডি এফে সেই ভাবুকিৰ মোকাবিলা নকৰে আৰু কৰিবও নোৱাৰে। তাক মোকাবিলা কৰিব লাগিব বৰ্তমানৰ চৰকাৰখনেই— তেওঁলোকৰ মিঞা নীতিৰ কিছু সংশোধনীৰে।

ফোন : ৮৮১১৮২৭৪৩২



> **মমতা বেনাৰ্জীৰ লগতে বংগৰ আনসকল তৃণমূল নেতাই নিশ্চয় জানে যে অসমীয়া মানুহবোৰৰ মনত বাঙালীভীতি এটা সদায় আছেই আৰু তেওঁলোকে বংগীয় নেতৃত্বকো কেতিয়াও মানি নল'ব। তথাপি তেওঁলোকে অসমত তৃণমূলৰ পোহাৰখন মেলিছে কিহৰ আশাত? বজাৰ চলাৰ আশা নাথাকিলে তেওঁলোকে সেইখন ইয়াত কিয় মেলিব? তাৰ উত্তৰ আছে অসমৰ জনগাঁথনিত আৰু উগ্ৰ বিজেপি-বিদ্বেষত**

## খোলা মঞ্চ

### ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?



**এখন** দেশৰ শাসকগোষ্ঠী তথা ৰাজনৈতিক নেতাসকলক নিৰ্বাচন কৰে ৰাইজে, গতিকে ৰাইজে যদি একগোট হৈ ব্যক্তিগত স্বাৰ্থ ত্যাগ কৰি সৎ, নিষ্ঠাবান, জ্ঞানী-গুণী ব্যক্তি এজন বাছি উলিয়াব পাৰে, তেতিয়া হ'লে ভ্ৰষ্টাচাৰীৰ সলপি আমি এজন সৎ নেতা পাব পাৰো।

আমাৰ ভাৰতবৰ্ষ বহু বছৰ ইংৰাজৰ অধীনত থাকিবলগীয়াত পৰিছিল। ইংৰাজে ভাৰতৰ পৰা ধন-সোণ লৈ গৈছিল আৰু ভাৰতত ৰাজত্ব চলাই ভাৰতবাসীক নানা ধৰণৰ অত্যাচাৰ চলাইছিল। ইংৰাজৰ অত্যাচাৰত ভাৰতৰ লগতে অসমেও জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলন কৰি এদিন ইংৰাজক খেদিব পাৰিছিল। গতিকে তেনেকুৱা এখন ভাৰতবৰ্ষত মত নানা জাতিৰ নানা ধৰ্মৰ মানুহে একেলগে বাস কৰে। য'ত মহান পুৰুষৰ চানেকিৰে ভৰপূৰ যিখন ভাৰতবৰ্ষত গোপীনাথ বৰদলৈ, শৰৎ চন্দ্ৰ সিংহ, লৌহ মানৱ চৰ্দাৰ বল্লভ ভাই পেটেল লালবাহাদুৰ শাস্ত্ৰী অটল বিহাৰী বাজপেয়ী, মোৰাৰজী দেশাইৰ দৰে মহান ব্যক্তিসকলৰ জন্ম হৈছে। যিসকল মহান ব্যক্তিৰ ত্যাগৰ কাৰণে ভাৰতবৰ্ষক বীৰ বীৰাংগনাৰ দেশ বুলি কোৱা হয়। তেনে এখন ভাৰতবৰ্ষত জন্ম গ্ৰহণ কৰাটো সকলোৰে বাবে গৌৰৱৰ কথা। গতিকে তেনে এখন পৱিত্ৰ ভাৰতবৰ্ষত জন্ম গ্ৰহণ কৰা গণতান্ত্ৰিক দেশ একনৰ ৰাইজেই ৰজা। ৰাইজেই যেতিয়া ৰজা, তেতিয়াহ'লে প্ৰথমতে ভাল হ'ব লাগিব ৰাইজ। ৰাইজেই যেতিয়া ৰজা, তেতিয়াহ'লে প্ৰথমতে ভাল হ'ব লাগিব ৰাইজ। ৰাইজেই যেতিয়া ভ্ৰষ্টাচাৰৰ পৰা আঁতৰত থাকিব তেতিয়া চৰকাৰখনেও ভ্ৰষ্টাচাৰৰ পৰা আঁতৰত থাকিব।

এই ক্ষেত্ৰত জনগণে সততা নিষ্ঠা আৰু ত্যাগৰ আদৰ্শ দেখুৱাই ৰাজপথলৈ ওলাই আজি ভৱিষ্যৎ প্ৰজন্মক অনুপ্ৰেৰণা দেখুৱাব পাৰিব লাগিব। লগতে বুজাব লাগিব যে আমি যেতিয়া জন্ম মাতৃৰ গৰ্ভৰ পৰা লৈছো তেতিয়া অকলেই আহিছো খালি হাতেৰে, লগত একো লৈ অহা নাই। আৰু যেতিয়া আমাৰ জীৱন নাটৰ অন্ত হ'ব সেইদিনাও আমি অকলেই যাব লাগিব। আমাৰ লগত মাথোঁ যাব আমাৰ জীৱনত কৰা কৰ্মবোৰ। জীয়াই থকা দিনকেইটাত লোভ, মোহ, ত্যাগ, হিংসা, অহংকাৰ আদিৰ পৰা আঁতৰত থাকিব পাৰিলে সৎ জ্ঞানী মানুহ হ'ব পৰা যায়। গতিকে কথাবোৰৰ জ্ঞান আজিৰ প্ৰজন্মক শিকাব পাৰিলে প্ৰকৃত সৎ নেতা পাব পৰা যাব।

জ্যোৎস্না কলিতা, লেখিকা
ফোন : ৮৪৭২৮৪৮৫৯৪

## অভিমত

# আমাৰ গাঁৱৰ ভেন্সাৰ স্কুলখনৰ কৰুণ গাঁথা

**১৯৮৮ত** আমাৰ গাঁওখনৰ শিক্ষাৰ অভাৱ দূৰীকৰণৰ উদ্দেশ্যে সচেতন ৰাইজে মিলি স্থাপন কৰিছিল 'বৰেৰী মধ্য ইংৰাজী বিদ্যালয়' নামৰ এখন মধ্য ইংৰাজী বিদ্যালয়। সেই সময়ৰ শিক্ষাগত অৰ্হতাৰ চৰকাৰী নিয়ম মতে শিক্ষক হিচাপে নিযুক্ত হৈছিল পাঁচোজনকৈ অৰ্হতা সম্পন্ন যুৱক আৰু এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী। চৰকাৰৰ পৰা কোনো ধৰণৰ বেতন নাপালেও শিক্ষক কেইজনে নিষ্ঠা সহকাৰে পালন কৰি গৈছিল গাঁওখনৰ লগতে এক বৃহৎ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ গঢ়াৰ দৰে গধুৰ দায়িত্ব। বেতনহীন কাম এটা কৰি জীৱন ধাৰণ কৰাত তেওঁলোকৰ যথেষ্ট কষ্ট হৈছিল যদিও শিক্ষকতাৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা আৰু কণ কণ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা নিঃস্বাৰ্থ মৰমে তেওঁলোকক কৰ্তব্যৰ পৰা কোনোদিনে বিচলিত কৰা নাছিল। মনত তেওঁলোকৰ এটাই আশা এদিন বিদ্যালয়খন প্ৰাদেশিকীকৃত হ'ব আৰু তেওঁলোকে অন্ততঃ ঘৰুৱা মৌলিক অভাৱখিনি দূৰ কৰি শিক্ষাদান কৰিবব পাৰিব। কিন্তু এনেকৈ বছৰৰ পাছত বছৰ বাগৰি গ'ল, এখনৰ পাছত এখনকৈ চৰকাৰ সলনি হ'ব ধৰিলে, যুৱ শিক্ষক কেইজনো বিবাহ পাশত আৱদ্ধ হ'ল; অথচ বিদ্যালয়খন প্ৰাদেশিকীকৃত নহ'ল। আৰ্থিক অভাৱত জুৰুলা হ'ল দুৰ্ভগীয়া শিক্ষককেইজন। তথাপি তেওঁলোকে সকলো চৰকাৰী নীতি-নিয়ম বজাই ৰাখি জ্ঞানৰ পোহৰ বিলাই থাকিব। এটা সময়ত (১৯৯৮ৰ পৰা ২০০০ৰ ভিতৰত) আৰ্থিক অভাৱে বেয়াকৈ জুৰুলা কৰাত হিন্দী আৰু সমাজ অধ্যয়নৰ দুজনে জীৱিকাৰ অন্য পথ বাচি ল'লে। লগে লগে বিদ্যালয় পৰিচালনা সমিতিয়ে নিয়োগ কৰিলে হিন্দী বিষয়ৰ এজনী শিক্ষয়িত্ৰী আৰু অন্য এজন শিক্ষকক। পুনৰ এটা পূৰ্ণ ষ্টাফেৰে আগবাঢ়িল বিদ্যালয়খন।

ইংৰাজী ২০০২ত আমি নিম্ন প্ৰাথমিক উত্তীৰ্ণ হৈ এই বিদ্যালয়খনত পঞ্চম শ্ৰেণীত নাম ভৰ্তি কৰো। পেটত ক্ষুধা থাকিলেও ছাৰহঁতে আমাক প্ৰত্যেকটো বিষয় নিয়াৰীকৈ আৰু মৰমেৰে পঢ়াইছিল। মধ্য ইংৰাজী বিদ্যালয়খনৰ পৰা উত্তীৰ্ণ হৈ যোৱা বহু ছাত্ৰ-ছাত্ৰীয়ে পৰৱৰ্তী সময়ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ষ্টাৰ, ডিষ্টিংচন পাই সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল আৰু আমিও তাৰ ব্যতিক্ৰম হোৱা নাছিলো। সেইসকল ছাত্ৰ-ছাত্ৰীয়ে আজি কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু বিভিন্ন ব্যক্তিগত প্ৰতিষ্ঠানৰ অধীনত সুখ্যাতিৰে কৰ্ম সম্পাদন কৰি আছে। ২০১২ত আমিও ৰাজ্য চৰকাৰে অনুষ্ঠিত কৰা টে'টত উত্তীৰ্ণ হৈ চৰকাৰৰ পৰা নিযুক্তি পত্ৰ লাভ কৰিবলৈ সক্ষম হওঁ। কিন্তু অত্যন্ত পৰিতাপৰ কথা যে মোৰ জন্ম লগ্নৰ বহু আগৰে পৰা শিক্ষকতা কৰি অহা উক্ত বিদ্যালয়খনৰ পৰম পূজনীয় শিক্ষাগুৰুসকলে তেতিয়ালৈ চৰকাৰৰ পৰা নিযুক্তি পত্ৰ নোপোৱাকৈয়ে শিক্ষাদান কৰি থাকিল। কেনেকৈ চলিছিল তেওঁলোকৰ সংসাৰ! সঁচাই এক দুৰ্বিসহ জীৱনৰ মাজেৰে এটা অঞ্চলৰ ল'ৰা-ছোৱালীক শিক্ষাদান কৰি গৈছিল তেওঁলোকে। তেওঁলোকে নিজৰ পৰিয়ালটোক ভালকৈ এসাঁজ খুৱাবলৈও ভাবিবলগীয়া হৈছিল। তেওঁলোকৰ মেধাৱী সন্তানে উচ্চ শিক্ষা আধাতে সামৰিবলগীয়া হৈছিল।

এনেতে ২০১৩ত অসম চৰকাৰে ভেন্সাৰ বিদ্যালয় প্ৰাদেশিকীকৰণ কৰাৰ এক সিদ্ধান্ত হাতত ল'লে। অসমৰ বহু অপ্ৰাদেশিকীকৃত বিদ্যালয়ৰ শিক্ষকৰ পদ প্ৰাদেশিকীকৰণ হ'ল যদিও চৰম পৰিতাপৰ কথা যে চৰকাৰী কামৰ বিভিন্ন মেৰ-পেচৰ বাবে অত বছৰে নিষ্ঠাসহকাৰে শিক্ষাদান কৰি অহা এই প্ৰকৃত শিক্ষককেইজনৰ শিক্ষক পদ প্ৰাদেশিকীকৰণ নহ'ল। শিক্ষককেইজনৰ মূৰত আকাশী সৰগ ভাগি পৰিল। শিক্ষামন্ত্ৰীৰ মুখত শুনা গ'ল যে প্ৰাদেশিকীকৰণ (২০১৩) প্ৰক্ৰিয়াটোত বহুতো দুষ্ট প্ৰবৃত্তিৰ লোকে অসৎ প্ৰক্ৰিয়াৰে ৰাতিৰ ভিতৰত বিদ্যালয় স্থাপন কৰি চাকৰি ল'লে। পৰৱৰ্তী সময়ত বিদ্যালয় প্ৰাদেশিকীকৰণৰ ক্ষেত্ৰত চৰকাৰ অধিক কঠোৰ হ'ব। ইমান পাছতো শিক্ষক কেইজনে মৰণক শৰণ দি বিদ্যালয়ৰ কাম সুচাৰুৰূপে চলাই থাকিল। এনেতে ২০১৭ত হেড ছাৰৰ অৱসৰৰ সময় হ'ল। প্ৰতিষ্ঠা কালৰে পৰা এখন নদী আৰু চাৰিখন গাঁও অতিক্ৰমী আহি আমাৰ গাঁৱৰ বিদ্যালয়খনত প্ৰধান শিক্ষকৰ কাম কৰা ব্যক্তি প্ৰাণেশ্বৰ হাজৰিকাই বিনা বেতনে অৱসৰ গ্ৰহণ কৰিলে। বি এছ চি শিক্ষক পৰমেশ্বৰ কাকতিয়ে ২০১৯ত স্নায়ুৰ এক জটিল ৰোগত আক্ৰান্ত হৈ উন্নত চিকিৎসাৰ অভাৱত মৃত্যুবৰণ কৰে। ২০২০ৰ অক্টোবৰত অসমীয়াৰ কৃতি শিক্ষক শৰৎ মহন্তয়ো অৱসৰ গ্ৰহণ কৰে। ফলত বিদ্যালয়ৰ ষ্টাফত বাকী থাকিলগৈ দুজন শিক্ষক আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীজন। এনেতে ২০২০ ৰ শেষত চৰকাৰে নতুন আইনমতে ভেন্সাৰ শিক্ষকৰ পদ টিউটৰ হিচাপে প্ৰাদেশিকীকৰণ কৰাৰ সিদ্ধান্ত লয়। ২০২১ৰ আৰম্ভণিতে পদ প্ৰাদেশিকীকৃত হোৱা শিক্ষকসকলৰ তালিকা ওলায়। এই তালিকাত সমাজ অধ্যয়নৰ শিক্ষক ভূপেন হাজৰিকাৰ নাম আহিল যদিও হিন্দী শিক্ষয়িত্ৰী গিৰিজা কলিতা আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী কুলেন নাথৰ নাম নাহিল। কিন্তু সকলোকে আচৰিত কৰি এই তালিকাত নাম আহিল ইতিমধ্যে মৃত্যু হোৱা শিক্ষক পৰমেশ্বৰ কাকতিৰ আৰু বিনাবেতনে অৱসৰ গ্ৰহণ কৰা শিক্ষক শৰৎ মহন্তৰ।

নিশ্চয় পূৰ্বৰ চৰকাৰবোৰৰ কিছুমান ভুল নীতিৰ বাবেই অসমৰ এনে বহু সৎ নিৰ্দোষী, শিক্ষিত আৰু সমাজপ্ৰেমী লোকৰ পৰিয়াল দ্ৰৰিদ্ৰতাৰ কৰাল গ্ৰাসত পতিত হ'ব লগা হ'ল। তিনি দশক ধৰি শিক্ষাৰ পোহৰ বিলাই অহা এনে এখন শিক্ষানুষ্ঠানৰ শ্মশানমুখী যাত্ৰাই সমাজ সচেতন সকলো লোককে ব্যথিত কৰে।

অসীম মহন্ত (শিক্ষক)
বৰেৰী, দৰং
ফোন : ৮৬৩৮-২০৩৪৯৩

# মূল্যবৃদ্ধিৰ অসহনীয় বোজা



**আমাৰ** গাঁৰত সম্পৰ্কীয় ভিনদেউ এজন আছিল। তেওঁক বাইদেৱে যি যেনেকৈ ৰান্ধি দিছিল সেয়া তেওঁ টকালি খাইছিল। জিভাত বৰ সোৱাদ আছিল। কেতিয়াবা তৰকাৰীত নিমখ, জ্বলা চোকা হ'লে বা কম হ'লেও কোনো কথা নাছিল। কোনো দিন ভিনদেউৱে অভিযোগ কৰা নাছিল। এদিন মই বাইদেউক ক'লো আজি নিমখ নিদিয়াকৈ তৰকাৰী ৰান্ধি দিবিচোন, ভিনদেৱে খাবলৈ বহি কি কয়। সঁচাকৈ বাইদেউৱে নিমখ নোহোৱাকৈ ৰান্ধিলে আৰু ভিনদেৱে খোৱাৰ সময়ত মই উপস্থিত। সুধিলো ভিনদেউ তৰকাৰী কেনে হৈছে। ভিনদেউৱে কোনো কথাৰ অৱতাৰণা নকৰাকৈ ক'লে ভালেই হৈছে। খাব পাৰি। তেতিয়া কিন্তু এইজন ভিনদেউক লৈ হাঁহি-ধেমালি কৰিছিলো। আৰু ভাবিছিলো আজিৰ যুগতো তেনে মানুহ পোৱাটো বৰ টান। তেওঁ আছিল এজন নীৰৱ মানুহ। পৃথিৱীৰ খবৰ ৰখা নাছিল আৰু নিজৰ ঘৰত কি হৈছে সেয়াও তেওঁ খবৰ ৰখা নাছিল। তেওঁ মাত্ৰ জানিছিল নিজৰ কাম আৰু সময়ত এমুঠিমান খোৱা।

কথাটো আজি এই কাৰণেই মনত পৰিল যে বজাৰত বস্তুৰ জুই-ছাই দাম অথচ কোনো ধৰণৰ প্ৰতিবাদ নাই। যেন সকলো ঠিকেই আছে। ইয়াৰ পৰা এটা কথা ক'ব পাৰি যে আমাৰ আৰ্থিক অৱস্থা আগতকৈ উন্নত হৈছে। আমি লাহে লাহে ধনী মানুহৰ শাৰীত উপনীত হৈছো। সাধাৰণ জনতাৰ কথা ভাবিবৰ যেন ধনিক শ্ৰেণীৰ মানুহৰ সময় নাই। মিঠাতেলৰ পৰা আৰম্ভ কৰি গেছ, পেট্ৰ'ল, কেৰাচিন, ডিজেলৰ দাম দিনক দিনে উৰ্ধহাৰত গতি কৰিছে। আনকি খেতি পথাৰত ব্যৱহাৰ কৰা সাৰৰ দামো এতিয়া আকাশ ছুব। অথচ খেতিয়কসকলেও একেই আগৰ দৰে খেতি কৰি আছে। তাৰমানে তেওঁলোকেও এই বিষয়ত উপায়হীনভাৱে নীৰৱ। মূল্যবৃদ্ধি সন্দৰ্ভত অনেকেই টুলুঙা মন্তব্য কৰি মূল বিষয়ৰ পৰা ফালৰি কাটি থকা দেখা গৈছে। বিপদ সাধাৰণ শ্ৰমজীৱী, খাটিখোৱা আৰু মধ্যবিত্ত পৰিয়ালৰ। চৰকাৰে দুখীয়া মানুহক গেছ দিছে হয়; কিন্তু সেই গেছ শেষ হোৱাৰ পাছত দুনাই গেছ ভৰাব পৰা নাই। খালী চিলিণ্ডাৰটো পাকঘৰত মাত্ৰ শোভাৰৰ্ধন কৰি আছে। বজাৰত মোনাখন হাতত লৈ গ'লে হেজাৰবাৰ পকেটলৈ হাতখন যায়। ঘৰৰ পৰা বজাৰৰ লিষ্টখন চাই টকাৰ ফালে দৃষ্টি দিয়ে। টকাৰ জোখাৰে বজাৰ কৰিব পাৰিবনে এশবাৰ ভাবে। কোনোবাই এই বিষয়ত প্ৰতিবাদ কৰিলেও ৰজাঘৰে এইবিলাকত মন-কাণ নিদিয়ে। তেওঁলোকৰ ভাব— বজাৰত যেন একোৱেই হোৱা নাই। ৰজাঘৰৰ ফালে সাধাৰণ জনতাই চাই থাকে কিজানিবা কোনো বস্তুৰ দাম কমেই। বিশেষকৈ পৰিবহণৰ দাম বৃদ্ধি হোৱাৰ লগে লগে বস্তুৰ দাম অনায়াসে বাঢ়ি গৈছে। সুবিধা লৈছে এচাম দালাল ব্যৱসায়ীয়ে। তাৰ পাছতো এচামে কয় বস্তুৰ দাম ক'তো বঢ়া নাই। গণতান্ত্ৰিক দেশত ৰাইজে ৰজা যদিও চৰকাৰ গঠন হোৱাৰ পাছত চৰকাৰৰ বহুতো কৰণীয় থাকে। দুখীয়া মানুহক লৈ মাত্ৰ হিতাধিকাৰী সৃষ্টি কৰিলেই নহ'ব। তেওঁলোকৰ জীয়াই থকাৰ বাট চৰকাৰে তৈয়াৰ কৰিব পাৰিব লাগিব; কিন্তু বৰ্তমান যি দেখা গৈছে মূল্যবৃদ্ধি সন্দৰ্ভত ভিতৰি ভিতৰি সকলোৱে নাৰাজ, মাত্ৰ মুখ ফুটাই ক'ব পৰা নাই। ক'লেই যদি ৰজাঘৰে বেয়া পায়। গতিকে মূল্যবৃদ্ধিৰ লগত সকলোৱে সহাৱস্থান কৰি চলি আছে। ৰাজ্য এখনৰ উন্নতিৰ ৰেখাডাল নিৰ্ভৰ কৰে দুখীয়া মানুহখিনিৰ কিমান উন্নতি হ'ল। ধনিক শ্ৰেণীৰ মানুহ সদায় ধনী হৈয়েই থাকে। কাৰণ তেওঁলোকৰ উপাৰ্জনৰ বাট বহুত; কিন্তু দুখীয়া মানুহখিনিৰ কোনো নতুন উপাৰ্জন নাথাকে; যাৰ বাবে বজাৰত বস্তুৰ দাম বৃদ্ধিৰ লগে লগে তেওঁলোকৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰে হয়।

আব্দুল হালিম আহমেদ
লংকা, হোজাই
ফোন : ৮৬৩৮৯৪৬৬৪৮

## বিমানৰ ইন্ধনৰ মূল্য বৃদ্ধি, বাঢ়িব বিমানৰ টিকটৰ মূল্য



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৬ মে’ ঃ** দেশত বিমান ভ্ৰমণৰ ব্যয় বৃদ্ধি পাব। বিমানৰ ইন্ধনৰ মূল্য পুনৰ বৃদ্ধি পালে। বিমান ইন্ধনৰ মূল্য পুনৰ পাঁচ শতাংশ বৃদ্ধি পোৱাৰ ফলত চলিত বৰ্ষত দশম বাৰলৈ মূল্যবৃদ্ধি হ’ল। ইফালে, চি এন জিৰ মূল্যও প্ৰতি কিলোগ্ৰামত দুটকাকৈ বৃদ্ধি কৰা হৈছে। ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত চি এন জিৰ মূল্য ৭৩.৬১ টকালৈ প্ৰতি কিলোত বৃদ্ধি পালে। ইফালে, আজি বিমানৰ ইন্ধনৰ মূল্য প্ৰতি লিটাৰত ৬,১৮৮ টকালৈ বৃদ্ধি পালে। বিমান ইন্ধনৰ মূল্য যোৱা মাৰ্চত ১৮.৩ আৰু এপ্ৰিলত দুই শতাংশ বৃদ্ধি কৰা হৈছিল। ইন্ধনৰ মূল্য বৃদ্ধিৰ ফলত বিমানৰ টিকটৰ মূল্য বৃদ্ধি পোৱাটো নিশ্চিত হ’ল।

## দিল্লীত উত্তাপ বৃদ্ধিৰ অভিলেখ, ৫০ ডিগ্ৰী স্পৰ্শৰ দিশত পাৰাস্তম্ভ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৬ মে’ ঃ** প্ৰচণ্ড গৰমে অতিষ্ঠ কৰি তুলিছে দিল্লীবাসীক। তাপপ্ৰৱাহত থৰকাচুটি হেৰুৱাইছে ৰাজধানীৰ বাসিন্দাসকলে। যিকোনো মুহূৰ্ততে দিল্লীত পাৰাস্তম্ভই ৫০ ডিগ্ৰী চেলছিয়াছ স্পৰ্শ কৰিব পাৰিব। দেওবাৰে হাৰিয়ানা সীমান্তৰ লাগুৱা মুংগেশপুৰত সৰ্বোচ্চত তাপমাত্ৰা আছিল ৪৯.২ ডিগ্ৰী চেলছিয়াছ। ইফালে, গুৰগাঁৱত তাপমাত্ৰা আছিল ৪৮ ডিগ্ৰী চেলছিয়াছ। ১৯৬৬ বৰ্ষৰ পাছত মে’ত এয়ে প্ৰথমবাৰৰ বাবে অভিলেখ উত্তাপ বৃদ্ধিৰ সাক্ষী হ’ল দিল্লী। কালি নাজাফগড়ত ৪৯.১ ডিগ্ৰী, ছফদৰগঞ্জত ৪৫.৬ ডিগ্ৰী চেলছিয়াছলৈ তাপমাত্ৰা বৃদ্ধি পাইছিল। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা মতে, ৰাজধানী চহৰৰ তাপমাত্ৰা বৃদ্ধি অব্যাহত থকাৰ সম্ভাৱনা আছে। বৃষ্টিপাতৰ পৰিমাণ হ্ৰাস পোৱাৰ ফলত দিল্লীত উষ্ণতা অধিক বৃদ্ধি পাইছে বুলি বতৰ বিজ্ঞান বিভাগে জানিবলৈ দিয়ে।

## চাৰধাম তীৰ্থত অংশ লোৱা ৩৯ ভক্তৰ মৃত্যু



**নিউজ ব্যুৰ’, ডেৰাডুন, ১৬ মে’ ঃ** এইবাৰৰ চাৰধাম তীৰ্থযাত্ৰাত অংশ লোৱা তীৰ্থযাত্ৰীৰ ৩৯ জনৰ ইতিমধ্যে মৃত্যু হৈছে। উত্তৰাখণ্ডত গংগোত্ৰী, যমুনাত্ৰী, কেদাৰনাথ আৰু বদ্ৰিনাথ দৰ্শনৰ বাবে এইবাৰ বৰ্তমানলৈকে ১৩ লাখৰো অধিক তীৰ্থযাত্ৰীয়ে নাম পঞ্জীয়ন কৰিছে। কিন্তু তীৰ্থযাত্ৰা আৰম্ভ হোৱাৰ মাত্ৰ দুসপ্তাহৰ ভিতৰতে ৩৯ জন তীৰ্থযাত্ৰীয়ে প্ৰাণ হেৰুৱালে। চিকিৎসকৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি সৰহ সংখ্যক তীৰ্থযাত্ৰীৰ মৃত্যুৰ কাৰণ হৈছে হৃদযন্ত্ৰ বিকল, উচ্চ ৰক্তচাপ আৰু পৰ্বতাৰোহণৰ ফলত দেখা দিয়া অসুস্থতা। তদুপৰি মৃতকৰ মাজত কে’বাজনো তীৰ্থযাত্ৰীৰ পূৰ্বে কৰ’নাত সংক্ৰমিত হৈছিল।

## এইবাৰ কেলিফৰ্ণিয়াৰ গিৰ্জাত প্ৰৱেশ কৰি গুলিবৰ্ষণ বন্দুকধাৰীৰ, নিহত এজন



**নিউজ ব্যুৰ’, কেলিফৰ্ণিয়া, ১৬ মে’ ঃ** আমেৰিকাত নিউ য়ৰ্কৰ পাছত এইবাৰ বন্দুকধাৰীয়ে আক্ৰমণ সংঘটিত কৰিলে কেলিফৰ্ণিয়াই। দক্ষিণ কেলিফৰ্ণিয়াৰ এটা গিৰ্জাত প্ৰৱেশ কৰি বন্দুকধাৰীয়ে জধে-মধে গুলিবৰ্ষণ কৰে। এই ঘটনাত এজন লোকৰ মৃত্যু হোৱাৰ লগতে আন পাঁচজন লোক গুৰুতৰভাৱে আহত হৈছে। পাছত বন্দুকধাৰীক গিৰ্জাত থকা লোকসকলে আটক কৰে। বন্দুকধাৰীৰ পৰা আৰক্ষীয়ে এটা আগ্নেয়াস্ত্ৰ উদ্ধাৰ কৰিছে। কি কাৰণত এছিয় বংশোদ্ভূত বন্দুকধাৰীয়ে এই আক্ৰমণ সংঘটিত কৰিলে সেয়া এতিয়াও পোহৰলৈ অহা নাই। উল্লেখ্য যে যোৱা শনিবাৰে নিউ য়ৰ্কৰ এখন ছুপাৰ মাৰ্কেটত এজন ২৮ বছৰীয়া যুৱকে গুলিবৰ্ষণ কৰি ১০ জন লোকক হত্যা কৰিছিল।

## দেশত ক’ভিডৰ দৈনিক সংক্ৰমণ হ্ৰাস, বৃদ্ধি মৃত্যু



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৬ মে’ ঃ** দেশবাসীক সকাহ দি পুনৰ কিছু হ্ৰাস পালে ক’ভিডৰ সক্ৰিয় ৰোগীৰ সংখ্যা। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ২,২০২ জন লোক কৰ’নাত আক্ৰান্ত হ’ল। অৱশ্যে দৈনিক সংক্ৰমণ অৱনমিত হ’লেও দেশত বৃদ্ধি পালে কৰ’নাত মৃতকৰ সংখ্যা। যোৱা ২৪ ঘণ্টাত দেশত পুনৰ ২৭ জন লোকে কৰ’নাত প্ৰাণ হেৰুৱালে। বৰ্তমানে ভাৰতত ১৭,৩১৭ জন সক্ৰিয় ক’ভিড ৰোগী আছে। কৰ’নাৰ সমগ্ৰ পৰ্বটোত ভাৰতত মুঠ ৫,২৪,২৪১ জন লোকৰ মৃত্যু হ’ল। দেওবাৰে দিল্লীত নতুনকৈ ক’ভিডত আক্ৰান্ত হ’ল ৬১৩ জন লোক।

## ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ আগ্ৰাসী অভিযানক বাধা দিবলৈ কৌশল প্ৰস্তুত কৰিছে পশ্চিমৰ দেশসমূহে

# নাটোৰ সিদ্ধান্ত ঃ ছুইডেন-ফিনলেণ্ডে লাভ কৰিব ‘ফাষ্ট ট্ৰেক’ সদস্যপদ

**নিউজ ব্যুৰ’ কীভ, ১৬ মে’ ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত বিগত ৮০ দিনৰো অধিক সময় ধৰি যুদ্ধ অব্যাহত আছে। প্ৰায় তিনিমাহত ভৰি দিয়াৰ পাছতো এই যুদ্ধৰ সমাপ্তিৰ কোনো লক্ষণ প্ৰকট হোৱা নাই। এনে পৰিস্থিতিত পশ্চিমৰ দেশসমূহে ৰাছিয়াক বাধা দিবলৈ এক কৌশল প্ৰস্তুত কৰিছে। এই কৌশল অনুসৰি উত্তৰ আটলাণ্টিক চুক্তি সংস্থা (নাটো)ৰ পৰিসৰ অৰ্থাৎ সদস্যৰাষ্ট্ৰৰ সংখ্যা বৃদ্ধিৰ সিদ্ধান্ত লোৱা হৈছে। কালি নাটোৰ মুৰব্বী জেমছ ষ্টেলবৰ্গে প্ৰকাশ কৰা অনুসৰি ছুইডেন আৰু ফিনলেণ্ডক নাটোৱে ‘ফাষ্ট ট্ৰেক’ সদস্যপদ প্ৰদান কৰিব। ছুইডেন আৰু ফিনলেণ্ড নাটোৰ সদস্য হ’লে ৰাছিয়াৰ ওপৰত হেঁচা বৃদ্ধি পাব। মূলতঃ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ আগ্ৰাসী অভিযানক বাধা দান কৰিবলৈ নাটোৱে সদস্য ৰাষ্ট্ৰৰ সংখ্যা বৃদ্ধিৰ সিদ্ধান্ত ল’লে। ষ্টেলবৰ্গে কয় যে পুটিনে ইউক্ৰেইনৰ পৰাজয়



বিচাৰিছে আৰু একে সময়তে নাটোক হেয় প্ৰমাণিত কৰিব বিচাৰিছে। কিন্তু ইয়াৰ পাছতো ইউক্ৰেইনে নিজৰ অস্তিত্ব বৰ্তাই ৰাখিছে আৰু নাটোও পূৰ্বতকৈ শক্তিশালী হোৱা বুলি ষ্টেলবৰ্গে দাবী কৰে। নাটোৰ মুৰব্বীজনে লগতে কয় যে ইউৰোপ আৰু উত্তৰ আমেৰিকা শক্তিশালীভাৱে একত্ৰিত হৈ আছে। উল্লেখ্য যে ফিনলেণ্ড আৰু ছুইডেনে নাটোৰ সদস্যপদৰ বাবে আবেদন কৰাৰ সিদ্ধান্ত ইতিমধ্যে গ্ৰহণ কৰিছে। ছুইডেন আৰু ফিনলেণ্ডক নাটোৰ সদস্যভুক্ত নহ’বলৈ ধমক দি পুটিনে কৈছে যে এই দুই ৰাষ্ট্ৰই নাটোত যোগদান কৰিলে ৰাছিয়াৰ স’তে দ্বিপাক্ষিক সম্পৰ্কৰ অৱসান ঘটাটো নিশ্চিত।

## কেৰালাত টুৱেণ্টি-২০ৰে মৰ্চা গঠন কৰিলে আপে



**নিউজ ব্যুৰ’, কোচি, ১৬ মে’ ঃ** কেৰালাত নিজৰ দলৰ ভেটি শক্তিশালী কৰিবলৈ দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে ৰাজনৈতিক দল টুৱেণ্টি-২০ৰ স’তে মৰ্চা গঠন কৰি পিপল’ছ ৱেলফেয়াৰ এলায়েন্স (পি ডব্লিউ এ) গঠন কৰিলে। মৰ্চা গঠনৰ অনুষ্ঠানত অংশ লৈ কেজৰিৱালে কেৰালাৰ প্ৰধান ৰাজনৈতিক দলক আক্ৰমণ কৰি কয় যে এইসমূহ দলে ৰাজ্যখনত যুৱপ্ৰজন্মক সংস্থাপন প্ৰদান কৰিবলৈ ব্যৰ্থ হৈছে। কেজৰিৱালে কয় যে আপে দিল্লী আৰু পঞ্জাৱত ক্ষমতা দখল কৰাৰ দৰে কেৰালাতো আগন্তুক নিৰ্বাচনত বিজয় সাব্যস্ত কৰি চমক দিব। আপৰ সদস্যসকল কোনো শক্তিশালী ৰাজনৈতিক নেতা নহয়, বৰঞ্চ সাধাৰণ পুৰুষ আৰু মহিলা বুলি দাবী কৰি কেজৰিৱালে কয় যে দিল্লীৰ নিৰ্বাচনত সাধাৰণ গৃহিণীয়ে চাৰিবাৰকৈ বিধায়ক নিৰ্বাচিত হোৱা ৰাজনীতিকক পৰাভূত কৰিছিল। পঞ্জাৱত পূৰ্বে ম’বাইল মেৰামতিকাৰক হিচাপে কাম কৰা চৰণজিত সিং আপৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনত জয়লাভ কৰি মুখ্যমন্ত্ৰী হোৱাৰ উদাহৰণো কেজৰিৱালে দাঙি ধৰি কয় যে এতিয়া কেৰালাতো ৰাজনৈতিক পৰিৱৰ্তন সাধনৰ সময় উপস্থিত হৈছে।

## এইবাৰ দেশৰ ‘চিমেণ্ট কিং’ হ’ব আদানী, ১০.৫ বিলিয়ন ডলাৰত ক্ৰয় অম্বুজা-এচিচি




**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৬ মে’ ঃ** আদানী গ্ৰুপে ছুইজাৰলেণ্ডৰ হলিছম গ্ৰুপৰ পৰা ১০.৫ বিলিয়ন ডলাৰ অৰ্থাৎ ভাৰতীয় মুদ্ৰা ৮১,০০০ কোটি টকাত ভাৰতত থকা চিমেণ্টৰ ব্যৱসায় ক্ৰয় কৰিলে। হলিছম গ্ৰুপৰ ভাৰতত দুটাকৈ বৃহৎ চিমেণ্ট কোম্পানীত শ্বেয়াৰ আছিল। অম্বুজা চিমেণ্টৰ ৬৩.১৯ শতাংশ আৰু এচিচি চিমেণ্টত ৫০.০৫ শতাংশ শ্বেয়াৰৰ গৰাকী হলিছম গ্ৰুপৰ পৰা উক্ত অংশীদাৰিত্ব ক্ৰয় কৰিলে আদানী গ্ৰুপে। এই ব্যৱসায়িক লেনদেনৰ ফলত এতিয়াৰে পৰা অম্বুজা আৰু এচিচি চিমেণ্টৰ মালিকানা আদানী গ্ৰুপে লাভ কৰিব। ১০.৫ বিলিয়ন ডলাৰৰ বিনিময়ত অম্বুজা আৰু এচিচি চিমেণ্ট ক্ৰয়ৰ জৰিয়তে গৌতম আদানী এইবাৰ ভাৰতৰ ‘চিমেণ্ট কিং’ হিচাপে পৰিচিত হ’ব।

## লুম্বিনীত মোদীয়ে ক’লে ‘নেপাল অবিহনে ভগৱান শ্ৰীৰাম অসম্পূৰ্ণ’



**নিউজ ব্যুৰ’, কাঠমাণ্ডু, ১৬ মে’ ঃ** বুদ্ধ পূৰ্ণিমাৰ দিনাই ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভ্ৰমণাৰ্থে নেপালত উপস্থিত হ’ল। আজি পুৱা মোদীয়ে ভগৱান বুদ্ধৰ জন্মস্থান লুম্বিনীত উপস্থিত হৈ মায়াদেৱী মন্দিৰত পূজা অৰ্চনা কৰে। মোদীয়ে উপস্থিত লোকসকলক সম্বোধন কৰি কয়, ‘আজি ভগৱান বুদ্ধৰ জন্মস্থান লুম্বিনীলৈ অহাৰ সৌভাগ্য হ’ল। য’ত ভগৱানে জন্ম লৈছিল, সেই স্থানলৈ আহি এক বেলেগ শক্তি অনুভূত হয়। পশুপতিনাথজীয়ে হওক, জনকপুৰধামে হওক বা লুম্বিনী— যেতিয়াই নেপাললৈ আহো এইখন দেশে মোক আধ্যাত্মিক আশীৰ্বাদ দিয়ে।’ মোদীয়ে লগতে কয় যে নেপাল অবিহনে ভগৱান ৰাম সম্পূৰ্ণ নহয়। ভাৰতত ৰাম মন্দিৰৰ নিৰ্মাণ আৰম্ভ হোৱাত নেপালবাসীয়েও সমানে আনন্দ লাভ কৰিব পাৰিছে বুলি মোদীয়ে মন্তব্য কৰে। ভাষণ প্ৰসংগত ভাৰতৰ প্ৰধানমন্ত্ৰীজনে এইদৰে কয়, ‘বুদ্ধই কেৱল উপদেশ দিয়া নাছিল, বৰঞ্চ জ্ঞানৰ অনুভূতি প্ৰদান কৰিছিল। বুদ্ধই এই কথা অনুভৱ কৰাইছিল যে প্ৰাপ্তিতকৈ অধিক মহত্ত্বপূৰ্ণ হৈছে ত্যাগ।’




## কৰ্ণাটকৰ পাঠ্যপুথিত আৰ এছ এছ প্ৰতিষ্ঠাপকৰ ভাষণৰ অন্তৰ্ভুক্তিক লৈ বিতৰ্ক

**নিউজ ব্যুৰ’ বাংগালুৰু, ১৬ মে’ ঃ** পুনৰ শিক্ষাখণ্ডক গেৰুৱাকৰণৰ অভিযোগ উত্থাপিত হ’ল বিজেপিৰ বিৰুদ্ধে। চৰকাৰী সূত্ৰৰ তথ্য অনুসৰি বিজেপি শাসিত কৰ্ণাটকৰ বিদ্যালয়ৰ পাঠ্যক্ৰমত এতিয়াৰে পৰা ছাত্ৰ-ছাত্ৰীয়ে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰ এছ এছ)ৰ প্ৰতিষ্ঠাপক কেশৱ বলিৰাম হেড়গেৱাৰৰ এটি ভাষণ পাঠ হিচাপে অধ্যয়ন কৰিব লাগিব। দশম শ্ৰেণীৰ পাঠ্যপুথিত আৰ এছ এছ প্ৰতিষ্ঠাপকৰ এই ভাষণ অন্তৰ্ভুক্ত কৰা হৈছে। দশম শ্ৰেণীৰ প্ৰথম ভাষা বিভাগ (কন্নড়)ত এই অন্তৰ্ভুক্তি কৰা হৈছে। আৰ এছ এছ প্ৰতিষ্ঠাপকৰ ভাষণ এইদৰে বিদ্যালয়ৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰাক লৈ ৰাজ্যখনত বিতৰ্কৰ সৃষ্টি হৈছে।

## ৰুছ অৰ্বুদপতিৰ দাবীক লৈ চাঞ্চল্য ঃ ৰক্ত কৰ্কটত আক্ৰান্ত পুটিন?

**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ১৬ মে’ ঃ** ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন ৰক্ত কৰ্কটত আক্ৰান্ত হৈছে নেকি? দুটা সূত্ৰৰ উদ্ধৃতিৰে আন্তৰ্জাতিক সংবাদ মাধ্যমে দাবী কৰা অনুসৰি ৰাছিয়াৰ ৰাষ্ট্ৰপতি সম্প্ৰতি গুৰুতৰভাৱে অসুস্থ। ক্ৰিষ্টফাৰ ষ্টিল নামৰ এজন প্ৰাক্তন ব্ৰিটিছ চোৰাংচোৱাই ‘স্কাই নিউজ’ৰ আগত এইদৰে কয়, ‘ৰাছিয়া আৰু বিভিন্ন সূত্ৰৰ পৰা যি খবৰ লাভ কৰা হৈছে সেই অনুসৰি এইটো নিশ্চিত যে পুটিন গুৰুতৰভাৱে অসুস্থ।’ পুটিন ঘনিষ্ঠ আন এজন ৰুছ ধনকুবেৰে স্বীকাৰ কৰা অনুসৰি পুটিন ৰক্ত কৰ্কটত আক্ৰান্ত হৈছে। উক্ত ৰুছ ধনকুবেৰৰ কথোপকথনৰ এক ভিডিঅ’ ক্লিপ সম্প্ৰতি সামাজিক মাধ্যমত ভাইৰেল হৈছে। অজ্ঞাত পৰিচয় উক্ত ৰুছ ধনকুবেৰে পশ্চিম বিশ্বৰ এজন ব্যৱসায়ীৰ স’তে পুটিনৰ স্বাস্থ্যৰ সন্দৰ্ভত বাৰ্তালাপ কৰিছিল। এই বাৰ্তালাপতে ৰুছ অৰ্বুদপতিজনে দাবী কৰা অনুসৰি ইউক্ৰেইন আক্ৰমণৰ নিৰ্দেশ দিয়াৰ পূৰ্বে ৰক্ত কৰ্কটৰ চিকিৎসাৰ বাবে পুটিনৰ পিঠিত এক অস্ত্ৰোপচাৰ কৰা হৈছিল। উল্লেখ্য যে শেহতীয়াভাৱে পুটিনৰ স্বাস্থ্যক লৈ একাধিক বাতৰি আন্তৰ্জাতিক সংবাদ মাধ্যমত প্ৰকাশ পাই আহিছে। মস্কোৱে অৱশ্যে পুটিনৰ স্বাস্থ্যৰ সন্দৰ্ভত বৰ্তমানলৈকে কোনো কথা প্ৰকাশ কৰা নাই।





## ছাংঘাইত সংক্ৰমণ নিয়ন্ত্ৰিত হ’লেও বাহাল থাকিব কঠোৰ তলাবন্ধ

**নিউজ ব্যুৰ’ ছাংঘাই, ১৬ মে’ ঃ** চীনৰ সবাতোকৈ বৃহৎ চহৰ তথা আন্তৰ্জাতিক ব্যৱসায়িক কেন্দ্ৰ ছাংঘাইত কৰ’নাৰ সংক্ৰমণ সম্প্ৰতি নিয়ন্ত্ৰিত হৈছে। চহৰখনৰ কে’বাটাও অঞ্চলত ক’ভিডৰ দৈনিক সংক্ৰমণ হ্ৰাস পাইছে। কিন্তু সংক্ৰমণ হ্ৰাসৰ পাছতো ছাংঘাইত কমেও ১০ লাখ বাসিন্দাই ঘৰতে আবদ্ধ থাকিব লগীয়া হৈছে। প্ৰশাসনে তলাবন্ধ বাহাল থাকিব বুলি ইতিমধ্যে ঘোষণা কৰিছে। ‘ক’ভিড শূন্য’ নীতিৰ জৰিয়তে প্ৰশাসনে কৰ’না নিয়ন্ত্ৰণৰ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ছাংঘাইৰ উপ-মেয়ৰ জংগ মিংগই আজি প্ৰকাশ কৰা অনুসৰি ছাংঘাইৰ ১৬ খন জিলাৰ ভিতৰত ১৫ খন জিলা সম্প্ৰতি ক’ভিডমুক্ত হৈছে। বিগত ২৪ ঘণ্টাত চীনত ১,১৫৯ জন লোক কৰ’নাত নতুনকৈ সংক্ৰমিত হ’ল। অৱশ্যে আক্ৰান্তসকলৰ সৰহ সংখ্যকৰ শৰীৰত ক’ভিডৰ উপসৰ্গ নাই। ৰাজধানী বেইজিঙত ৫৪ জন লোক কৰ’নাত আক্ৰান্ত হ’ল।

## গুজৰাটত পুৰুষতকৈও অধিক ধন উপাৰ্জন কৰে মহিলাই ঃ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষাৰ তথ্য



**নিউজ ব্যুৰ’, আহমেদাবাদ, ১৬ মে’ ঃ** ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষা-৫ (এন এফ এইচ এছ-৫)ৰ তথ্য অনুসৰি গুজৰাটত দেশৰ ভিতৰত সৰ্বাধিক সংখ্যক মহিলাই পুৰুষতকৈ অধিক অথবা সম পৰিমাণৰ ধন উপাৰ্জন কৰি আহিছে। দেশৰ ৰাজ্যসমূহৰ ভিতৰত উক্ত সমীক্ষাত অংশ লোৱা গুজৰাটৰ অধিক সংখ্যক মহিলাই প্ৰকাশ কৰা অনুসৰি তেওঁলোকে স্বামীৰ সমপৰিমাণৰ অথবা অধিক ধন উপাৰ্জন কৰে। ৰাষ্ট্ৰীয় পৰ্যায়ত দেশৰ ৩৯.৯ শতাংশ মহিলাই এই সমীক্ষাত প্ৰকাশ কৰা মতে, তেওঁলোকে স্বামীৰ সমান অথবা ততোধিক ধন উপাৰ্জন কৰে। আনহাতে, গুজৰাটৰ ৫৩.২ শতাংশ মহিলাই সমীক্ষাটোত দাবী কৰা অনুসৰি তেওঁলোকে স্বামীৰ সমপৰিমাণৰ ধন উপাৰ্জন কৰি আহিছে। ২০১৫-১৬ত সম্পন্ন কৰা এন এফ এইচ এছ-৪ সমীক্ষাত গুজৰাটৰ ৪৩.৫ শতাংশ মহিলাই স্বামীৰ সমানে ধন উপাৰ্জন কৰা বুলি তথ্য প্ৰকাশ কৰিছিল। উল্লেখ্য যে ২০১৯ত সম্পূৰ্ণ কৰা এন এফ এইচ এছৰ সমীক্ষাত গুজৰাটৰ ২৯,৩৬৮ টা পৰিয়ালক সামৰি লোৱা হৈছিল। এই সমূহৰ পৰিয়ালৰ ৩৩,৩৪৩ গৰাকী মহিলা উত্তৰদাতাই সমীক্ষাত অংশ লৈছিল। সমীক্ষাত অংশ লোৱা মহিলাৰ ৩৮.২ শতাংশই জীৱিকাৰ স’তে জড়িত বুলি কৈছিল। ৭৮.৬ শতাংশই প্ৰকাশ কৰা অনুসৰি কামৰ বিনিময়ত ধন লাভ কৰিছিল আৰু বাকীসকলে প্ৰকাশ কৰা অনুসৰি তেওঁলোকে পাৰিশ্ৰমিক হিচাপে সামগ্ৰী লাভ কৰিছিল। গুজৰাটৰ মহিলাসকলে পুৰুষৰ সমানে সৰ্বাধিক ধন উপাৰ্জন কৰাৰ বিপৰীতে চণ্ডীগড়ৰ ৫২.৭ শতাংশ, চত্তিছগড়ৰ ৪৭.৬ শতাংশ আৰু অৰুণাচল প্ৰদেশৰ ৪৭ শতাংশ মহিলাই এই সমীক্ষাত প্ৰকাশ কৰা অনুসৰি তেওঁলোকে স্বামীৰ সমানে ধন উপাৰ্জন কৰি আহিছে।

## বুলড’জাৰে সমস্যাৰ সমাধান নকৰে ঃ বিজেপিক সমালোচনা কেজৰিৱালৰ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৬ মে’ ঃ** দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে আজি বিজেপিক কঠোৰভাৱে সমালোচনা কৰিলে। দিল্লীত বিজেপিয়ে অবৈধ নিৰ্মাণ আৰু বেদখলৰ বিৰুদ্ধে বুলড’জাৰ চলাই অভিযান আৰম্ভ কৰাৰ প্ৰসংগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কেজৰিৱালে কয় যে বুলড’জাৰৰ জৰিয়তে কোনো সমস্যাৰ কেতিয়াও সমাধান হ’ব নোৱাৰে। দাদাগিৰিৰ কোনো প্ৰয়োজন নাই বুলিও মুখ্যমন্ত্ৰীজনে বিজেপিক আজি কটাক্ষ কৰিলে। কেজৰিৱালে অভিযোগ কৰি কয় যে দিল্লীত ৬৩ লাখৰো অধিক লোকৰ ঘৰ, দোকানত বিজেপিয়ে বুলড’জাৰ চলাই ধ্বংস কৰিব বিচাৰিছে। এক বিবৃতিত কেজৰিৱালে কয়, ‘বিগত ৭৫ বছৰত দিল্লীত পৰিকল্পিতভাৱে নিৰ্মাণ কৰা হোৱা নাছিল। দিল্লীৰ ৮০ শতাংশৰো অধিক অঞ্চল অবৈধ নিৰ্মাণ বা বেদখলৰ শ্ৰেণীত পৰিব। এতিয়া প্ৰশ্ন হ’ল দিল্লীৰ এই ৮০ শতাংশ অঞ্চল ভাঙি পেলোৱা হ’ব নেকি? বুলড’জাৰ চলোৱা সঠিক সিদ্ধান্ত নহয়। দাদাগিৰি, গুণ্ডাগিৰি কৰাটো ঠিক নহ’ব। নিজৰ শক্তিৰ অপপ্ৰয়োগ কৰাটো অনুচিত।’ কেজৰিৱালে এইদৰে আজি অবৈধ নিৰ্মাণ আৰু বেদখলৰ বিৰুদ্ধে এম চি ডিয়ে দিল্লীত আৰম্ভ কৰা বুলড’জাৰ অভিযানৰ বিৰোধিতা কৰে।

## ৫০ ৰোগীৰ মৃত্যুৰ পাছত ক’ভিড নিয়ন্ত্ৰণৰ বাবে তৎপৰ কীম

**নিউজ ব্যুৰ’ পিয়ংইয়ং, ১৬ মে’ ঃ** উত্তৰ কোৰিয়াৰ কৰ’নাৰ সংক্ৰমণ বৃদ্ধিৰ বাবে দেশখনৰ কমিউনিষ্ট শাসক কীম জং উনে তেওঁৰ কেবিনেট আৰু উচ্চপদস্থ বিষয়াসকলক জগৰীয়া কৰিলে। কালি কেবিনেটৰ সদস্য আৰু শীৰ্ষ বিষয়াৰ স’তে এখন বৈঠকত অংশ লোৱাৰ সময়তে কীমে স্বাস্থ্য বিভাগৰ লগতে সেনাক তৎকালীনভাৱে দেশজুৰি প্ৰয়োজনীয় ক’ভিড প্ৰতিৰোধী দৰৱৰ সৰবৰাহ কৰিবলৈ নিৰ্দেশ দিয়ে। উত্তৰ কোৰিয়াত সম্প্ৰতি কমেও ১২ লাখ লোক ক’ভিড সদৃশ জ্বৰত আক্ৰান্ত হৈছে। ইতিমধ্যে ৫০ জন ৰোগীৰ মৃত্যুও হৈছে। ইয়াৰ পাছতে কীমে ক’ভিড প্ৰতিৰোধৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ল’বলৈ সেনা আৰু শীৰ্ষ বিষয়াক নিৰ্দেশ দিলে। ৰাজধানী পিয়ংইয়ং আৰু দেশৰ অন্যান্য অঞ্চলত দৰৱৰ বিতৰণ প্ৰক্ৰিয়া দ্ৰুত কৰিবলৈ কীমে নিৰ্দেশ দিছে। ইফালে, প্ৰশাসনে দাবী কৰা অনুসৰি উত্তৰ কোৰিয়াত কৰ’নাৰ ফলত কোনো লোকৰ মৃত্যু হোৱা নাই, জ্বৰত আক্ৰান্ত হৈহে এইসকল লোকে প্ৰাণ হেৰুৱালে। কীমে পূৰ্বে



কৰ’নাৰ সংক্ৰমণত অতি লঘুভাৱে গ্ৰহণ কৰিছিল আৰু দেশখনত ক’ভিডৰ প্ৰতিষেধক প্ৰদানৰ বাবে অনুমতি দিয়া নাছিল। কিন্তু শেহতীয়াভাৱে ৫০ জন লোকৰ ক’ভিড সদৃশ ৰোগত মৃত্যু হোৱা কমিউনিষ্ট শাসকজনে নিজে মাস্ক পৰিধান কৰাৰ লগতে ক’ভিড নিয়ন্ত্ৰণৰ ক্ষেত্ৰত তৎপৰতা প্ৰদৰ্শন কৰিছে।

## শত্ৰুতা পাহৰি মিত্ৰতা, কৰ’না আক্ৰান্ত উত্তৰ কোৰিয়াক সাহায্যৰ বাৰ্তা দক্ষিণ কোৰিয়াৰ



**নিউজ ব্যুৰ’, ছিউল, ১৬ মে’ ঃ** উত্তৰ কোৰিয়াত সম্প্ৰতি কৰ’নাৰ সংক্ৰমণ যথেষ্ট বৃদ্ধি পাইছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি শত্ৰুতা পাহৰি কীম জং উনৰ দেশখনত সাহায্যৰ প্ৰস্তাৱ আগবঢ়ালে প্ৰতিবেশী দক্ষিণ কোৰিয়াই। দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি ইউন ছুক-ইউলে আজি কয় যে ক’ভিড পৰিস্থিতিত উত্তৰ কোৰিয়াত প্ৰয়োজনীয় সাহায্য আগবঢ়াবলৈ সাজু আছে দক্ষিণ কোৰিয়া। দক্ষিণ কোৰিয়াই কৰ’না পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰ কোৰিয়াত দৰৱ আৰু চিকিৎসাৰ সৰঞ্জাম দিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। অৱশ্যে দক্ষিণ কোৰিয়াৰ এই সাহায্যৰ প্ৰস্তাৱ এতিয়াও উত্তৰ কোৰিয়াই স্বীকাৰ কৰা নাই। বছৰৰ পাছত বছৰ ধৰি দুই কোৰিয়াৰ মাজত সংঘাত অব্যাহত আছে যদিও ক’ভিড পৰিস্থিতিয়ে দক্ষিণ কোৰিয়াক শত্ৰুতা পাহৰিবলৈ বাধ্য কৰিলে। দুৰ্দিনত কীমৰ দেশলৈ মানৱিক সাহায্যৰ হাত আগবঢ়ালে দক্ষিণ কোৰিয়াই।

## কাশ্মীৰ ত্যাগ কৰক, নহ’লে মৰিব লাগিব, কাশ্মীৰী পণ্ডিতক ধমক লস্কৰ-ই-ইছলামৰ

**নিউজ ব্যুৰ’, শ্ৰীনগৰ, ১৬ মে’ ঃ** যোৱা সপ্তাহত এজন কাশ্মীৰী পণ্ডিতক সন্ত্ৰাসবাদীয়ে গুলিয়াই হত্যা কৰাৰ পাছত এইবাৰ কাশ্মীৰ পণ্ডিতক কাশ্মীৰ ত্যাগৰ বাবে ধমক দি পত্ৰ প্ৰকাশ কৰিলে এটা সন্ত্ৰাসবাদী সংগঠনে। লস্কৰ-ই-ইছলাম নামৰ সন্ত্ৰাসবাদী সংগঠনটোৱে পত্ৰযোগে কাশ্মীৰী পণ্ডিতক কাশ্মীৰ ত্যাগ কৰিবলৈ নিৰ্দেশ দি এইদৰে কয়, ‘সকলো শৰণাৰ্থী আৰু আৰ এছ এছৰ এজেণ্টে কাশ্মীৰ ত্যাগ কৰক, অন্যথা মৃত্যু হ’ব। কাশ্মীৰী পণ্ডিতেও ৰেহাই লাভ নকৰিব। নিজৰ নিৰাপত্তা দ্বিগুণ, তিনিগুণ কৰিলেও মৰিব লাগিব।’ এই পত্ৰ ৰাজহুৱা হোৱাৰ পাছতে ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে কাশ্মীৰী উপত্যকাত। প্ৰকাশিত বাতৰি অনুসৰি পুলৱামাৰ শৰণাৰ্থী কল’নিৰ সভাপতিৰ উদ্দেশে এই পত্ৰখন লিখা হৈছিল। লস্কৰ-ই-ইছলামে স্পষ্টভাৱে পত্ৰত ধমক দি কয় যে কাশ্মীৰী পণ্ডিতে কাশ্মীৰত ইজৰাইল গঠন কৰিব বিচাৰিছে, মুছলমানক হত্যা কৰিব বিচাৰিছে; সেয়েহে তেওঁলোকক হত্যা কৰা হ’ব।



# আমগুৰিত ৰক্তদান সজাগতা শিবিৰ সম্পন্ন

## ■ আমগুৰি, ম'ৰাবজাৰ, পুলিবৰত ৩০ গৰাকীয়ে কৰিলে ৰক্তদান

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ১৬ মে' ঃ** মহিলা সজাগতা আৰু গ্ৰামোন্নয়ন সংস্থা, জ্যোৰ্তিময় সমাজ অসম আৰু ওৱাৰিছ'ৰ ব্লাড ডনাৰ্ছ অসম শিৱসাগৰ জিলাৰ উদ্যোগত, আমগুৰি-গৌৰীসাগৰ আঞ্চলিকৰ সহযোগত আৰু শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ চিকিৎসক, চিকিৎসা কৰ্মী আৰু ম'ৰাবজাৰ খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ সহায়ত ১০৩২ নম্বৰ পুলিবৰ গদাপাণি প্ৰাথমিক বিদ্যালয়ত ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। ৰক্তদান কাৰ্যসূচীত প্ৰায় ৩০ জনৰো অধিক পুৰুষ-মহিলাই ৰক্তদান কৰে বুলি শিৱসাগৰ জিলাৰ ৰক্ত প্ৰশাসক আলফ্ৰেড ৰহমানে জনাইছে। ৰক্তদান কাৰ্যসূচীৰ সমান্তৰাললৈ এখন সজাগতা সভাও অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে ওৱাৰিছৰ পতাকা উত্তোলন কৰে ৰাজ্যিক উপাধ্যক্ষা ৰশ্মি কোঁৱৰে। উদ্বোধনী কাৰ্যসূচীৰ আঁত ধৰে গৌৰীসাগৰ আঞ্চলিকৰ সভানেত্ৰী ৰঞ্জুমণি বড়া আৰু আমগুৰি আঞ্চলিকৰ সভানেত্ৰী মমী বড়াই। মুখ্য ৰক্তা প্ৰশাসক মৃণাল শইকীয়া, আলফ্ৰেদ ৰহমান, চাদিকুল ইছলাম, মৌচুমী নেওগ হাজৰিকা, গায়ত্ৰী গগৈৰ সহযোগত ৰক্তদান শিবিৰ উদ্বোধন কৰে। বন্তি প্ৰজ্বলন কৰে শিৱসাগৰ জিলাৰ উপদেষ্টা প্ৰাঞ্জল দত্ত আৰু প্ৰতিম বুঢ়াগোহাঁয়ে। এই অনুষ্ঠানত পৌৰোহিত্য কৰে শিৱসাগৰ জিলাৰ উপ-সভাপতি পৱিত্ৰ ফুকনে। মুখ্য অতিথিৰ আসন অলংকৃত কৰে ক্ৰমে ৰাজ্যিক উপাধ্যক্ষা ৰশ্মি কোঁৱৰ আৰু মুখ্য ৰক্ত প্ৰশাসক মৃণাল শইকীয়াই। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে চৰাইদেউ জিলাৰ বক্ত প্ৰশাসিকা ৰিজুমণি কোঁৱৰ, গোলাঘাট জিলাৰ সহ-সম্পাদক উজ্জ্বল দত্ত, সহ-বিত্ত সম্পাদক প্ৰতীম দলে, দেৰগাঁও আঞ্চলিকৰ পম্পী নেওগ, শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ চিকিৎসক ডাঃ দ্বিজেন কোচ, ডাঃ ছবিন কলিতা আৰু বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মঞ্জুলা তামুলীয়ে। উক্ত অনুষ্ঠানত সদস্যসকলৰ উপৰি গাঁৱৰ বহুতো পুৰুষ-মহিলা উপস্থিত থাকে। অনুষ্ঠানত উপাধ্যক্ষ ৰশ্মি কোঁৱৰে অধ্যক্ষ উৎপল শিৱমক কৃতজ্ঞতা জ্ঞাপন কৰি সতীৰ্থসকলে প্ৰতিখন জিলাত ৰক্ত দানকে মুখ্য কৰি বিভিন্ন কাৰ্যত নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই আৰ্তজনক সহায় কৰাৰ বিস্তৃত বৰ্ণনা দাঙি ধৰে। বিশিষ্ট অতিথি মৃণাল শইকীয়া, ৰিজুমণি কোঁৱৰ, চিকিৎসক ডাঃ দিজেন কোচ আৰু ডাঃ চবিন কলিতাই ৰক্তদানৰ সুফল সম্পৰ্কে ৰাইজক সুন্দৰকৈ বুজাই দিয়ে। প্ৰতি তিনিমাহৰ মূৰে মূৰে এজন সুস্থ ব্যক্তিয়ে ৰক্তদান কৰি আন এজন অসুস্থ ৰোগীৰ জীৱন বচোৱাৰ লগতে কিদৰে নিজেও নিৰোগী হ'ব পাৰি সেই বিষয়ে বিস্তৃত ব্যাখ্যা দাঙি ধৰে। অনুষ্ঠানত কণ কণ ছাত্ৰ-ছাত্ৰীসকলে পৰিবেশন কৰা গীত-নৃত্যই অনুষ্ঠানটোৰ এক সুকীয়া মাত্ৰা প্ৰদান কৰে।

# আমতলা নিউ পায়োনিয়াৰ ক্লাব-বিআৰএফৰ উদ্যোগত বিনামূলীয়া চকু চিকিৎসা শিবিৰ

**ছয়গাঁও, ১৬ মে' ঃ** কামৰূপ জিলাৰ পলাশবাৰী সমষ্টিৰ অন্যতম জনবসতিপূৰ্ণ গাঁও আমতলাত যোৱা ১৪ মে'ত বিনামূলীয়া চকু চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। আমতলা নিউ পায়োনিয়াৰ ক্লাব আৰু বিআৰএফৰ উদ্যোগত এএছজিআই কেয়াৰ হাস্পতালৰ সহযোগত অনুষ্ঠিত এই চিকিৎসা শিবিৰটোত প্ৰায় দুশৰো অধিক চকুৰ ৰোগীক পৰীক্ষা কৰা হয়। ইয়াৰ পূৰ্বে আয়োজন কৰা সভাৰ পৰিচালনা কৰে বিআৰএফৰ সভাপতি ভৃগু কলিতাই। সভাত ভাষণ প্ৰদান কৰে আমতলা গাঁৱৰ উন্নয়ন সমিতিৰ সভাপতি অৱনী কাকতি, প্ৰাক্তন সভাপতি জয়চৰণ দাস, নিউ পায়োনিয়াৰ ক্লাবৰ সভাপতি সৰ্বেশ্বৰ দাস, সম্পাদক শংকৰ দাস, সাংবাদিক বিশ্বজিৎ দাস, চিকিৎসক আশীষ সিং, সুশান্ত বৰুৱা প্ৰমুখ্যে ভালেমান ব্যক্তি। পুৱা ১১ বজাৰ পৰা আবেলি তিনি বজালৈ ৰোগীসকলক চিকিৎসা প্ৰদান কৰা হয়।

# পশ্চিম নলবাৰী লেখিকা সমাৰোহৰ দ্বি-বাৰ্ষিক অধিবেশনৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**চামতা, ১৬ মে' ঃ** পশ্চিম নলবাৰী লেখিকা সমাৰোহ সমিতিৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিবেশন যোৱা ১৪ মে'ত চামতাস্থিত পশ্চিম নলবাৰী প্ৰেছ ক্লাবত অনুষ্ঠিত হয়। এই উপলক্ষে বিয়লি পশ্চিম নলবাৰী লেখিকা সমাৰোহৰ সভানেত্ৰী তথা কৃতী শিক্ষকৰ ৰাষ্ট্ৰীয় বঁটাপ্ৰাপক নীহাৰিকা গোস্বামীৰ সভাপতিত্বত সম্পন্ন হোৱা মুকলি সভাত বিশিষ্ট লেখিকা তথা চামতাৰ কামৰূপ মহাবিদ্যালয়ৰ অধ্যাপিকা ড° কবিতা চৌধুৰী, প্ৰবীণ লেখিকা সুনীতি দেৱী, মৰমী শৰ্মা, কমলা ডেকা প্ৰমুখ্যে কে'বাগৰাকী বিশিষ্টা মহিলাই আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে। পশ্চিম নলবাৰী লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা নিবেদিতা ডিম্পলে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা সভাত ৰুবী দেৱীক সভাপতি, জুনু বৰ্মনক সম্পাদিকা, ত্ৰিৱেণী দেৱীক পত্ৰিকা সম্পাদিকা, কবিতা গোস্বামীক সাংস্কৃতিক সম্পাদিকা হিচাপে লৈ আগন্তুক দুই বছৰৰ বাবে পশ্চিম নলবাৰী লেখিকা সমাৰোহৰ নতুন সমিতিখন গঠন কৰা হয়। সদৌ শেষত অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

# অসম বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শাখাত পুৰণিগুদামত প্ৰিয়ংকা বৰাৰ কৃতিত্ব

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ১৬ মে' ঃ** নগাঁও জিলাৰ পুৰণিগুদাম হাতীগাঁও নিৱাসী যতীন বৰা আৰু ৰীতা বৰাৰ জ্যেষ্ঠ কন্যা প্ৰিয়ংকা বৰাই শিলচৰস্থিত অসম বিশ্ববিদ্যালয়ৰ পৰা ২০২১ৰ স্নাতকোত্তৰ শাখাৰ ভূগোল বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিছে। বিশ্ববিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত 'কনভ'কেছন' অনুষ্ঠানত ভাৰতবৰ্ষৰ 'ৱাটাৰমেন নামেৰে খ্যাত বিশিষ্ট পৰিবেশবিদ ৰাজেন্দ্ৰ প্ৰতাপ সিং উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰে। উল্লেখ্য যে এই অনুষ্ঠানতে মেধাৱী ছাত্ৰী প্ৰিয়ংকা বৰাই বিশেষ পাৰদৰ্শিতাৰ বাবে সোণৰ মেডেল লাভ কৰে।

# গণকপুখুৰীত গ্ৰন্থ বিপণী মুকলি

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ১৬ মে' ঃ** গোলাঘাট জিলাৰ অন্তৰ্গত বৃহত্তৰ গণকপুখুৰী, ঢেকীয়াল, হালোৱাগাঁও, হাবিয়ালগাঁও আদি অঞ্চলৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক তথা বৌদ্ধিক সমাজৰ সহায়ক হোৱাকৈ যোৱা ১৫ মে'ত গণকপুখুৰী চাৰিআলি 'ৰয়েল বুকছ এণ্ড ষ্টেচনাৰী' নামেৰে এখন গ্ৰন্থ বিপণী মুকলি কৰা হয়। ঢেকীয়াল জ্যোতি শাখা সাহিত্য সভাৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ গণেশ গোস্বামীয়ে বিপণীখনৰ ফিটা কাটি উদ্বোধন কৰে। অনুষ্ঠানত উদ্বোধক গোস্বামীয়ে কয় যে এই বিপণীখনে বৃহত্তৰ অঞ্চলটোৰ এটা বহুদিনীয়া অভাৱ পূৰণ কৰিব আৰু বৌদ্ধিক বিকাশত সহায়ক হ'ব বুলি মত প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কৰুণা দাস, শিক্ষক হেমেন কুমাৰ বৰা, অ'এনজি চিৰ অৱসৰপ্ৰাপ্ত বিষয়া দীপক কুমাৰ শৰ্মা, সমাজ সেৱক হৰিপ্ৰসাদ শইকীয়া, সাংবাদিক প্ৰশান্ত প্ৰসাদ দত্ত, অনিন্দ্য সুন্দৰ শৰ্মা ঠাকুৰকে ধৰি ভালে সংখ্যক ব্যক্তি উপস্থিত থাকে। বিপণীখনৰ স্বত্বাধিকাৰী ৰঞ্জিত কুমাৰ বৰাই সকলোকে আদৰণি জনায় আৰু বিপণীখনত অসমৰ স্বনামধন্য লেখকসকলৰ কিতাপ, পাঠ্যপুথি, অসমীয়া আৰু ইংৰাজী দৈনিক বাতৰি কাকত, আলোচনী আদি উপলব্ধ হ'ব বুলি জানিবলৈ দিয়ে।

# মাতৃ শক্তি জিন্দাবাদ নহ'লে বিজেপি জিন্দাবাদ ধ্বনিৰ সাৰ্থকতা নাই

## ■ কৃষ্ণাইত বনমন্ত্ৰী পৰিমল শুক্লবৈদ্য

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ১৬ মে' ঃ** 'মাতৃ শক্তি জিন্দাবাদ নহ'লে কেতিয়াও বিজেপি জিন্দাবাদ ধ্বনিৰ সাৰ্থকতা নাথাকিব। ভাৰতীয় জনতা পাৰ্টিৰ আৰম্ভণিৰ পৰাই নাৰী শক্তিয়ে দলটোক প্ৰচণ্ডভাৱে আশীৰ্বাদ আৰু সহায় কৰি আহিছে। মহিলা মৰ্চা হৈছে বিজেপিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ মৰ্চা।' এই মন্তব্য মন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ। যোৱা ১৪ মে'ত দুপৰীয়া গোৱালপাৰা জিলাৰ কৃষ্ণাই মণ্ডল মহিলা মৰ্চাৰ কাৰ্যনিৰ্বাহক সভাত হঠাতে আহি উপস্থিত হোৱা অসম চৰকাৰৰ বনমন্ত্ৰী শুক্লবৈদ্যই ভাষণ প্ৰসংগত এই মন্তব্য কৰে। নাৰী শক্তিৰ জয়গান গোৱাৰ মাজতে মন্ত্ৰীজনে দেশৰ প্ৰধানমন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীৰো গুণানুকীৰ্তন কৰে। তেওঁ কয় যে বৰ্তমান বিশ্বৰ ভিতৰত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী জনপ্ৰিয় প্ৰধানমন্ত্ৰীসকলৰ অন্যতম। আনহাতে, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ভাৰতৰ ভিতৰতে এগৰাকী চৰ্চিত নেতা বুলি মন্তব্য কৰে বনমন্ত্ৰীজনে। উল্লেখ্য যে চলিত গুণোৎসৱ উপলক্ষে জিলাখনৰ দুধনৈৰ কাচাদল জেবি বিদ্যালয় পৰিদৰ্শন কৰিবলৈ জিলাখনত পদাৰ্পণ কৰে বন আৰু পৰিৱেশ মন্ত্ৰী শুক্লবৈদ্য। ইয়াৰ মাজতে তেওঁ আহি উপস্থিত হয় কৃষ্ণাই মণ্ডল বিজেপি কাৰ্যালয়ত। কৃষ্ণাই বিজেপি মহিলা মৰ্চাৰ সভাখনৰ অন্তত মন্ত্ৰীজনে মহিলাৰ স'তে মতবিনিময় কৰে। ইয়াৰ পাছতে তেওঁ সংবাদ মাধ্যমৰ স'তে বাৰ্তালাপত মিলিত হয়। সাংবাদিকৰ এক প্ৰশ্ন উত্তৰত বনমন্ত্ৰীজনে গোৱালপাৰা জিলাত চলি থকা বনজ সম্পদ ধ্বংসযজ্ঞৰ কথা নিজ মুখেৰে স্বীকাৰ কৰি কয় যে জিলাখনত বনাঞ্চল ধ্বংস চলি আছে যদিও ইয়াক ৰোধ কৰাৰ বাবে আমি আপ্ৰাণ প্ৰয়াস কৰি আছো। তেওঁ চোৰাং কাঠ বেপাৰীসকলক সকীয়াই দি কয় যে এই অসৎ কাৰ্যৰ পৰা আঁতৰি থাকক অন্যথা চৰম বিপদত পৰিব লাগিব চোৰাং কাৰবাৰীসকল। উল্লেখ্য যে বিজেপিৰ কৃষ্ণাই মণ্ডল মহিলা মৰ্চাৰ সভানেত্ৰী দীপমালা ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাৰ আঁত ধৰে বিজেপিৰ কৃষ্ণাই মণ্ডলৰ সভাপতি সুব্ৰত কুমাৰ দাসে। সভাত জিলা বিজেপিৰ সভাপতি হিমাদ্ৰী দাস, জিলা মহিলা বিজেপিৰ সভানেত্ৰী বিনীতা দাস, সহ-প্ৰভাৰী ৰূপালী ৰাভা, বিজেপিৰ অসম প্ৰদেশৰ সম্পাদিকা টিনামণি দৈমাৰী, বিজেপিৰ জিলাৰ সাধাৰণ সম্পাদক বিপুল ৰাভা, কৃষ্ণাই মণ্ডল সম্পাদক উত্তম সৰকাৰ ওৰফে ৰাজু, জিলা উপ-সভানেত্ৰী সুচিত্ৰা নাথ আদিকে ধৰি বহুকেইগৰাকী দলীয় নেতা-কৰ্মী উপস্থিত থাকে।



*ঘগ্ৰাপাৰত বানত বুৰিল বিস্তীৰ্ণ অঞ্চল।*

# ধৃত দুই গৰু চোৰক জেললৈ প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ১৬ মে' ঃ** নগাঁও জিলাৰ পুৰণিগুদাম মিকিৰহাটত যোৱা ১৩ মে'ৰ নিশা পুৰণিগুদাম আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া অজিত সোণোৱালৰ নেতৃত্বত যোৱা আৰক্ষীয়ে নটা গৰুসহ গ্ৰেপ্তাৰ কৰা দুই গৰুচোৰ ক্ৰমে পুৰণিগুদাম চলচলিৰ ছাহিদুৰ ৰহমান আৰু কচুৱাৰ চফিকুদ্দিন আহমেদক জেললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে গৰু চুৰি কৰি অনা এএছ-০২ ই-৬৯৫৪ নম্বৰৰ মেক্সিম'খনৰ কোনো বৈধ নথিপত্ৰ নাছিল বুলি আৰক্ষী সূত্ৰই সদৰী কৰিছে।

# হাজো আৰক্ষী থানাত আপাতকালীন ফোন নম্বৰ মুকলি

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৬ মে' ঃ** যিকোনো জৰুৰী সেৱাৰ বাবে কামৰূপ জিলা আৰক্ষী অধীক্ষকৰ অধীনৰ হাজো আৰক্ষী থানাত আপাতকালীন ফোন নম্বৰ মুকলি কৰিছে। হাজো থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া এম্ব্ৰৰেল দৈমাৰীয়ে জনোৱা মতে, বিভিন্ন সময়ত জৰুৰীকালীন সেৱাৰ বাবে সৰ্বসাধাৰণ ৰাইজে আৰক্ষীৰ স'তে যোগাযোগ কৰাৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈ আহিছে। ৰাইজৰ সুবিধাৰ বাবে ২৪ ঘণ্টাই ৬০২৬৯০০৭২৫ এই ফোন নম্বৰ ৰাইজৰ বাবে খোলা থাকিব। এতিয়াৰ পৰা ৰাইজে সকলো সময়তে আৰক্ষীৰ স'তে পোনপটীয়াকৈ যোগাযোগ কৰিব পাৰিব বুলি আৰক্ষী বিষয়াজনে জানিবলৈ দিয়ে।

# ভাৰতীয় গণনাট্য সংঘৰ নগাঁও জিলা সমিতিৰ উদ্যোগত প্ৰৱন্ধ প্ৰতিযোগিতা

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৬ মে'ঃ** ভাৰতীয় গণনাট্য সংঘ, নগাঁও জিলা সমিতিৰ উদ্যোগত বিষ্ণুপ্ৰসাদ ৰাভা দিৱসৰ লগত সংগতি ৰাখি অসম ভিত্তিত এখন মুকলি প্ৰৱন্ধ প্ৰতিযোগিতা আয়োজন কৰিছে। প্ৰৱন্ধৰ বিষয় 'বিষ্ণুপ্ৰসাদ ৰাভাৰ সাম্যবাদী ভাবাদৰ্শ আৰু গণমুখিতা' নিৰ্ধাৰণ কৰা হৈছে। এক বিবৃতিযোগে ভাৰতীয় গণনাট্য সংঘ, নগাঁও জিলা সমিতিৰ সভাপতি দীপ্তি কুমাৰ বৰুৱা, কাৰ্যকৰী সভাপতি মোলাল লস্কৰ, সম্পাদিকা নিজৰা শইকীয়া, প্ৰৱন্ধ প্ৰতিযোগিতাখনৰ প্ৰচাৰৰ দায়িত্বত থকা বুবুল শৰ্মা, ৰাতুল বৰা, প্ৰত্যুষ ৰঞ্জন ভাগৱতী আৰু মনোজ সিংহ ৰাজাই জনায় যে প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ প্ৰয়াত দিনেশ্বৰ দুৱৰাৰ সোঁৱৰণত ১০,০০০ টকা, দাতা পৰেশ দুৱৰা, দ্বিতীয় পুৰস্কাৰ বুধৰমল খেতাৱতৰ সোঁৱৰণত ৭,০০০ টকা, দাতা বিনোদ খেতাৱত আৰু তৃতীয় পুৰস্কাৰ প্ৰয়াত কমৰেড মনিৰউদ্দিন চৌধুৰীৰ সোঁৱৰণত ৫,০০০ টকা, দাতা বাচিত আলম চৌধুৰী। বয়সৰ কোনো সীমাবদ্ধতা নথকা মুকলি প্ৰৱন্ধ প্ৰতিযোগিতাখনত প্ৰৱন্ধৰ শব্দৰ ক্ষেত্ৰতো নিৰ্দিষ্ট সীমা ৰখা হোৱা নাই। প্ৰৱন্ধ পেজমেকাৰ ৰামধেনু অথবা ইউনিক'ড মাধ্যমত ডিটিপি কৰি ১০ জুন, ২০২২ৰ ভিতৰত bahuanandaprakashan@ gmail. com.ত ই-মেইল কৰি অথবা বহু-আনন্দ, টি এম ৰোড, মাৰোৱাৰীপট্টি, নগাঁও-০১ ঠিকনাত পঠাব লাগিব। পুৰস্কাৰসমূহ ২০ জুনত নগাঁও জিলাৰ নৰৈত অনুষ্ঠিত হ'বলগীয়া গণশিল্পী বিষ্ণুপ্ৰসাদ ৰাভা দিৱসত প্ৰদান কৰা হ'ব। প্ৰতিযোগিতা সম্পৰ্কে বিশেষ জানিবলৈ ৯৭০৭৫৮২৯৫৭, ৮৬৩৮৫৬৫৪৩৯ আৰু ৯৪৩৫৭৬৯৬৮৫ নম্বৰত যোগাযোগ কৰিব পাৰিব।



*কলাইগাঁৱত বানত বুৰিল বিস্তীৰ্ণ অঞ্চল।*

# গ্ৰন্থ অধ্যয়নে মন-মগজু শক্তিশালী কৰাৰ লগতে জ্ঞান বৃদ্ধিত ইন্ধন যোগায়

## ■ শুৱালকুছিত 'শাস্ত্ৰ-মাধুৰী' নামৰ গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ১৬ মে' ঃ** 'মানুহৰ অন্যতম সংগী হ'ল গ্ৰন্থ। যিসকলে নিয়মিতভাৱে গ্ৰন্থ অধ্যয়ন কৰে তেওঁলোকে জীৱনত কেতিয়াও নিসংগ অনুভৱ নকৰে। গ্ৰন্থ অধ্যয়নে মানুহৰ মন মগজু অধিক শক্তিশালী কৰে আৰু মানুহৰ জ্ঞান বৃদ্ধিত ইন্ধন যোগায়।' এই মন্তব্য শুৱালকুছি সাংবাদিক সন্থাৰ সভাপতি দিলীপ মেধিৰ। যোৱা ১৪ মে'ত শুৱালকুছিৰ ঐতিহাসিক ধৰ্মানুষ্ঠান শ্ৰীশ্ৰী দামোদৰ দেৱ মন্দিৰত লেখক, অৱসৰপ্ৰাপ্ত শিক্ষক চিন্তামণি দাসে প্ৰকাশ কৰি উলিওৱা 'শাস্ত্ৰ মাধুৰী' নামৰ গ্ৰন্থখন উন্মোচন কৰি তেওঁ পুনৰ কয় যে সাহিত্য পুথি, গল্প সংকলন, ধৰ্মপুথি, শিশু উপন্যাস, সাধুকথা, প্ৰৱন্ধ সংকলন, অনুসন্ধানমূলক গ্ৰন্থ আদি প্ৰতিটো বিষয়ৰ গ্ৰন্থসমূহত ভিন্ন ভিন্ন আমেজ থাকে। যিয়ে যিটো বিষয় ভাল পায় সেই বিষয়ৰ গ্ৰন্থসমূহ অধ্যয়ন কৰিলে সঠিক সোৱাদ লাভ কৰিব পাৰে। গ্ৰন্থ অধ্যয়ণে মানুহক বহুত নজনা কথাৰ সন্ধেদ দিয়ে। সেয়েহে সময় সুবিধা পালেই গ্ৰন্থ অধ্যয়নৰ সুযোগ নেহেৰুৱাবলৈ তেওঁ উপস্থিত ৰাইজক আহ্বান জনায়। গ্ৰন্থখনত ভাগৱত আৰু ৰামায়ণৰ কিছু সৰু সৰু কাহিনীৰে লেখকে পাঠক ৰাইজৰ বাবে অতি আকৰ্ষণীয় কৰি তোলাত ৰাইজে গ্ৰন্থখন পঢ়ি সঁচাকৈয়ে অনুপ্ৰাণিত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। অৱসৰপ্ৰাপ্ত শিক্ষক উদ্ধৱ বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত সভাত লেখক দাসে আৰম্ভণিতে গ্ৰন্থখন সন্দৰ্ভত কিছু বক্তব্য দাঙি ধৰি গ্ৰন্থখন সময়োপযোগী আৰু সৰু সৰু ঘটনা-পৰিঘটনাৰ কিছু কথা-সাধুকথা হিচাৱত ৰাইজৰ আগত তুলি ধৰা বুলি উল্লেখ কৰে। সভাপতি উদ্ধৱ বৈশ্যয়ো গ্ৰন্থখন সন্দৰ্ভত এক তত্ত্বাগধুৰ বক্তব্য দাঙি ধৰি উপস্থিত সকলোকে মুগ্ধ কৰে। লগতে তেওঁ গ্ৰন্থখনৰ লেখক দাসৰ জীৱন পৰিক্ৰমাৰ বিষয়ে কিছু আভাষ দিয়ে। সদৌ শুৱালকুছি দেৱ দামোদৰ সংঘৰ সম্পাদক ভৱকান্ত বৈশ্যই আঁত ধৰা উন্মোচনী সভাত আন এগৰাকী সম্পাদক মুকুন্দ বৈশ্য প্ৰমুখ্যে কে'বাজনো বিষয়ববীয়া আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# কুমাৰীকাটাত বিষ্ণুপ্ৰসাদ ৰাভাৰ গীত-পুৰুষোত্তম দাসৰ গীতৰ কৰ্মশালা আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১৬ মে' ঃ** বাগ্‌সা জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কুমাৰীকাটা আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত যোৱা ১৫ মে'ৰ পৰা কুমাৰীকাটাত অনুষ্ঠিত হৈছে বিষ্ণুপ্ৰসাদ ৰাভাৰ গীত আৰু পুৰুষোত্তম দাসৰ গীতৰ কৰ্মশালা। শংকৰদেৱ শিশু নিকেতন কুমাৰীকাটাত অনুষ্ঠিত কৰ্মশালা উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক পূৰ্ণ ডেকাই। উদ্বোধন কৰি ডেকাই কয় যে সাংস্কৃতিক ক্ষেত্ৰখনত পৰিশীলিত চিন্তা-চৰ্চাৰে আছুৱে সুদীৰ্ঘ সময় ধৰি কাম-কাজ কৰি আহিছে। এই কৰ্মশালাৰ দ্বাৰা বাগ্‌সা জিলাৰ প্ৰশিক্ষাৰ্থীসকলে যথেষ্টখিনি শিকাৰ সুযোগ পাব আৰু এইখিনি ভৱিষ্যত প্ৰজন্মলৈ লৈ যাব পাৰিব। বিষ্ণুপ্ৰসাদ ৰাভা আৰু পুৰুষোত্তম দাসৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণেৰে আৰম্ভ হোৱা উদ্বোধনী সভাত সভাপতিত্ব কৰে সদৌ বাগ্‌সা জিলা ছাত্ৰ সন্থাৰ সভাপতি গোবিন্দ শৰণীয়াই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক ডুলুজিৎ দাসে। সভাত উপস্থিত থাকে অসম উন্নতি সভাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য সোণেশ্বৰ কলিতা, তামুলপুৰ জিলা উন্নতি সভাৰ মুখ্য সাংগঠনিক সম্পাদক হৰিনাৰায়ণ কলিতা, কুমাৰীকাটা সংগীত বিদ্যালয়ৰ অধ্যক্ষ দীপক মুদৈ, শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য গোপদেৱ ভৰালীকে আদি কৰি ভালেকেইগৰাকী অতিথি। প্ৰশিক্ষক হিচাপে উপস্থিত থকা বৰপেটাৰ বিশিষ্ট সংগীত শিল্পী কবিন দাসৰ তত্ত্বাৱধানত প্ৰায় ৭০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। নেৰানেপেৰা বৰষুণ সত্ত্বেও এই কৰ্মশালাত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ আছিল অভূতপূৰ্ব।

# মৰাণত কেন্দ্ৰীয়ভাৱে গীতিকবি পাৰ্বতি প্ৰসাদ বৰুৱাৰ স্মৃতি দিৱসৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১৬ মে' ঃ** অসম সাহিত্য সভাৰ অন্যতম সক্ৰিয় চৰাইদেউ জিলা সাহিত্য সভাৰ উদ্যোগত আৰু জিলাখনৰ অন্তৰ্গত কচুমাৰি শাখা সাহিত্য সভাৰ আতিথ্যত অহা সাত জুনত গীতিকবি পাৰ্বতিপ্ৰসাদ বৰুৱাৰ ৫৮ সংখ্যক স্মৃতি দিৱস এদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ লোৱা হৈছে বুলি চৰাইদেউ জিলা সাহিত্য সভাৰ সম্পাদক ড° ৰঘুনাথ কাগয়ুঙে এক বিবৃতিযোগে জনাইছে। এই উপলক্ষে কচুমাৰি যুৱক সংঘ আৰু পুথিভঁৰালৰ গৃহত যোৱা ১৫ মে'ত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। কচুমাৰি শাখা সাহিত্য সভাৰ সভাপতি সোভন চাংমায়ে পৌৰোহিত্য কৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ সম্পাদক ৰণ্টু খনিকৰে। সভাত চৰাইদেউ জিলা সাহিত্য সভাৰ উপ-সভাপতি নিৰঞ্জন ফুকন, সম্পাদক ড° ৰঘুনাথ কাগয়ুং, পত্ৰিকা সম্পাদক সুনন্দ বৰগোহাঁই, জিলা মাতৃভাষা উপ-সমিতিৰ নিৰঞ্জন ফুকন, জিলা মাতৃভাষা উপ-সমিতিৰ আহ্বায়ক বীৰেন চেতিয়া, চৰাইদেউ জিলা সাহিত্য সভাৰ যুৱ সংসদ উপ-সমিতিৰ প্ৰাক্তন আহ্বায়ক সুশীল ভাগৱতী, বিশ্ৰামপুৰ শাখা সাহিত্য সভাৰ সভাপতি ভূপেন বৰুৱাকে মুখ্য কৰি জিলা তথা মৰাণ অঞ্চলৰ বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাত শোভন চাংমাইক সভাপতি, কুশল দত্তক কাৰ্যকৰী সভাপতি, সুশীল ভাগৱতী আৰু অনুপম কাকতিক যুটীয়া সম্পাদক হিচাপে লৈ এখন শক্তিশালী উদ্‌যাপন সমিতি গঠন কৰা হয়। সাহিত্য সভাৰ সভাপতি কুলধৰ শইকীয়া, উপ-সভানেত্ৰী মৃণালিনী দেৱী, প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মা, যোৰহাট কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ৰমানন্দন বৰা, কেন্দ্ৰীয় কৰ্ণধাৰ সমিতিৰ সদস্য ডাঃ গিৰীশ সন্দিকৈ, পত্ৰিকা সম্পাদক উপেন্দ্ৰজিৎ শৰ্মা, প্ৰচাৰ সম্পাদক দেৱজিৎ বৰা, গীতিকবিৰ নাতি বিশিষ্ট উদ্যোগতি সমুদ্ৰ প্ৰসাদ বৰুৱাৰ লগতে অসমৰ বহুতো সাহিত্যিক, বিশিষ্ট ব্যক্তি আদি উপস্থিত থকাৰ বিষয়ে চৰাইদেউ জিলা সাহিত্য সভাৰ সম্পাদক ড° কাংয়ুঙে বিবৃতিটোৰযোগে জনাইছে।

# ৰজাবাহৰৰ ৰূপালীম সাংস্কৃতিক সন্থাৰ নতুন সমিতি গঠন

**বিশেষ সংবাদদাতা**

**নগাবাট, ১৬ মে' ঃ** তিতাবৰ মহকুমাৰ ৰজাবাহৰৰ ৰূপালীম সাংস্কৃতিক সন্থাৰ নতুন সমিতিখন যোৱা ১৪ মে'ত গঠন কৰা হয়। সেয়ে ৰূপালীম সাংস্কৃতিক সন্থাৰ প্ৰেক্ষাগৃহত সমাজকৰ্মী তৰুণ গগৈৰ সভাপতিত্বত আৰু দীপক ৰাজখোৱাৰ উদ্দেশ্য ব্যাখ্যাৰে এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত সৰ্বসন্মতি ক্ৰমে ৰূপালীম সাংস্কৃতিক সন্থাৰ নতুন সমিতিখনৰ বাবে পুনৰ তৰুণ গগৈ সভাপতি আৰু দীপক ৰাজখোৱাক সম্পাদকৰ দায়িত্ব অৰ্পণ কৰে। সভাত ৰজাবাহৰ গাঁও পঞ্চায়ত সভাপতি ৰাজেন শইকীয়া, সমাজকৰ্মী ক্ৰমে গোবিন বৰা, জীৱ ফুকন, কুঞ্জলতা ৰাজখোৱা গগৈ, গ্লাদবীন খুদী, গোবিন গগৈ, দিলীপ চিৰিং ফুকন, মুকুট চিৰিং ফুকন, অনিলজ্যোতি ৰাজখোৱা, নবীন শইকীয়া, পুনিৰাম ফুকন, কৰুণা চেতিয়া, তিলকা চুতীয়া, গাঁওবুঢ়া তুলসী শইকীয়া আদিৰ লগতে বহুসংখ্যক স্থানীয় লোক উপস্থিত থাকে।

# বালাপাৰাত মাছৰ খাদ্য উৎপাদন উদ্যোগৰ আধাৰশিলা

**অগ্ৰদূত বাৰ্তা**

**কয়াকুছি, ১৬ মে' ঃ** বজালী জিলাৰ সীমান্তৰ পাকা মৌজা অঞ্চলত যোৱা এটা দহকৰ পৰা থলুৱা মাছৰ উৎপাদনৰ প্ৰতি লক্ষ্য ৰাখি বৰপেটাৰ মীন বিভাগৰ ফালৰ পৰা বিশেষ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। থলুৱা মাছৰ পালকসকলক চৰকাৰীভাৱে যৎকিঞ্চিত সহায় কৰি তেওঁলোকক উৎসাহিত কৰাৰ কাৰণে সময়ে সময়ে লৈ অহা পদক্ষেপৰ অংশ হিচাপে যোৱা ১৩ মে'ত বৰপেটা মীন উন্নয়ন বিভাগে সৰুক্ষেত্ৰী সমষ্টিৰ বালাপাৰাত ৰেহাই মূল্যত এটা মাছৰ খাদ্য উৎপাদন কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। বালাপাৰাৰ পবিনী বড়ো নামৰ মহিলাগৰাকীৰ নামত অৱণ্টিত এই কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে বৰপেটা জিলাৰ মীন উন্নয়ন বিষয়া ড° প্ৰতুল বৰ্মনে। বিষ্ণুৰাম বড়োই আঁত ধৰা আৰু সাংবাদিক হীৰেন কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত উন্নয়ন বিষয়া ড° বৰ্মনে নতুন যুৱক-যুৱতীসকলক মীন উন্নয়নত মনোনিৱেশ কৰি স্বাৱলম্বী হ'বলৈ আহ্বান জনায়।

অনুষ্ঠানত মীন বিভাগৰ গুণীন দাস, জগজীত পাটোৱাৰী, মৃণ্ময় আদিকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ পাছতে মীন উন্নয়ন বিষয়া-কৰ্মচাৰীসকলে বালাপাৰাত থকা কালদিয়া বনানী পৰিদৰ্শন কৰি অভিভূত হৈ পৰে। প্ৰাকৃতিক পৰিৱেশৰ মাজত স্থাপন হোৱা কালদিয়া বনানী বনভোজ থলীৰ বৃহৎ পুখুৰী আৰু তাত বৈজ্ঞানিকভাৱে মাছ পালন কৰা কাৰ্যক ভূয়সী প্ৰশংসা কৰে।

# বনগাঁৱত গুৰু-শিষ্যৰ মহামিলনগুৰু পূজন-গুৰু বন্দনাৰে ব্যতিক্ৰমী অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**চামতা, ১৬ মে' ঃ** যোৱা ১৫ মে'ত পশ্চিম নলবাৰীৰ ঐতিহ্যমণ্ডিত বনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯৯৭ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলৰ এক ব্যতিক্ৰমী অনুষ্ঠান সম্পন্ন হয়। বিদ্যালয়খনৰ প্ৰায় ৮০ গৰাকী প্ৰাক্তন শিক্ষাৰ্থী আৰু ১৩ গৰাকী সেই সময়ৰ শিক্ষাগুৰুৰ লগতে বিদ্যালয়খনৰ বৰ্তমানৰ কে'বাগৰাকী শিক্ষক উপস্থিত থাকে অনুষ্ঠানটোত। বনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সন্মিলনত স্বনামধন্য কৃতী অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে ধীৰেন্দ্ৰ নাথ শৰ্মা, পুষ্পকান্ত শৰ্মা, ফুকন ডেকা, মাণিক শৰ্মা, শচীন্দ্ৰ নাথ শৰ্মা, মহঃ আদাৰ আলী, চানাকণ তালুকদাৰ, নাউকন ডেকা, কল্যাণ ডেকা, প্ৰমোদ তালুকদাৰ, বীৰেন্দ্ৰ নাথ ডেকা, দিবাকৰ ডেকা আৰু কামাখ্যা ডেকা উপস্থিত থাকি ভাষণ প্ৰদান কৰে। তদুপৰি বিশিষ্ট শিক্ষাবিদ ভগৱান ডেকা, প্ৰভাত দাস প্ৰমুখ্যে কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰতিকূল বতৰকো নেওচি উক্ত শিক্ষাবৰ্ষটোৰ প্ৰায় ৮০ গৰাকী প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু ১৩ গৰাকীকৈ স্বনামধন্য অৱসৰপ্ৰাপ্ত শিক্ষাগুৰু আজি ২৫ বছৰ পাছত একেলগে সমবতে হৈ আবেগবিহ্বল হৈ পৰে।

অনুষ্ঠানৰ আৰম্ভণিতে মংগল বন্তি প্ৰজ্বলন কৰে বনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ চিত্তৰঞ্জন শৰ্মাই। মংগল বন্তি প্ৰজ্বলনৰ পাছতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাগুৰুসকলক আসনত উপবিষ্ট কৰাই ফুলাম গামোচা, মানপত্ৰ আৰু পিতলৰ জাপিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানৰ পূৰ্বে প্ৰাক্তন শিক্ষাৰ্থীসকলে গুৰুৰ চৰণ ধুৱাই পুষ্পাঞ্জলি অৰ্পণ কৰি মঞ্চলৈ আদৰি আনে। সন্মিলনতে ১৯৯৭ শিক্ষাবৰ্ষৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে নিজৰ অনুদানেৰে বিদ্যালয়খনলৈ এটি ছোৱালীৰ প্ৰস্ৰাৱাগাৰ উপহাৰ দিয়াৰ কথা ঘোষণা কৰি ইয়াৰ নিৰ্মাণকাৰ্যৰ আৰম্ভ কৰে।

কোনোমতে প্ৰাণৰক্ষা মহিলাৰ

## বাগ্‌সাৰ লাৱদাংগুৰীত বন্যহস্তীৰ তাণ্ডৱ



**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১৬ মে’** ঃ বাগ্‌সাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত লাৱদাংগুৰী পথাৰত বন্যহস্তীৰ তাণ্ডৱ। যোৱা নিশা মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এটা বন্যহস্তীয়ে তাণ্ডৱলীলা চলায়। বন্যহস্তীটোৰ আক্ৰমণত কোনো মতেহে প্ৰাণ ৰক্ষা পৰে এগৰাকী মহিলাৰ। মহিলাগৰাকী শুই থকা অৱস্থাতে অতৰ্কিতে আক্ৰমণ চলায় বাসগৃহটোত। তাৰ পাছত কোনো মতেহে প্ৰাণ লৈ পলাবলৈ সক্ষম হয় মহিলাগৰাকী। ইয়াৰ উপৰি গাঁওখনৰ লক্ষেশ্বৰ নাথ, নাৰায়ণ নাথ, ৰমীলা নাথ, স্বৰাজ নাথ, পানীৰাম নাথ নামৰ লোককেইজনৰ কে’বাটাও বাসগৃহ ভঙাৰ লগতে বহু পৰিমাণৰ শস্যৰো ক্ষতিসাধন কৰে বন্যহস্তীটোৱে। উল্লেখ্য যে নেৰানেপেৰা বৰষুণৰ ফলত যোৱা তিনিদিন ধৰি অঞ্চলটোত বিদ্যুৎ সংযোগ ব্যাহত হৈ থকাৰ সুযোগ গ্ৰহণ কৰি বন্যহস্তীটোৱে তাণ্ডৱ চলোৱা বুলি ভুক্তভোগী ৰাইজে জানিবলৈ দিয়ে। মানাহ কাষৰীয়া অঞ্চলটোত প্ৰায়ে বন্যহস্তীৰ তাণ্ডৱ অব্যাহত থাকে যদিও বন বিভাগৰ লোকেও এই ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপন কৰে স্থানীয় লোকে।

## গাখীৰভেটি পঞ্চায়তৰ বিধ্বস্ত পথ মেৰামতিৰ দাবী

জনপ্ৰতিনিধিৰ নাই খবৰ



**অগ্ৰদূত বাৰ্তা**

**তালাপ, ১৬ মে’** ঃ ৰাজ্য চৰকাৰে গ্ৰামাঞ্চলৰ সকলো পথেই পকীকৰণ কৰি সুচল কৰাৰ চেষ্টা অব্যাহত ৰখাৰ মাজতে ৰাজ্যত বৰ্তমানেও বহু পথ পকীকৰণ হোৱা নাই। তিনিচুকীয়া জিলাৰ ১২৬ নম্বৰ শদিয়া বিধানসভা সমষ্টিৰ দক্ষিণ পাৰত অৱস্থিত গাখীৰভেটি গাঁও পঞ্চায়তৰ অন্তৰ্গত মিছিমিকটাৰ বাট-পথৰ জৰাজীৰ্ণ অৱস্থাত ছাত্ৰ-ছাত্ৰীৰ লগতে সাধাৰণ ৰাইজে দুৰ্যোগ ভুগিবলগীয়া হৈছে। এক নম্বৰ মিছিমিকটাৰ পৰা ধূলিজান গাঁও সংযোগী পথৰ কাষতে আছে ৰূপালী গাঁও আৰু চতাইজান গাঁও দুখন। গাঁও দুখনৰ ৰাইজে এক নম্বৰ মিছিমিকটা আৰু ধূলিজান গাঁও দুখন হৈ তালাপলৈ যাবলৈ হ’লে দুই কিলোমিটাৰ দৈৰ্ঘ্যৰ কেঁচা পথ (সম্প্ৰতি জৰাজীৰ্ণ অৱস্থাত থকা) যাব লগীয়া হয়। গাঁও দুখনৰ দুয়ো ফালে পথ পকীকৰণ কৰা হ’ল যদিও দুই নম্বৰ মিছিমিকটা ৰূপালী গাঁও আৰু চতাইজান গাঁও দুখনৰ পথটোহে এক নম্বৰ মিছিমিকটা আৰু ধূলিজান গাঁৱৰ পকীকৰণ পথৰ স’তে সংযোগ নহ’ল। সম্প্ৰতি একেলেঠাৰিয়ে কেঁবাদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণত পথটোৰ অৱস্থা বিধ্বস্ত হৈছে। উক্ত পথটোৰে গাঁও দুখনৰ সাধাৰণ ৰাইজৰ লগতে কণ কণ ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়লৈ যাতায়াত কৰিব লগীয়া হৈছে। পথটো পকীকৰণ কৰিবৰ বাবে গাঁও দুখনৰ ৰাইজে স্থানীয় বিধায়ক বলিন চেতিয়াক বাৰে বাৰে অনুৰোধ জনাই আহিছে যদিও বিধায়কজনে আজিও ৰাইজৰ আহ্বানৰ প্ৰতি সঁহাৰি জনোৱা নাই। বিগত বৰ্ষৰ বিধানসভা নিৰ্বাচনৰ প্ৰাক্‌ক্ষণত গাঁও দুখনৰ ভিতৰুৱা পথত কেইগাড়ীমান গ্ৰেভেলিঙৰ ব্যৱস্থা কৰিছিল যদিও সেয়াও ধাৰাষাৰ বৰষুণত তিকি থাকিব পৰা নাই। সেয়েহে ভুক্তভোগী ৰাইজে গাঁও দুখনৰ জৰাজীৰ্ণ হৈ থকা মূল পথটো অতি শীঘ্ৰে পকীকৰণৰ ব্যৱস্থা কৰি এক নম্বৰ মিছিমিকটা আৰু ধূলিজান গাঁও পকী পথৰ স’তে সংযোগ কৰি সুচল কৰিবলৈ দাবী জনাইছে।

## কিৰিংবৰীত ননৈৰ ব্যাপক খহনীয়া ঃ নীৰৱ জনপ্ৰতিনিধি



**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ১৬ মে’** ঃ দৰং জিলাৰ ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত খলিহৈ কিৰিংবৰীত ননৈ নদীৰ ব্যাপক খহনীয়াই ৰাইজৰ মাজত ত্ৰাসৰ সৃষ্টি কৰিছে। স্থানীয় ৰাইজে উল্লেখ কৰা মতে, বাৰিষা আহিলেই ইয়াৰ বাসিন্দাৰ নিদ্ৰা হৰণ কৰে ননৈৰ এই খহনীয়াই। বিগত দুবছৰে খহনীয়াৰ কৱলত সংকুচিত হ’ল কিৰিংবৰী গাঁৱৰ পৰিসীমা। বিগত বৰ্ষওৰ এনে এক ক্ষণতে মন্ত্ৰী পীয়ুষ হাজৰিকা , বিধায়ক ড° পৰমানন্দ ৰাজবংশীৰ লগতে বিভাগীয় উচ্চপদস্থ বিষয়াই চৰজমীন তদন্ত কৰি খহনীয়াৰ ভয়াৱহ ৰূপ প্ৰত্যক্ষ কৰি কোটিটকীয়া আঁচনি আবণ্টন দিয়ে যদিও এবছৰে পুঁজি মোকলাই নিদিয়াত বৰ্তমানলৈকে আৰম্ভ নহ’ল খহনীয়া ৰোধৰ কাম। ফলত আজি জীয়াতু ভুগিব লগীয়া হৈছে কিৰিংবৰীৰ ৰাইজে। এই খহনীয়া প্ৰতিৰোধ কেতিয়া হ’ব বুলি ৰাইজে চৰকাৰক প্ৰশ্ন উত্থাপন কৰিছে।

## নগাঁৱত ৰাইজে কৰায়ত্ত কৰিলে ড্ৰাগছ সৰবৰাহকাৰীক

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৬ মে’** ঃ নগাঁও চহৰৰ নাতি দূৰৰ নামকৰৈয়নীত আজি পুৱা স্থানীয় একাংশ ৰাইজে এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰি আৰক্ষীক গতাই দিয়ে। তথ্য মতে, নগাঁৱৰ ইটাচালি আৰক্ষী চকীৰ অন্তৰ্গত মহখুলি হোলাপাৰৰ ছাদ্দাম হুছেইন নামৰ ড্ৰাগছ সৰবৰাহকাৰীজনে মহখুলিৰ পৰা নামকৰৈয়নী হৈ নগাঁও চহৰৰ সমীপৰ ডিমৰুগুৰিলৈ আজি পুৱা ড্ৰাগছ বিক্ৰী কৰিবৰ বাবে আহিছিল। আহি থকা অৱস্থাত নামকৰৈয়নীৰ ওচৰত ছাদ্দামৰ চালচলনত সন্দেহ ওপজাত স্থানীয় একাংশ লোকে ছাদ্দামক আটক কৰি সোধপোছ কৰে। ইয়াক কেন্দ্ৰ কৰি ছাদ্দামৰ লগত লোকসকলৰ তৰ্কাতৰ্কি লাগে। স্থানীয় লোকে ছাদ্দামৰ পৰা কণ্টেইনাৰ ভৰ্তি হেৰ’ইন জব্দ কৰে। পাছত ৰাইজে ছাদ্দামক নগাঁও আৰক্ষীক হেৰ’ইনসহ গতাই দিয়ে। নগাঁও আৰক্ষীয়ে জিলাখনত ড্ৰাগছৰ বিৰুদ্ধে ধাৰাবাহিক অভিযান অব্যাহত ৰাখিছে যদিও একাংশ ড্ৰাগছ সৰবৰাহকাৰীয়ে ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই থকাটো চিন্তনীয় বিষয় হৈ পৰিছে।

## মকালনিত পকী দলঙৰ বাবে হাবাথুৰি খাইছে গঞা ৰাইজে



**অগ্ৰদূত বাৰ্তা**

**টীয়ক, ১৬ মে’** ঃ যোৰহাট আৰু শিৱসাগৰ জিলাৰ সীমান্তত অৱস্থিত টীয়ক আৰু আমগুৰি সমষ্টিৰ অন্তৰ্গত মকালনিত এখন দলঙৰ অভাৱত আঠ নখন গাঁৱৰ ৰাইজে জীয়াতু ভুগিবলগীয়া অৱস্থা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দায়িত্ব লৈয়ে অসমৰ ১২৬ গৰাকী বিধায়ক নিজ নিজ সমষ্টিত থকা সমস্যাসমূহৰ লগতে প্ৰধান সমস্যা যোগাযোগৰ পথ আৰু দলঙৰ ওপৰত অধিক গুৰুত্ব দি সেই সমস্যাবিলাক মুখ্যমন্ত্ৰীক দাখিল কৰিবলৈ বাবে আহবান জনাইছিল যদিও টীয়ক সমষ্টি আৰু আমগুৰি সমষ্টিৰ বিধায়ক দুগৰাকী এই দলঙৰ বিষয়টো উল্লেখ কৰিব নোৱাৰা বাবে আক্ষেপ প্ৰকাশ কৰিছে স্থানীয় ৰাইজ তথা শিমলুগুৰি মৌজা আঞ্চলিক ছাত্ৰ সন্থাই । এক বিবৃতিত সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক সদস্য জিতু নেওগ শিমলুগুৰি মৌজা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি দেবব্ৰত শইকীয়া সাধাৰণ সম্পাদক পবিত্ৰ বৰাৰ যুটীয়া স্বাক্ষৰত প্ৰেৰিত বিবৃতিত কয় যে চৰকাৰে বিভিন্ন বিভাগত আঁচনি ৰূপায়ণ কৰিছে যদিও স্বাধীনতাৰ ৭৫ বছৰৰ পাছত ন-১০ খন গাঁৱৰ ৰাইজ, ছাত্ৰ-ছাত্ৰী, ৰোগী আৰু সাধাৰণ জনতা বাৰিষা হ’লে টুলুঙা নাঁও আৰু খৰালি বাঁহৰ দলঙেৰে পাৰাপাৰ হ’ব লগা হোৱা বিষয়টো এই খন চৰকাৰৰ উন্নয়নৰ ফোপলা স্বৰূপ ওলাই পৰিছে।

বিবৃতিটোত সদৌ অসম ছাত্ৰ সন্থাৰ সদস্য জিতু নেওগে কয় যে চৰকাৰে প্ৰথম বৰ্ষপুতি উদ্‌যাপনৰ নামত কোটি কোটি টকা খৰচ কৰিছে যদিও এনে সমস্যাৰ প্ৰতি গুৰুত্ব দিয়া নাই। উল্লেখ্য যে এই মকালনিৰ ঘাটতেই এখন টুলুঙা নাৱেৰে পাৰাপাৰ হওঁতে দুৰ্ঘটনা হৈ এগৰাকী ছাত্ৰীৰ মৃত্যু হৈছিল। স্থানীয় ৰাইজ তথা ছাত্ৰ সন্থাৰ দাবী দুয়োটা সমষ্টিৰ অন্তৰ্গত মকালনিত এখন পকী দলং নিৰ্মাণ কৰিবৰ বাবে মুখ্যমন্ত্ৰীক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

## মুছলপুৰত বৌদ্ধ পূৰ্ণিমা পালন

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ১৬ মে’** ঃ নামনি অসমৰ অন্যতম বৃহৎ বৌদ্ধ মন্দিৰ মুছলপুৰ বৌদ্ধ মন্দিৰত আজি উলহ-মালহেৰে ২৫৬৬ সংখ্যক বুদ্ধ পূৰ্ণিমা পালন কৰা হয়। বুদ্ধিষ্ট আৰ্ট এডুকেছন এণ্ড ডেভেলপমেণ্ট ছ’চাইটি আৰু বাগ্‌সা জিলা তামাং বৌদ্ধ সংঘৰ যৌথ উদ্যোগত মুছলপুৰত আজি বুদ্ধ পূৰ্ণিমা পালন কৰা হয়। পুৱাৰে পৰা বন্তি প্ৰজ্বলন, বৌদ্ধ স্নান, বুদ্ধৰ দৰ্শনৰ ওপৰত আলোকপাত কৰা হয়। এই সমগ্ৰ কাৰ্যক্ৰম পৰিচালনা কৰে ভূটানৰ পৰা অহা বৌদ্ধ ধৰ্মীয় লামা ক্ৰমে লেকি ৰাংচুক, কিংজাং চোপেল আৰু চেৰাপ দৰ্জীয়ে। বাগ্‌সা জিলাৰ উপৰি বৌদ্ধ জয়ন্তীৰ কাৰ্যসূচীত তিনিচুকীয়া, তামুলপুৰ, ভূটান, তেজপুৰ আদি ঠাইৰ পৰাও বৌদ্ধ ধৰ্মীয় লোকসকল আহি মন্দিৰত পূজা-অৰ্চনা কৰে। মুছলপুৰ বুদ্ধিষ্ট আৰ্ট এডুকেছন এণ্ড ডেভেলপমেণ্ট ছ’চাইটিৰ সভাপতি দিলবাহাদুৰ তামাং আৰু সম্পাদক তাৰাবীৰ তামাঙৰ নেতৃত্বত আজিৰ এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

## যোৰহাটত ২৫৬৬ সংখ্যক বুদ্ধ জয়ন্তী উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ১৬ মে’** ঃ উৎসাহ উদ্দীপনাৰে আজি যোৰহাটত ২৫৬৬ সংখ্যক পবিত্ৰ বুদ্ধ জয়ন্তী উদ্‌যাপন কৰা হয়। যোৰহাট ৰজাবাৰীস্থিত বৌদ্ধ বিহাৰত বুদ্ধপূৰ্ণিমা উপলক্ষে আজি পুৱা পতাকা উত্তোলনৰ পাছতে পঞ্চশীল গ্ৰহণ আৰু সম্বৰ্ধনা অনুষ্ঠান সম্পন্ন হয়। সম্বৰ্ধনা অনুষ্ঠানত কে’বাগৰাকীও দাতাক সম্বৰ্ধনা জনোৱা হয়। দুপৰীয়া বুদ্ধপূৰ্ণিমা উপলক্ষে বৌধ বিহাৰৰ এটা সঁজাতি দলে যোৰহাটৰ সাৰথি বৃদ্ধাশ্ৰমলৈ গৈ আশ্ৰয়ীসকলৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰে। বিয়লি অনুষ্ঠিত ধৰ্মসভাত স্থানীয় বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীৰ লগতে সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ পাৰভেজ মেহদি উপস্থিত থাকে।

## মাজুলীৰ বিস্তৰ কৃষিভূমিত কৃত্ৰিম বান

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৬ মে’** ঃ বিগত কিছু দিন ধৰি নেৰা-নেপেৰাকৈ দি থকা বৰষুণৰ ফলত জন জীৱনত অসুবিধাৰ সৃষ্টি কৰাৰ উপৰি মাজুলী জিলাৰ বহু অঞ্চলত কৃষিভূমিৰ ওপৰত পানী উঠি কৃষিজীৱিৰ মুৰত মাধমাৰ সোধাইছে। নেৰা--নেপেৰাকৈ মুষলধাৰে দি থকা বৰষুণৰ আৱদ্ধ পানী দিনক দিনে জমা হৈ অঞ্চলসমূহত কৃত্ৰিম বানৰ সৃষ্টি হয়। যাৰ পৰিপ্ৰেক্ষিতত কৃষক বন্ধুসকলে মুৰে কপালে হাত দিব লগা অৱস্থা হ’ব লগীয়া হৈছে। কিয়নো মাজুলীৰ বহু কৃষিজীৱিয়ে যি বা এডৰা মাটিত বাওঁধানৰ খেতি (ধান গজাই) কৰিবৰ বাবে কোনোৱে গৰুৰে আন কোনোৱে ট্ৰেক্টৰৰে মাটি চহাই ধান সিচিঁবৰ বাবে সাজু হোৱাৰ সময়তে বৰুণ দেৱতাৰ ৰোষত পৰে কৃষক বন্ধুসকল। বতৰ ফৰকাল হোৱাৰ আশাত ৰওঁতে ৰওঁতে খেতিৰ বতৰ পাৰ হ’ব ধৰাত খেতিয়কসকল চিন্তিত। পুব মাজুলীৰ উজনি মাজুলি জেংৰাইমুখ ৰাজহ চক্ৰৰ অধীনৰ বনগাঁৱৰ পৰা পতিয়া আৰু পতিয়া হৈ চুমৈমাৰী দক্ষিণপাট এই বিস্তৃত অংশৰ আগুৰি ৰখা প্ৰায় ২০ হেজাৰ বিঘা কৃষিভূমি ত ৰাইজে কৃষিকৰ্ম কৰি থাকে। কিন্তু যোৱা কেইদিনৰ প্ৰবল বৰষুণৰ পানী জমা হৈ ওফন্দি পৰাত কৃষি পথাৰত কৃত্ৰিম বানৰ সৃষ্টি হয়। জমা হোৱাৰ আৱদ্ধ পানী ওলাই যাবলৈ কোনো সু-ব্যৱস্থা নাই। অসম চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষক কৃষক ৰাইজে প্ৰতি বছৰে উপযুক্ত প্ৰণালীৰে উক্ত অঞ্চলৰ আৱদ্ব পানী নদীলৈ উলিয়াই দিয়াৰ দাবী জনাই আহিছে। তথাপি গা-লৰা নাই বিভাগৰ। জিলাখনৰ আন আন অঞ্চলৰ দৰে ঔ-ডুবি দক্ষিণপাট পথৰ দুয়োকাষৰ। এক বিস্তৃত কৃষিভূমি সম্প্ৰতি কৃত্ৰিম বানৰ তলত। বৰ্তমান সময়তো কৃষিক খামোচা মাৰি ধৰি ৰখা খেতিয়কসকলক ভৱিষ্যত উৎসাহিত কৰা লক্ষ্যৰে শীঘ্ৰে আৱদ্ধ পানী উলিওৱাই দিয়াৰ লগতে চুমৈমাৰীত থকা চেনিমৰা শ্লুইচগেটখন কাৰ্যক্ষম কৰিবলৈ ৰাইজে মাজুলীৰ বিধায়ক ভুবন গামক দাবী জনাইছে।

শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী

## সদৌ অসম ভিত্তিত গীতৰ প্ৰতিযোগিতা সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ১৬ মে’** ঃ সুৰৰ দেউল সংগীত বিদ্যালয়ৰ উদ্যোগত গীতিকাৰ নুৰুল হক আৰু গায়ক শিল্পী মুহিবুদ্দিন আহমেদ (তগৰ)ৰ নিৰ্বাচিত গীতৰ প্ৰতিযোগিতা সদৌ অসম ভিত্তিত যোৰহাট থিয়েটাৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অসমৰ বিভিন্ন ঠাইৰ পৰা অহা দুকুৰি প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখন দুয়োগৰাকী প্ৰয়াত শিল্পীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে আয়োজক সমিতিৰ সভাপতি শান্তনু পূজাৰীয়ে। প্ৰয়াত শিল্পী দুগৰাকীৰ পৰিয়ালৰ লোকে শ্ৰদ্ধা তৰ্পণ কৰে। আমন্ত্ৰিত সন্মানীয় বিচাৰক সংগীতজ্ঞ পুলক বেনাৰ্জী আৰু ৰমেন চৌধুৰীক আয়োজন সমিতিৰ পৰা গামোচা, চেলেং, স্মাৰক আৰু মানপত্ৰ প্ৰদান কৰা হয়। উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰে আয়োজক সমিতিৰ সম্পাদক জয়ন্ত নাথে। শ্ৰদ্ধাৰ নুৰুল হক আৰু মুহিবুদ্দিন আহমেদৰ গীতৰ প্ৰতিযোগিতা প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হয়। এই মহান শিল্পী দুগৰাকীৰ সৃষ্টিক নতুন প্ৰজন্মৰ আগত দাঙি ধৰা আৰু প্ৰচাৰ প্ৰসাৰৰ উদ্দেশ্যৰে এই আয়োজন কৰা হয় বুলি আয়োজকসকলে জানিবলৈ দিয়ে। পুৰস্কৃতসকল ক্ৰমে প্ৰথম প্ৰতিক্ষা গগৈ, দ্বিতীয় দীক্ষিতা বৰা, তৃতীয় গৌৰৱ শৰ্মা, চতুৰ্থ প্ৰজ্ঞান প্ৰতিম ফুকন, পঞ্চম উৰ্মিমালা গগৈ। বিচাৰকৰ বিশেষ বঁটা দীপজ্যোতি মাহিলী, আইলিন গগৈ, ঋষিৰাজ নাথ, ৰাসিকা দাস, হিমাদ্ৰী দত্ত, দিয়া টায়ে আৰু বাকিদুৰ ৰহমান।

## হত্যাকাণ্ডৰে জড়িত চাৰিজনক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ১৬ মে’** ঃ বৃহস্পতিবাৰে নিশা তিনিচুকীয়াৰ আসাম এজেন্সী পেট্ৰ’ল পাম্পৰ সমীপত নিশা গাড়ীচালক পিন্টু শৰ্মাৰ হত্যাকাণ্ডৰ স’তে জড়িত চাৰিজনক তিনিচুকীয়া আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। দুৰ্বৃত্তই চোকা অস্ত্ৰৰে পিন্টু শৰ্মা নামৰ চালকজনক হত্যা কৰাৰ লগতে বিকি দাস নামৰ অন্য এজন লোকো আহত হৈছিল। তাৰ পাছতে আৰক্ষীয়ে তীব্ৰ অভিযান আৰম্ভ কৰাৰ লগতে হত্যাকাৰীক কৰায়ত্ত কৰাৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰিছিল। যোৱা নিশা তিনিচুকীয়া আৰক্ষীয়ে উক্ত ঘটনাৰ স’তে জড়িত চাৰিজনক আটক কৰিবলৈ সক্ষম হয়। ধৃত চাৰিজন ক্ৰমে ডুমডুমাৰ সুৰজ নায়ক (২২) , বালুগাদাৰ ভগৱান শ্বাহ (৪৮), অমন শ্বাহ (১৮) আৰু চলিহা নগৰৰ ৰাজকুমাৰ শ্বাহ (৩৯)। তিনিচুকীয়া আৰক্ষীয়ে ধৃত চাৰিজনক অধিক তথ্যৰ সন্ধানত জেৰা অব্যাহত ৰখাৰ লগতে পলাতক আন এজন দুৰ্বৃত্তৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে।



## বিলায়সনন্দন চ'ৰা



# কেইটামান সাঁথৰ

ঃ বন্ধু-বান্ধৱীসকল, আমি তেন্তে খেলখন আৰম্ভ কৰো।
ঃ আৰম্ভ কৰক ছাৰ।
ঃ সৰুতে আমি আটায়ে বহু খেল খেলিছিলো।
ঃ হয় ছাৰ।
ঃ তাৰে বহু খেলে কাৰ কিমান বুদ্ধি সেয়াও জুখি চাইছিল।
ঃ হয় ছাৰ।
ঃ তেনে এবিধ খেলৰ নাম আছিল সাঁথৰ।
ঃ হয় ছাৰ।
ঃ সাঁথৰবোৰে ল'ৰা-ছোৱালীৰ বুদ্ধি জোখে।
ঃ হয় ছাৰ।
ঃ আজি কালিৰ ল'ৰা-ছোৱালীবোৰে অৱশ্যে সাঁথৰৰ কথা নাজানে।
ঃ আমি জানো ছাৰ।
ঃ জানা যদি কোৱাচোন— সেইজন কোন মানুহ যিয়ে সদায়ে আমাৰ ঘৰলৈ আহে, কিন্তু কেতিয়াও কোনেও লগ নাপায়।
ঃ হকাৰ!
ঃ বা! পাৰিছা দেখোন! সেই কাগজখনৰ নাম কি যাক দেখিলেই গিৰিয়েক-ঘৈণীয়েকৰ কাজিয়া লাগে?
ঃ ইলেকট্ৰিচিটীৰ বিল। যিখন হাতত পৰাৰ পাছতেই দেউতাই মাক ৱাশ্বিং মেচিন নচলাই হাতেৰে খচি কাপোৰ ধুবলৈ কয় আৰু মায়ে মাকৰ ঘৰলৈ গুচি যাম বুলি ধমক দিয়ে।



ঃ যাক ওচৰতে দেখি, কিন্তু লগ পাব নোৱাৰি।
ঃ মিনিষ্টাৰ।
ঃ যাৰ কথা সদায় শুনা যায়, কিন্তু ক'তো কেতিয়াও দেখা নাযায়।
ঃ ৰাজ্যৰ উন্নতি।
ঃ এনে এটা বিজ্ঞাপন, যাক কেতিয়াও ফিল্মষ্টাৰৰ দৰকাৰ নহয়।
ঃ চাকৰিৰ বিজ্ঞাপন।
ঃ এনে এটা চাকৰি, য'ত কাম নাই, কিন্তু নাম আছে।
ঃ এম পি-এম এল এৰ চাকৰি।
ঃ জুই নুমোৱা গাড়ীত চাইৰেন বাজে আৰু বেলেগ কি গাড়ীত চাইৰেন বাজে?
ঃ জুই জ্বলোৱা গাড়ীত।
ঃ জুই জ্বলোৱা গাড়ী মানে?
ঃ মিনিষ্টাৰৰ গাড়ীবোৰ!
ঃ কোন সেইজন যি দেছী হৈও বিদেছী?
ঃ প্ৰধানমন্ত্ৰী। বেছিভাগ বিদেছতে থাকে দেখোন।
ঃ সেই তলাটো কি যি হঠাতে বন্ধ হয় আৰু ভোট আহিলেই খোল খাই যায়?
ঃ লকডাউন!
ঃ সমগ্ৰ দেছবাচীয়ে এবাৰ একেলগে চূড়াকৰণ কৰিব লগা হৈছিল। কি সেই চূড়াকৰণ?
ঃ বিমুদ্ৰাকৰণ! তেতিয়াৰে পৰা চুলি সৰি সৰি বহুতেই টকলা হ'ল।
ঃ সবাতোকৈ বিলাসী জন্মদিনটোৰ নাম কি?
ঃ চৰকাৰৰ বৰ্ষপূৰ্তি।
ঃ মেক ইন ইণ্ডিয়াৰ ফৰ্মূলা কি?
ঃ টাটাই বনোৱা হাস্পতাল নিজে বনোৱা বুলি কোৱাটোৱে মেক ইন ইণ্ডিয়াৰ ফৰ্মূলা!
ঃ চাফা ভাৰত অভিযানত ভাৰত কিমানখিনি চাফা হ'ল?
ঃ মোটামুটি আটাইখিনি বেচি বেচি চাফা কৰি পেলোৱা হৈছে।
ঃ কি জুই নুমাব নোৱাৰি?
ঃ বজাৰৰ জুই।
ঃ মেৰা ভাৰত কিয় মহান?
ঃ তেনেকৈ নক'লে যে জেলত সোমাব লাগে, সেই কাৰণে মহান।
ঃ বা! সৱ জানা দেখোন তোমালোকে? ধন্য মই।
ঃ আপোনাক যে শিকাব পাৰিছো, তাৰ বাবে আমিও নিজকে ধন্য মানিছো ছাৰ!



# নৱম মহলাত ওলমি থকা শিশুক উদ্ধাৰৰ বাবে প্ৰাণৰ বাজি

## নিজৰ জীৱনকো আওকাণ কৰি জাতীয় নায়কত পৰিণত হ'ল যুৱক



**নিউজ ব্যুৰ'**
**নুৰ চুলতান (কাজাখস্তান), ১৬ মে' ঃ** এটি তিনি বছৰীয়া শিশুক উদ্ধাৰৰ বাবে নিজৰ জীৱনৰো বাজি ধৰি সম্প্ৰতি জাতীয় নায়কত পৰিগণিত হ'ল কাজাখস্তানৰ এজন যুৱক। এটা বিল্ডিঙৰ নৱম মহলাৰ খিৰিকীত উলমি থকা শিশুটিক উদ্ধাৰৰ বাবেই তেওঁ নিজৰ কথা নাভাবি আগবাঢ়ি গৈছিল। আনকি নিৰাপদভাৱেই তেওঁ শিশুটিক উদ্ধাৰ কৰে। এই শিহৰণকাৰী দৃশ্যৰ ভিডিঅ' সংগ্ৰহ কৰিছিল কে'বা মহলীয়া বিল্ডিংটোৰ লগতে সমীপৰ বিল্ডিঙৰ মানুহে। সম্প্ৰতি ভাইৰেল হৈ পৰা এই ভিডিঅ'ৰ দৃশ্যই নেট মাধ্যম ব্যৱহাৰকাৰীকো শিহৰিত কৰি তুলিছে। যোৱা সপ্তাহত এই ঘটনা সংঘটিত হয় কাজাখস্তানৰ ৰাজধানী নুৰ চুলতানত।

প্ৰাপ্ত তথ্য অনুসৰি, তিনি বছৰীয়া শিশুটিৰ মাতৃয়ে সেই সময়ত সমীপৰ বজাৰলৈ গৈছিল। ঘৰ বন্ধ কৰি সন্তানক খেলনা দি থৈ গৈছিল মহিলাগৰাকীয়ে। অথচ খেলাৰ চলতে যে অবোধ শিশুটিয়ে খিৰিকীত উঠি এনে ভয়ানক কাণ্ড ঘটাব, সেয়া তেওঁ কল্পনাই কৰিব পৰা নাছিল। হঠাতে বিল্ডিংটোৰ কোনো বাসিন্দাৰ ঘটনাটো দৃষ্টিগোচৰ হয়। নৱম মহলাত মাটিৰ পৰা প্ৰায় এশ ফুট উচ্চতাত এটি শিশুৱে কাচৰ খিৰিকীৰ ৰডত ধৰি উলমি আছে। সেই দৃশ্য দেখিয়েই বিল্ডিঙৰ অন্যান্য বাসিন্দাৰ লগতে তলৰ পথচাৰীসকলেও আতংকত চিৎকাৰ আৰম্ভ কৰে। কোনোবাই লগে লগে ফোন কৰি দুৰ্যোগ প্ৰশমন বিভাগক খবৰ দিয়ে। অথচ তেওঁলোকলৈ অপেক্ষা কৰিলে শিশুটি যিকোনো মুহূৰ্ততে তললৈ সৰি পৰিব পাৰে বুলিয়ে সকলোৰে ধাৰণা হয়। তেতিয়াই ভগৱানৰ দৰে উদ্ধাৰকাৰীৰ ৰূপত আবিৰ্ভাৱ ঘটে শ্ব'নটাকবায়েভ ছাবিট নামৰ ৩৭ বছৰীয়া যুৱকজনৰ।

ঘটনাৰ সন্দৰ্ভত ছাবিটে জনায় যে সেই সময়ত তেওঁ কামলৈ ওলাই যোৱাৰ প্ৰস্তুতি লৈছিল। তেতিয়াই মানুহৰ চিঞৰ-বাখৰ শুনি খিৰিকীৰে চাই শিশুটিক সেইদৰে উলমি থকা প্ৰত্যক্ষ কৰে। তেওঁ সেই দৃশ্য দেখি ৰৈ থাকিব নোৱাৰিলে আৰু নিজৰ জীৱনৰ কথা নাভাবি শিশুটিক উদ্ধাৰ অভিযানত নামি পৰে। অষ্টম মহলাত উপস্থিত হৈ তাৰ খিৰিকীৰে বাহিৰ ওলাই তেওঁ শিশুটিক উদ্ধাৰৰ চেষ্টা কৰে। ভাইৰেল হোৱা ভিডিঅ'টোত স্পষ্টৰূপত দেখা গৈছে যে ছাবিটে তলৰ মহলাটোৰ খোলা খিৰিকীত কোনোমতে উঠি কিছু ওপৰলৈ উঠে আৰু তাৰ পৰা কিছু ওপৰত উলমি থকা শিশুটিৰ ভৰিত ধৰিবলৈ নমাবলৈ চেষ্টা কৰে। হঠাৎ হাত পিছলি ছাবিটৰ ওপৰতে পৰেহি শিশুটি। সামান্য ইফাল-সিফাল হোৱা হ'লেই শিশুটিৰ ৰক্ষা নাছিল। যদিও সৌভাগ্যক্ৰমে ছাবিটে অতি তৎপৰতাৰে কণমানি শিশুটিক এখন হাতেৰেই ধৰি ৰাখিবলৈ সক্ষম হয়। তাৰ পাছত এখন হাতেৰেই তেওঁ কোনোমতে খিৰিকীখনেৰে ঘৰৰ ভিতৰলৈ সোমোৱাই দিয়ে। সেই ঘৰত থকা কোনো লোকে শিশুটিক ধৰি ভিতৰলৈ নিয়াৰ পাছত ছাবিট নিজেও সুৰক্ষিতভাৱে ভিতৰলৈ সোমাই যায়।

এই ঘটনাৰ পাছতে কাজাখস্তান চৰকাৰে ছাবিটক জাতীয় নায়কৰ আখ্যা দিয়াৰ লগতে পদকেৰে সন্মানিত কৰে। সংশ্লিষ্ট মন্ত্ৰণালয়ে জনাইছে যে খবৰ লাভ কৰি দুৰ্যোগ প্ৰশমন বিভাগৰ লোক উক্ত স্থানত উপস্থিত হৈছিল যদিও তেতিয়ালৈ দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা আছিল। সেই সময়ত নিজৰ জীৱনৰ বাজি ৰাখি ছাবিটে যিদৰে শিশুটিক উদ্ধাৰ কৰে, তাৰ বাবে কোনো প্ৰশংসাই যথেষ্ট নহয়। এই কাজাখ যুৱকক সামাজিক মাধ্যমতো সকলোৱে সন্মান প্ৰদৰ্শন কৰিছে।



# গাঁও দখলৰ বাবে অহা ৰুছ সেনাক ৰোধিবলৈ ভাঙিলে নদীৰ বান্ধ

## বিপদৰ পৰা ৰক্ষাৰ বাবে বিপদকে মাতিলে ইউক্ৰেইনৰ গাঁওবাসীয়ে

**নিউজ ব্যুৰ'**
**কিয়েভ, ১৬ মে' ঃ** তীব্ৰগতিৰে আগবাঢ়ি আহিছে ৰুছ সেনা। যিকোনো মুহূৰ্তত দখল কৰি ল'ব পাৰে ইখন গাঁৰৰ পৰা সিখন গাঁও। এই আশংকাতে ইৰপিন নদীৰ বান্ধটো কাটি দিলে কিয়েভৰ উত্তৰ অংশৰ গাঁওবাসীয়ে। ফলত বানত ভাহি গ'ল ইখনৰ পাছত সিখনকৈ গাঁও। বাসগৃহৰ পৰা আৰম্ভ কৰি কৃষিভূমি, সকলোবোৰেই পানীত ডুব গ'ল। বানৰ কবলত পৰি নিদাৰুণ কষ্ট ভোগ কৰিছে কে'বাখনো গাঁৰৰ বাসিন্দাই। তথাপি তেওঁলোকৰ কোনো অনুতাপ নাই। কিয়নো ইয়াৰ দ্বাৰা তেওঁলোকে ৰুছ সেনাৰ কবলৰ পৰা ৰক্ষা পাইছে। সম্প্ৰতি গাঁওবাসীয়ে নিজেই এই কথা জনাইছে।

উল্লেখ্য যে ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ প্ৰথম ফালেই ইউক্ৰেনীয় বাহিনীয়ে ডেমিডিভত ইৰপিন নদীৰ বান্ধটো ভাঙি দিয়ে। এই কাৰ্যত সহযোগ কৰে গাঁওবাসীয়ে। নিজৰ গাঁও পানীত ভাহি যাব বুলি জনাৰ পাছতো তেওঁলোকে এই কামত সাহায্য কৰিবলৈ আগবাঢ়ি আহে। ফলত ভাহি গ'ল হেজাৰ হেজাৰ একৰ ভূমি। তথাপি 'স্বস্তি'ৰ ভাব গাঁওবাসীৰ মনত।গাঁওবাসীয়ে জনাইছে যে যুদ্ধৰ টেংক, গোলা-বৰুদ লৈ পুটিন বাহিনী আগবাঢ়ি অহা বুলি তেওঁলোকে খবৰ পাইছিল। ইয়াৰ পাছতে সেই সিদ্ধান্ত লোৱা লোৱা হয়। অন্ততঃ ৰুছ সেনাৰ হাতৰ পৰাতো ৰক্ষা পোৱা গ'ল! গাঁওখন বানত ভাহি হ'লেও গাঁওবাসীয়ে সেয়াই ভাল হোৱা বুলিহে দাবী কৰে। নাম প্ৰকাশত অনিচ্ছুক এজন স্থানীয় লোকে কয়, 'এই সৰু নদীখন পাৰ হৈ তেওঁলোক গাঁৱত সোমোৱা হ'লে কি সৰ্বনাশ হ'লহেঁতেন ভাবি চাওকচোন।' উল্লেখ্য যে বিগত দুমাহ ধৰিয়ে গাঁওবাসীয়ে নাৱেৰে যাতায়াত অব্যাহত ৰাখিছে। যিখিনি শাক-পাচলি, ফচল আগতীয়াকৈ তুলি ৰখা হৈছিল তাৰেই কোনোমতে চলি আছে। অধিকাংশ সময় পানীৰ মাজত গৃহবন্দী হৈয়ে কটাইছে যদিও গাঁওবাসীৰ মনত নাই কোনো হতাশা বা বেদনা।

# ভাৰত-ম্যানমাৰৰ সম্পৰ্ক উন্নত কৰাৰ উদ্দেশ্যে নিৰ্মাণ হ'ব দুয়ো দেশৰ মাজত স্মৃতি সৌধ

## ডিব্ৰুগড়ত কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীৰ আশ্বাস

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ১৬ মে' ঃ** ভাৰত আৰু ম্যানমাৰৰ মাজত পাৰস্পৰিক বুজাবুজি আৰু সম্পৰ্ক উন্নত কৰাৰ উদ্দেশ্যে নিৰ্মাণ হ'ব দুয়োখন দেশৰ মাজত এক স্মৃতি সৌধ। আজি ডিব্ৰুগড়ত কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে বৌদ্ধ জয়ন্তীৰ এক সভাত অংশগ্ৰহণ কৰি বিষয়টো সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ মাজত আগবঢ়াই লৈ যোৱাৰ আশ্বাস প্ৰদান কৰে। ডিব্ৰুগড় বৌদ্ধ বিহাৰ সমিতিৰ উদ্যোগত আয়োজিত ভগৱান বৌদ্ধৰ ২৫৬৬ সংখ্যক জন্মজয়ন্তী উৎসৱত অংশগ্ৰহণ কৰি এই মন্তব্য কেন্দ্ৰীয় মন্ত্ৰীজনৰ। উল্লেখ্য যে, ৫০ৰ দশকতে মৈত্ৰীৰ পাতনি মেলা প্ৰয়াত বৌদ্ধ ভিক্ষু গুণৱন্ত মহাথেৰৰ স্মৃতিত ভাৰত-ম্যানমাৰ সীমান্তত এটা স্মৃতি সৌধ নিৰ্মাণৰ জৰিয়তে দুয়োখন দেশৰ সম্প্ৰীতি বজাই ৰখাৰ বাট মুকলি কৰাৰ বাবে বৌদ্ধ সমাজে দাবী উত্থাপন কৰি আহিছিল। উল্লেখ্য যে অসমৰ পূব প্ৰান্তৰ লিডু অঞ্চলত ধৰ্মগুৰু ভিক্ষু গুণৱন্ত মহাথেৰে প্ৰায় শতায়ু বছৰ গৰকি দেশৰ সীমামূৰীয়া অঞ্চলটোত ভগৱান গৌতম বুদ্ধৰ অহিংসা- শান্তি-মৈত্ৰী কৰুণাৰ বাণীৰে নিজৰ আধ্যাত্মিক জীৱন উছৰ্গা কৰি গৈছিল। আজি ভগৱান বৌদ্ধৰ ২৫৬৬ সংখ্যক জন্মজয়ন্তী উৎসৱৰ স'তে সংগতি ৰাখি স্মাৰকপত্ৰৰ জৰিয়তে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাইছে কেন্দ্ৰীয় মন্ত্ৰী আৰু বিধায়ক প্ৰশান্ত ফুকনে। ভগৱান বুদ্ধৰ শান্তি-মৈত্ৰী কৰুণাৰ বাণীক সাৰোগত কৰি বিভিন্ন জাতি, ভাষা, বৰ্ণ, পৰম্পৰা নিৰ্বিশেষে বৌদ্ধ ধৰ্মালম্বী লোকক ঐক্যবদ্ধ কৰি অহা বৌদ্ধ বিহাৰ তথা অন্যান্য ঐতিহাসিক বৌদ্ধ স্তূপসমূহক অসম দৰ্শন আঁচনিত সংৰক্ষণ সৌন্দৰ্যবৰ্ধন আৰু পৰ্যটকৰ বাবে উপযুক্ত কৰি তোলাৰ বাবেও আহ্বান জনায়। লগতে ডিব্ৰুগড় বৌদ্ধ বিহাৰ সমিতিৰ তৰফৰ পৰা সুভেদানন্দ ভাণ্টে, উত্তম বৰুৱাসহ বিষয়ববীয়াসকলে লগতে গৌতম বুদ্ধৰ নামত কলাক্ষেত্ৰ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক দাবী জনায়। একেটা অনুষ্ঠানত বৌদ্ধ বিহাৰৰ এটা সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে।

# বৰপেটা সত্ৰত শ্ৰীশ্ৰীমাধৱদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ



**বিশেষ সংবাদদাতা**
**বৰপেটা, ১৬ মে' ঃ** ৰাজ্যখনৰ আন আন সত্ৰৰ লগতে বৰপেটা সত্ৰতো আজিৰে পৰা অনুষ্ঠিত হৈছে মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ। বৰপেটা সত্ৰৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ গুৰুজনাৰ ৫৩৩ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ এইবেলি সত্ৰখনত তিনিদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে আৰম্ভ হৈছে। কাৰ্যসূচী অনুসৰি, আজি পুৱা ন বজাত অনুষ্ঠিত হয় যুগল প্ৰসংগ সমাৰোহ। আনহাতে, বিয়লি পাঁচ বজাত অনুষ্ঠিত হয় ধৰ্মালোচনা সভা। উক্ত ধৰ্মালোচনা সভাখন উদ্বোধন কৰে বৰপেটা সত্ৰৰ ঘাই ভৰালী নাৰায়ণ আতৈ বুঢ়াভকতে। বৰপেটা সত্ৰৰ ডেকাসত্ৰীয়া গৌতম পাঠকৰ সভাপতিত্বত অনুষ্ঠিত ধৰ্মালোচনা সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° ভূপেন্দ্ৰ ৰায়চৌধুৰীয়ে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। ধৰ্মালোচনা সভাখনত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰে বঙাইগাঁৱৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ জ্যেষ্ঠ প্ৰবক্তা ডিম্বেশ্বৰ মেধিয়ে। ইপিনে, কাইলৈ পুৱা বৰপেটা সত্ৰৰ পৰা আৰম্ভ হ'ব ভাগৱত ভ্ৰমণ। বিয়লি পাঁচ বজাত অনুষ্ঠিত ধৰ্মালোচনা সভাখন উদ্বোধন কৰিব বৰপেটা জিলাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূষালে। বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া গৌতম পাঠকৰ সভাপতিত্বত অনুষ্ঠিতব্য ধৰ্মালোচনা সভাত মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা গকুল গগৈয়ে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব। উক্ত সভাখনত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিবেশ্য কলা অধ্যয়নৰ সহকাৰী অধ্যাপক মৃণাল কুমাৰ বৰুৱাই। আনহাতে, সন্ধিয়া বৰপেটা সত্ৰৰ লগতে অনুষ্ঠান-প্ৰতিষ্ঠান আৰু বাসগৃহত বন্তি প্ৰজ্বলন কৰা হ'ব। সত্ৰৰ স্থায়ী ৰংগমঞ্চত সন্ধিয়াৰ পৰা পৰিবেশন কৰা হ'ব সাংস্কৃতিক অনুষ্ঠান। অহা ১৮ মে'ৰ পুৱা ন বজাত অনুষ্ঠিত হ'ব নাম-প্ৰসংগ। ইপিনে, বিয়লি তিনি বজাত টুপৰ চোতালত অনুষ্ঠিত হ'ব আইসকলৰ নাম। তদুপৰি সন্ধিয়া সত্ৰৰ লগতে অনুষ্ঠান-প্ৰতিষ্ঠান আৰু বাসগৃহত বন্তি প্ৰজ্বলন কৰা হ'ব। সত্ৰ নগৰীৰ মৰ্যাদা অক্ষুণ্ণ ৰাখি ১৭ আৰু ১৮ মে'ৰ সন্ধিয়া বৰপেটা চহৰত বসবাস কৰা প্ৰতিটো পৰিয়ালক নিজ নিজ বাসগৃহৰ সন্মুখত বন্তি প্ৰজ্বলন কৰিবলৈ বৰপেটা সত্ৰ পৰিচালনা সমিতিয়ে আহ্বান জনাইছে।

# ভূটানখুঁটিত বন্যহস্তীৰ গচকত নিহত এজন

**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ১৬ মে' ঃ** বাগ্‌সাৰ ভাৰত-ভূটান সীমান্তত অব্যাহত আছে বনৰীয়া হাতীৰ তাণ্ডৱ। নিকাছি আৰক্ষী চকীৰ অন্তৰ্গত পশ্চিম ভূটানখুঁটিৰ শান্তিপুৰত বনৰীয়া হাতীৰ গচকত যোৱা নিশা এজন লোক নিহত হয়। নিহত লোকজনৰ নাম নাৰায়ণ দৰ্জী ওৰফে কমল দৰ্জী (৫৫)। বন্যহস্তীৰ আক্ৰমণত তেওঁৰ ঘৰ-দুৱাৰ লণ্ডভণ্ড হয়। স্থানীয় ৰাইজে জনোৱা মতে, নিশা শুই থকা অৱস্থাত হঠাতে বন্যহস্তীয়ে আক্ৰমণ কৰে তেওঁৰ ঘৰত। হাতীৰ গচকত ঘৰতে নিহত হয় লোকজন। নিহত লোকজন ঘৰত অকলে আছিল। বন্যহস্তীয়ে কমল দৰ্জীৰ ভ্ৰাতৃ খৰ্কবাহাদুৰ দৰ্জীৰ বাসগৃহতো আক্ৰমণ কৰে। ঘটনাৰ খবৰ পাই নিকাছি আৰক্ষী আৰু বন বিভাগৰ দল ঘটনাস্থলীত উপস্থিত হয়। পাছত তেওঁৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰ অসামৰিক চিকিৎসালয়লৈ অনা হয়। নেৰানেপেৰা বৰষুণৰ বাবে খাদ্যৰ অভাৱ হোৱাত বন্যহস্তীয়ে খাদ্য বিচাৰি জনাঞ্চলত প্ৰৱেশ কৰাটো এতিয়া নিত্য নৈমিত্তিক ঘটনাত পৰিণত হৈছে।

# কিশোৰ গৃহৰ পৰা পলায়ন কৰা চোৰক দুই সতীৰ্থসহ কৰায়ত্ত

## নগাঁৱত সন্ত্ৰাস চলাইছিল তিনি কিশোৰ চোৰে

**বিশেষ সংবাদদাতা**
**নগাঁও, ১৬ মে' ঃ** এক গোপন সূত্ৰৰ খবৰৰ ভিত্তিত নগাঁও আৰক্ষীৰ সহকাৰী উপ পৰিদৰ্শক মজিবুৰ ৰহমানৰ নেতৃত্বত আৰক্ষীৰ এটা দলে যোৰহাটৰ কিশোৰ গৃহৰ পৰা পলাই অহা এজন কিশোৰ চোৰক আজি কৰায়ত্ত কৰে। উল্লেখ্য যে তেওঁ ইতিমধ্যে যোৱা এমাহত দুবাৰকৈ উক্ত গৃহৰ পৰা পলায়ন কৰিছিল। কিশোৰজনৰ স্বীকাৰোক্তিৰ ভিত্তিত অভিযান চলাই আৰক্ষীৰ দলটোৱে আন দুজন কিশোৰ চোৰক কৰায়ত্ত কৰে। তেওঁলোকৰ হাতৰ পৰা আৰক্ষীয়ে কেতবোৰ চুৰি সামগ্ৰী লেপটপ, সোণৰ খাৰু, বাচন, মিক্সাৰ গ্ৰাইণ্ডাৰ আৰু ইলেক্ট্ৰনিক সামগ্ৰী আদি উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ধৃত কিশোৰ চোৰকেইজনৰ ঘৰ ক্ৰমে নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী চিলঙনি আৰু জুৰীয়াৰ আধাখুন্দাত বুলি আৰক্ষী সূত্ৰই জনাইছে। এওঁলোক তিনিও মিলি বিভিন্ন ঠাইত চুৰি কৰি সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছিল।

# গুদাম ঘৰত পৰিণত হৈছে যোৰহাট জিলা সংগ্ৰহালয়



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ১৬ মে' ঃ** কিছু আপুৰুগীয়া সম্পদ সংগ্ৰহ কৰি আনি ঘৰ এটাত গোটাই থোৱাকে নিশ্চয় সংগ্ৰহালয় বা যাদুঘৰ বুলি কোৱা হয়। কিন্তু সম্প্ৰতি যোৰহাট জিলা সংগ্ৰহালয় মানে তেনে এটা ঘৰকে বুজা যায় য'ত বহু আপুৰুগীয়া সম্পদ ঠাহ খাই আছে অথচ সংৰক্ষণৰ কোনো উপযুক্ত ব্যৱস্থা নাই। ফলত বহু আপুৰুগীয়া সম্পদ ইতিমধ্যে জহি-খহি গৈছে আৰু আন সামগ্ৰী নষ্ট হোৱাৰ উপক্ৰম হৈছে। এক কথাত এয়া যেন সংগ্ৰহালয় নহয়, এটা গুদাম ঘৰহে। কেৱল সিমানেই নহয়, নগৰৰ মাজমজিয়াৰ কে বি ৰোডৰ গাতে লাগি থকা একালৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক বঙলাৰ ভূমিত অৱস্থিত যোৰহাট জিলা সংগ্ৰহালয়টো বৰ্তমান যি কদৰ্যময় অৱস্থাত আছে, সেয়া নেদেখিলে কল্পনাও কৰিব নোৱাৰি। কাইলৈ সমগ্ৰ বিশ্বজুৰি পালন কৰা হ'ব আন্তৰ্জাতিক সংগ্ৰহালয় দিৱস। এনে মুহূৰ্তত যোৰহাটৰ একমাত্ৰ সংগ্ৰহালয়টোৰ এই পুতৌলগা অৱস্থাই চৰকাৰৰ অৱহেলিত ৰূপটোকে প্ৰকট কৰিছে। ২০১৩ তে যোৰহাট জিলা সংগ্ৰহালয়টো যোৰহাট স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ পৰা বৰ্তমানৰ ঠাইলৈ স্থানান্তৰ কৰা হয় যদিও যোৱা প্ৰায় এটা দশকে ই পূৰ্ণাংগ ৰূপ নাপালে, বৰং দিনক দিনে অৱহেলিতহে হৈ আহিছে। যোৰহাট স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ এটা কক্ষত বহুদিন ধৰি চলি থকা জিলা সংগ্ৰহালয়টো এটা স্থায়ী ভৱনলৈ স্থানান্তৰ কৰিবলৈ যোৰহাটবাসীয়ে দীৰ্ঘদিন ধৰি জনোৱা দাবীৰ অন্তত বিদ্যালয়সমূহৰ পৰিদৰ্শক বঙলাৰ ভূমিত সংগ্ৰহালয়ৰ বাবে আঢ়ৈ কঠা ভূমি আবণ্টন কৰা হয়। পাছলৈ তাতে স্থায়ী এটা আৰ চিচিঘৰ নিৰ্মাণ কৰি অ'ত দিনে স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ এটা কোঠাত ভৰাই থোৱা আপুৰুগীয়া সম্পদসমূহ স্থানান্তৰ কৰা হয় যদিও চৰকাৰৰ সদিচ্ছাৰ অভাৱত আজিও সংগ্ৰহালয়টোৱে পূৰ্ণতা নাপালে।

ৰাজ্য চৰকাৰৰ খিলঞ্জীয়া আৰু জনগোষ্ঠীয় বিশ্বাস আৰু সাংস্কৃতিক বিভাগৰ অধীনত থকা যোৰহাট জিলা সংগ্ৰহালয়টোত সৰ্বাধিক সম্পদ মজুত থকা সত্বেও নাই সীমাৰ দেৱাল। নাই ন্যূনতম নিৰাপদ ব্যৱস্থা। কে বি ৰোডৰ পৰা এশ মিটাৰ নিলগতে অৱস্থিত সংগ্ৰহালয়টোলৈ সোমোৱা প্ৰৱেশ পথৰ কদৰ্য ৰূপ। চাৰিও সীমাৰ উপৰি সন্মুখৰ ভাগত এজাক বৰষুণতে পানী জমা হৈ কদৰ্য ৰূপ পায়। ঘাঁহ-বনেৰে ভৰপূৰ। এটা চৰকাৰী বিভাগৰ জিলা পৰ্যায়ৰ এটা গুৰুত্বপূৰ্ণ কাৰ্যালয় তথা সংগ্ৰহালয়ৰ এনে অৱস্থা নেদেখিলে বিশ্বাস কৰিবই নোৱাৰি। কেৱল সিমানেই নহয়, এমহলীয়া ভৱনটোৰ কে'বাটাও কোঠাত বৰষুণ দিলে পানী পৰে ফলত বহুকেইখন দেৱাল আৰু ভিতৰত থকা বহু সামগ্ৰী প্ৰায় নষ্ট হোৱাৰ উপক্ৰম হৈছে।

উল্লেখ্য যে সংগ্ৰহালয়টোত বৰ্তমান সংৰক্ষিত হৈ আছে বিভিন্ন সময়ৰ ৩০০ ৰো অধিক মুদ্ৰা, সম পৰিমাণৰ প্ৰাচীন সাঁচিপাতৰ পুথি-পাঁজি, দৈয়াং ধনশিৰী উপত্যকাৰ পৰা সংগৃহীত বহু পুৰাতাত্ত্বিক সম্পদ, মূৰ্তি, শিলালিপি, পঠালি পাহাৰৰ শিলালিপিৰ উপৰি শালস্তম্ভ বংশৰ মুদ্ৰা, টেনাচেৰিম মুদ্ৰা, ম্যানমাৰৰ মুদ্ৰা, আহোম যুগৰ উপৰি বিভিন্ন সময়ত উদ্ধাৰ হোৱা প্ৰাচীন অস্ত্ৰ-শস্ত্ৰ, হেংদাং, মুদ্ৰা, দোলা, ঘৰুৱা ব্যৱহিত সামগ্ৰী। কিন্তু এই আপুৰুগীয়া সম্পদসমূহৰ বিজ্ঞানসন্মত সংৰক্ষণ, প্ৰদৰ্শন আৰু অধ্যয়নৰ বাবে পৰ্যাপ্ত পুঁজিৰ যোগান নাই। একোটা সংগ্ৰহালয়ত সামগ্ৰীসমূহৰ উপযুক্ত সংৰক্ষণৰ প্ৰয়োজনীয় 'ইনটিগ্ৰেটেড পেষ্ট মেনেজমেণ্ট' (আই পি এম)ৰ বাবে চৰকাৰে পুঁজিৰ যোগান ধৰিব লাগে যদিও বহু সামগ্ৰীত উঁই আদি পোক লাগি ধ্বংস হ'ব ধৰিছে। মাজে-সময়ে ব্যক্তিগত প্ৰচেষ্টাত কিছু কাম কৰা হয় যদিও সেয়া পৰ্যাপ্ত নহয়। এগৰাকী জিলা সংগ্ৰহালয় বিষয়া আছে যদিও আন কৰ্মচাৰী প্ৰয়োজন অনুপাতে নাই। ইপিনে, যোৰহাটৰ জিলা সংগ্ৰহালয় বিষয়াগৰাকী আন দুখন জিলা ক্ৰমে মাজুলী আৰু ডিব্ৰুগড়ৰ জিলা সংগ্ৰহালয়ৰ দায়িত্বতো কাৰ্যনিৰ্বাহ কৰিবলগীয়া হৈছে। অথচ সংগ্ৰহালয়ৰ নামত আবণ্টন নাই এখনো বাহন। এনে এক পুতৌলগা অৱস্থাৰ মাজেৰে কাইলৈ আয়োজন কৰা হৈছে আন্তৰ্জাতিক সংগ্ৰহালয় দিৱস। যোৰহাট জিলা সংগ্ৰহালয় আৰু টীয়কৰ চন্দ্ৰ কমল বেজবৰুৱা মহাবিদ্যালয়ৰ পোনাৰাম গগৈ মম'ৰিয়েল সংগ্ৰহালয় যৌথ উদ্যোগত আন্তৰ্জাতিক মিউজিয়াম দিৱস উপলক্ষে এখন ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালাৰ আয়োজন কৰা হৈছে।



অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com